লাচিত বৰফুকন

GOVERNMENT
Acc. No. 891.4692
DISTRICT LIBRARY

প্ৰবীণ ফুকন

লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী : অসম

প্ৰকাশক :

শ্ৰীবিচিত্ৰনাৰায়ণ দত্তবৰুৱা, বি-এল
লয়াৰ্ছ বুক ষ্টল
গুৱাহাটী, অসম

দ্বিতীয় প্ৰকাশ :
জানুৱাৰী, ১৯৬১

মূল্য : দুটকা

মুদ্ৰক :
শ্ৰীকালাচৰণ পাল
নবজীৱন প্ৰেছ
৬৬ গ্ৰে ষ্ট্ৰীট, কলিকতা-৬

GOVERNMENT
Call No. 891.4512
P497Lach
Dr. ... LIBRARY

আগকথা

কিছুদিনৰ আগতে প্ৰকাশ হোৱা আমাৰ 'মণিৰাম দেৱান' নাটখনিয়ে অসমৰ নাট্যামোদী আৰু পঢ়ুৱৈ সমাজৰপৰা আশাতীত সমাদৰ লাভ কৰাৰ বাবেহে হাতেলিখা 'লাচিত বৰফুকন' নাটখনো ছপাই ৰাইজৰ আগত উলিয়াবলৈ হেপাহ কৰিলোঁ।

বন্ধুবৰ চাহ-খেতিয়ক শ্ৰীযুত ভুবনচন্দ্ৰ চৌধাৰীদেৱে নাটখনি প্ৰকাশ কৰাৰ (প্ৰথম সংস্কৰণ) সকলো দায়িত্ব লৈ আমাক বাধিত কৰিছে। এই ছেগতে আমি 'আসাম প্ৰিণ্টাৰ্ছ আৰু পাবলিশ্যাৰ্ছ লিমিটেড'ৰ জেনেৰেল মেনেজাৰ শ্ৰীযুত খগেন্দ্ৰনাথ দত্ত ভুঞাদেৱকো আমাৰ আন্তৰিক ধন্যবাদ জনাইছোঁ— তেখেতে, বিশেষকৈ সাংবাদিক শ্ৰীযুক্ত সতীশচন্দ্ৰ কাকতী আৰু সতীৰ্থ শ্ৰীযুত যোগেন্দ্ৰনাথ বৰকাকতীয়ে—নাটখনি চাই-মেলি নিদিয়া হলে পুথিখন ইমান সোনকালে ৰাইজৰ আগত উলিয়াব নোৱাৰিলোঁহেতেন।

মহাবীৰ লাচিত বৰফুকনৰ অমৰ কাহিনী—আৰু শৰাইঘাটৰ ৰণৰ ওপৰত ভেটি কৰি আমাৰ আগতে আৰু কেইবাজনেও নাট ৰচনা কৰিছিল। এই প্ৰসঙ্গত অসমীয়া সাহিত্যৰ ছুগৰাকী ঘাই খুটিয়াল ৰসৰাজ লক্ষ্মীনাথ বেজবৰুৱা আৰু সাহিত্যিক পেঞ্চনাৰ ৺পদ্মনাথ গোহাঁঞি বৰুৱাৰ নাম বিশেষভাবে উল্লেখযোগ্য।

সময়ৰ লগে লগে মানুহৰ ভাৱ-গতিৰো সালসলনি হোৱাটো স্বাভাৱিক। সেইকাৰণে আমাৰ আদৰ্শস্থানীয় সকলৰ পন্থাৰ অনুসৰণ কৰিয়েই নতুন যুগৰ নতুন ভাবধাৰাৰ সৈতে খাপ খুৱাই অসমৰ গৌৰবময় যুগ এটাৰ পটভূমিকাত কল্পনাৰ ৰহন সানি, 'লাচিত বৰফুকন' নাট ৰচনাৰ এই প্ৰয়াস—; এই

প্ৰয়াসে কিমানদূৰ কৃতকাৰ্য্যতা লাভ কৰিছে তাৰ বিচাৰৰ ভাৰ সহৃদয় ৰাইজৰ হাতত।

লিখকৰ 'লাচিত বৰফুকন' নাট লিখাৰ গুৰিতে আছিল আমাৰ কলেজীয়া জীৱনৰ গুৰু আৰু শিক্ষা-বিভাগৰ ভূতপূৰ্ব্ব ডাইৰেক্টৰ, অসমৰ খ্যাতনামা বুৰঞ্জীবিদ ডক্টৰ সূৰ্য্যকুমাৰ ভূঞা এম-এ, বি-এল, পি-এইচ-ডি, (লণ্ডন) দেৱৰ উৎসাহ আৰু উদ্গনি। অতীতৰ বুকুত সিচৰিত হৈ পৰিথকা—বুৰঞ্জীৰ হেৰুৱা সমলবোৰ গোটাই অক্লান্ত পৰিশ্ৰম কৰি তেখেতে ছপাই উলিওৱা 'Lachit Barphukan and His Times' বোলা পুথিখনৰ লগতে দিয়া আন তথ্য আদি চকুৰ আগত নথকা হলে—লিখকৰ পক্ষে এই নাটখন এই ধৰণেৰে লিখি উলিওৱা—বোধ হয় কেতিয়াও সম্ভৱ নহলহেঁতেন আৰু সেইবাবে তেখেতৰ ওচৰত লিখক চিৰদিন ঋণী থাকিব।

আন এগৰাকী শুভাকাঙ্ক্ষীৰ কথা লিখকে কেতিয়াও পাহৰিব নোৱাৰে তেখেত হৈছে অসমৰ প্ৰধানমন্ত্ৰী মাননীয় ৺গোপীনাথ বৰদলৈ ডাঙৰীয়া শ্ৰীযুত বৰদলৈদেৱৰ ইঙ্গিত উদ্গনিয়ে যে লিখকক সাহিত্যিক জীৱনতে সহায় কৰিছে এনে নহয়—তেখেতৰ শুভাশীষে সকলো সময়তে লিখকক বৰ্ম্মৰ দৰে আৱৰি ৰাখি জীৱনৰ নানা ঘাত-প্ৰতিঘাত হেলাৰঙে সহি যাবলৈ শক্তি-সামৰ্থ্য যোগাইছে। ৺ বৰদলৈ ডাঙৰীয়াই 'লাচিত বৰফুকন' অভিনয় চাই তেখেতৰ অকৃত্ৰিম চেনেহৰ চিনস্বৰূপে লিখকক এটি বহুমূলীয়া 'নিজৰি-কাপ উপহাৰ দিছিল। অসমৰ সুবিখ্যাত চিকিৎসাবিদ, নেতৃস্থানীয় ৺ ডাঃ ভুবনেশ্বৰ বৰুৱা আৰু কামৰূপৰ সেই সময়ৰ ডেপুটী কমিছনাৰ শ্ৰীযুত নগেন্দ্ৰনাথ ফুকন ডাঙৰীয়া সকলেও 'লাচিত বৰফুকন'ৰ অভিনয় চাই সন্তুষ্ট হৈ কামৰূপ নাট্য সমিতিলৈ গাইপতি এশকৈ ৰূপ আগ বঢ়াইছিল।

সমাজতন্ত্ৰী নেতা শ্ৰীযুত জয়প্ৰকাশ নাৰায়ণ আৰু বৃটিছ গুড্-উইল মিছনৰ সভ্যসকলে অসম পৰিভ্ৰমণ কৰিবলৈ আহি, 'লাচিত বৰফুকন'ৰ অভিনয় চাই লিখক আৰু অভিনেতাসকলক উৎসাহিত কৰে। এখেতসকলৰ উপৰিও

আমাৰ সদাশয় নেতৃস্থানীয় অনেক লোকেই পৰোক্ষ আৰু প্ৰত্যক্ষ ভাবে উৎসাহিত কৰিছে। এখেতসকলকো এই ছেগতে আমাৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ।

জনপ্ৰিয় শিল্পী শ্ৰীযুত যুগলকুমাৰ দাসে নাটখনিৰ সূচনাটি ৰচনা কৰাৰ উপৰিও নানাধৰণেৰে লিখকক সহায় কৰিছে। সেইবাবে লিখক তেখেতৰ ওচৰতো ঋণী।

নাটখনি হাতেলিখা অৱস্থাত নকল কৰি দিছিল শ্ৰীমান গণেশচন্দ্ৰ গোস্বামীয়ে। তেওঁ মোৰ ধন্যবাদৰ পাত্ৰ।

সৰ্ব্বশেষত মোৰ যিসকল অকৃত্ৰিম নাট্যামোদী বন্ধুৰ অক্লান্ত পৰিশ্ৰম আৰু অভিনয় নিপুণতাৰ কাৰণেই মঞ্চত নাটখনিয়ে পূৰ্ণ অবয়ব প্ৰাপ্ত হৈ সৰ্ব্বাঙ্গসুন্দৰ হৈ উঠিছিল, তেখেতসকলক মোৰ আন্তৰিক শলাগ জনাই এই দীঘলীয়া পাতনিৰ মোখনি মাৰিলোঁ।

লিখক

দ্বিতীয় সংস্কৰণ

'লাচিত বৰফুকন'ৰ প্ৰথম সংস্কৰণৰ কিতাপ শেষ হোৱাত দ্বিতীয়বাৰলৈ উলিওৱা হ'ল। দ্বিতীয় সংস্কৰণ প্ৰকাশ কৰি উলিওৱা বাবে লয়াৰ্ছ বুক ষ্টলৰ চিৰ-নবীন প্ৰপ্ৰাইটৰ শ্ৰীযুত বিচিত্ৰনাৰায়ণ দত্ত বৰুৱা দেৱলৈ আমাৰ আন্তৰিক শলাগ জনাই থলোঁ।

লিখক

—উচৰ্গা—

মোৰ অতি চেনেহৰ বাবলু দেউতালৈ—

ৰবদেউতা

PLEASE HANDLE THE BOOK CAREFULLY

লাচিত বৰফুকন

হাতেলিখা অৱস্থাতে গুৱাহাটীৰ **কুমাৰ ভাস্কৰ ৰঙ্গমঞ্চত**
'লাচিত বৰফুকন' তিনিবাৰ অভিনীত হয়।

প্ৰযোজনা

তিলক দাস।

পৰিচালনা

যুগলকুমাৰ দাস।

সঙ্গীত

ব্ৰজেন বৰুৱা।

মঞ্চ-সজ্জা

বিনয় তালুকদাৰ, দুলাল বৰুৱা, গৰ্গ কলিতা, যুগলকুমাৰ
দাস আৰু সত্য মজুমদাৰ।

সাজ-সজ্জা

সুৰেন দাস।

ৰূপ-সজ্জা

অমূল্য বৰদলৈ, ধৰণী বৰদলৈ, যুগলকুমাৰ দাস
আৰু বিনয় তালুকদাৰ।

পোহৰ সংযোজনা

কৃষ্ণ দাস।

—শিল্পীসকল—

চক্ৰধ্বজ সিংহ—	সত্যপ্ৰসাদ বৰুৱা।
আতন বুঢ়াগোহাঁই—	ৰবীন্দ্ৰলাল বৰুৱা।
বৰগোহাঁই—	ডাঃ পোৱাল ডুৱৰা, লক্ষ্যধৰ চৌধুৰী আৰু মাণিকচন্দ্ৰ দাস।
বৰপাত্ৰ গোহাঁই—	ডাঃ ধৰণীকান্ত বৰুৱা।
লাচিত—	সৰ্ব্বেশ্বৰ চক্ৰবৰ্ত্তী।
দিহিঙীয়া ফুকন—	ধীৰেন শৰ্ম্মা, ললিত বৰা।
মিৰি সন্দিকৈ ফুকন—	গণেশ গোস্বামী।
জয়ানন্দ—	নীৰদাকান্ত ভূঞা।
কাকতি—	নিত্য বৰদলৈ।
চুৰামণি—	মাধৱচন্দ্ৰ কাকতি।
মাধৱ চৰণ—	নবীনচন্দ্ৰ শৰ্ম্মা।
নিতাই—	ভুবনেশ্বৰ বুজৰবৰুৱা।
ৰামসিংহ—	বলেন ফুকন।
ৰচিদ খাঁ—	গদা বৰকাকতী।
মীৰনবাৰ—	তৰুণ দত্ত।
ফিৰোজ খাঁ—	ডাঃ তাৰিণীমোহন বৰুৱা।
চৈয়দ চানা—	দয়ালচন্দ্ৰ বৰুৱা।
পণ্ডিতৰাও—	প্ৰবোধ দাস।
ওস্তাদ—	প্ৰঃ বলোৰাম দাস।
মুস্তাফা—	মফিজুদ্দিন আহমদ।

ৰাজমাও—	ৰবীন চক্ৰবৰ্ত্তী ।
সোণপাহী—	কীৰ্ত্তি হাজৰিকা ।
মদনাৰতী—	সুৰেন দাস ।
মোগল সেনা আৰু অসমীয়া ৰণুৱা আদি-	কুমুদেশ্বৰ ৰাজকুমাৰ, মহেশচন্দ্ৰ শৰ্ম্মা, অনিল চৌধুৰী, ডাঃ কীৰ্ত্তি বৰুৱা, জ্যোতিপ্ৰসাদ বৰুৱা, সত্য মজুমদাৰ, খুহু, কল্যাণ, সৰু বৰুৱা, বাদল, প্ৰফুল্ল, মনোলা, পবিত্ৰ, পুতুল আদি ।

—চৰিত্ৰ—

—মুনিহ—

চক্ৰধ্বজ সিংহ, আতন বুঢ়াগোহাঁই, বৰগোহাঁই, বৰ পাত্ৰগোহাঁই,
লাচিত, দিহিঙীয়া ফুকন, মিৰিসন্দিকৈ ফুকন, জয়ানন্দ,
কাকতি, চূৰামণি, মাধৱচৰণ, নিতাই, ৰামসিংহ,
ৰচিদ খাঁ, মীৰ নবাব, ফিৰোজ খাঁ, চৈয়দ
চানা, পণ্ডিত ৰাও, ওস্তাদ, মুস্তাফা
মোগল সেনা, অসমীয়া
বণুৱা আদি।

—তিৰোতা—

ৰাজমাও, সোণপাহী,
মদনাৱতী।

—সূচনা—

"জয় অসম"

বহু শতাব্দীৰ পৰাধীনতাৰ শিকলি ভাৰতে আজি ছিঙি পেলালে। ভাৰত আজি স্বাধীন হ'ল। অসম আজি স্বাধীন হ'ল। কিন্তু অসমৰ স্বকীয়া অস্তিত্ব কোনে জীয়াই ৰাখিলে ?

—লাচিত বৰফুকনে—

সেই লাচিতৰ বিজয়-স্তম্ভ ক'ত ?

শৰাইঘাটৰ দুয়ো কাষে থিয় হৈ থকা অগণন পৰ্ব্বতমালাই বীৰ লাচিতৰ বিজয়-স্তম্ভ। শৰাই-ঘাট অসমীয়াৰ মহাতীৰ্থ।

সোণৰ সফুৰা
অসম ভূমিৰ
তীৰ্থ-স্থল শৰাইঘাট
লুইত পৰীয়া
বীৰ লাচিতৰ
পুণ্য প্ৰতিভা বিৰাজে তাত।

—শৰাইঘাট

অসমীয়া জাতি আজি স্বাধীন ; কিন্তু অসমীয়া জাতিৰ অস্তিত্ব আজি বিপদ-সঙ্কুল। অসমীয়াক অসমীয়া স্বৰূপে জগতৰ আগত যিজনা বীৰে প্ৰতিষ্ঠা কৰি থৈ গ'ল, অসমীয়া জাতি আজি সেই বীৰ লাচিতৰ ওচৰত চিৰ-কৃতজ্ঞ।

—লাচিত ফুকন

দেশে নেপাহৰে তোক
হেংদান হাতত লৈ
দেশৰে শতুৰু
কৰিলি আঁতৰ
যাউতি-যুগীয়া
থাপিলি খিয়াতি
অসম অসমীয়াৰ বুলি
—লাচিত বাহুবলী।

লাচিতৰ বীৰত্বৰ বাবেই, লাচিতৰ ঐকান্তিক কৰ্ত্তব্য নিষ্ঠাৰ বাবেই, লাচিতৰ দেশৰ প্ৰতি ভালপোৱাৰ বাবেই অসমে আজি জগতত এটি স্বকীয়া জাতি হিচাপে নিজক প্ৰতিপন্ন কৰিবলৈ মূৰ দাঙি উঠিছে। বিদেশী শতুৰুক লাচিতে হেংদানেৰে অসমৰ চৌ-সীমাৰ পৰা বাজকৈ দিলে। দেশৰ গোসানী সন্তুষ্ট হ'ল।

গোসানীৰ কলচী
আছে চকেমকায়
লুইতৰ পানীয়ে
আছে থকেবকায়
তোৰে গুণকে গায়;
তোৰে বিজয় বতৰা
আকাশে পবনে গায়
যদিও লাচিত নাই।

আজি লাচিত নাই। কিন্তু আমাৰ আগত আছে লাচিতৰ চানেকী। অসমে মাথো স্বাধীনতা লাভ কৰিলেই নহব। জগতৰ অইন অইন প্ৰগতিশীল জাতিৰ সতে একে শাৰীতে আসন লাভ কৰিব লাগিব। সেয়ে লাচিতৰ সংকল্পই আজি আমাৰো সংকল্প হওক।

—আজি স্বাধীন অসম
অ' মোৰ অসম
আগবাঢ়ি যোৱা আগবাঢ়ি
বীৰ লাচিতৰ দল
ডেকা-গাভৰুৰ দল
শৰাই ঘাটৰ
বীৰ লাচিতৰ
পুণ্য স্মৃতিকে সুঁৱৰি
—আগবাঢ়ি যোৱা আগবাঢ়ি।

প্ৰথম অঙ্ক

প্ৰথম দৃশ্য

—স্বৰ্গদেউ চক্ৰধ্বজ সিংহৰ কাৰেঙ—

চক্ৰধ্বজ—ওঁ বাৰু কাকতি, মোগলৰ পত্ৰখন পাঠ কৰাচোন ?

কাকতি– হুইছে স্বৰ্গদেউ ঈশ্বৰ।

(আধা পঢ়ি ৰৈ যায়)

চক্ৰ—নিতাই বৰা !

নিতাই—সৰ্গদেউ ঈশ্বৰ !

চক্ৰ—মোগলৰ কটকী ক'ত আছে ?

নিতাই—সৰ্গদেউ ঈশ্বৰ, সিংহ দুৱাৰত।

চক্ৰ—বাৰু, কাকতি মনে মনে ৰ'লা কেলেই ? পঢ়া।

কাকতি—সৰ্গদেউ ঈশ্বৰ……

চক্ৰ—বুজিছোঁ, তুমি পত্ৰখন পাঠ কৰিবলৈ টান পাইছা। পত্ৰত মোগলে হবলা মোলৈ কিবা আখোজা কথা লিখিছে। হয়নে কাকতি ?

কাকতি—সৰ্গদেউ ঈশ্বৰ……

চক্ৰ—কিন্তু মোৰ আদেশ, তুমি পত্ৰ পাঠ কৰা। মোগলে টান কথা লিখি আহোম ৰজাৰ মৰ্য্যাদা লাঘৱ কৰিব নোৱাৰিব। মোক মোৰ কৰ্ত্তব্যৰ পৰাও বিৰত কৰিব নোৱাৰিব। পাঠ কৰা।

কাকতি—(পত্ৰ পাঠ কৰে)

শ্ৰীশ্ৰীযুক্ত আসাম মুলুকৰ স্বৰ্গৰাজাৰ বৰাবৰেষু।

ৰাজা বাহাদুৰ!

আমাৰ কটকী পত্ৰ সমন্বিতে ভেজা হৈছে। পত্ৰপাঠে সকলো সমাচাৰ জ্ঞাত হইবেক। আমি আহোম ৰাজাৰ মঙ্গল কামনা কৰিছোঁ এবং বন্ধুত্ব আৰু সহৃদয়তা বিচাৰিছোঁ। সঙ্গে আমাৰ স্নেহৰ চিহ্ন স্বৰূপ মোগলৰ জৰীদাৰ খেলাত একগোট বৰ্কাচিচ স্বৰূপ দিয়া হৈছে। তাহাক দূত সম্মুখে পৰিধাৰণ কৰিবেক। আমাৰ চিহ্ন সম্বলিত পাগীয়া এক-গোটো পঠোৱা হইল। গ্ৰহণে কৃতাৰ্থ কৰিবেক। ইতি—

—মহম্মদ আলমগীৰ বাদচা গাজী

চক্ৰ—কাকতি!

কাকতি—সৰ্গদেউ ঈশ্বৰ!

চক্ৰ—পত্ৰৰ শেহৰ চোৱাত কি লিখিছে?

(কাকতিয়ে আকৌ এবাৰ পঢ়ি শুনায়)

বাৰু, তুমি এতিয়া যোৱা।

(কাকতিয়ে আঠু লৈ সেৱা জনাই প্ৰস্থান কৰে। ৰজাই খঙত ইফাল সিফাল কৰিবলৈ ধৰে।)

আহোম ৰজাৰ মঙ্গল কামনা কৰিছোঁ। আহোম ৰজাই জানিবা মোগল পাটচাৰ এফেৰি কৃপাৰ কাৰণেহে আকুল হৈ দিল্লীৰ ফালে চাই আছে। নিতাই বৰা!

নিতাই - সৰ্গদেউ ঈশ্বৰ!

চক্ৰ—মোগল কটকীক সিংহ-দুৱাৰৰ পৰাই উলটি যাবলৈ কৈগে।

আৰু এই শিৰপাও বটা মোগল কটকীৰ আগত ফালি-ছিৰি ধুনাধুন কৰি ভৰিৰে মোহাৰি মোৰ আদেশ জনাই কবি যে অসম ৰজাই বিদেশীয়ে দিয়া উপহাৰ গ্ৰহণ নকৰে। আৰু ইয়াকো কবি যে সৰ্গদেউ চক্ৰধ্বজ সিংহই ঘিলাধাৰি ঘাটৰ চুক্তি-পত্ৰ লুইতৰ বুকুত উটুৱাই দিছে। পাটচাৰে পাৰে যদি তেওঁৰ শক্তিশালী নৌ-বাহিনী পঠিয়াই সেই চুক্তি-পত্ৰ লুইতৰ বুকুৰ পৰা উদ্ধাৰ কৰকহি—যা।

নিতাই—সৰ্গদেউ ঈশ্বৰৰ আদেশ শিৰোধাৰ্য্য।

(নিতাইৰ প্ৰস্থান)

(আতন বুঢ়াগোহাঁই আহি ৰজাৰ আগত আঠু লয়)

আতন—সৰ্গদেৱে হেনো মোগল কটকীক অপমান কৰি ওভোতাই পঠিয়াইছে।

চক্ৰ—এৰা পঠিয়াইছোঁ। কাৰণ উদ্ধত আউৰংজীবে মোলৈ বুলি এযোৰ শিৰপাও বটা উপহাৰ পঠিয়াইছিল। অথচ পাগ এটাত পাটচাৰ পাওৰ উপৰে লিখি দিছে যে আমাৰ কৰতলীয়া হ'ল। এই বটা মোগল কটকীৰ সন্মুখে ধাৰণ কৰিব নতুবা যুজকে কৰিম।

আতন—সৰ্গদেৱে তেন্তে যুজকে ধিয়াইছে ?

চক্ৰ—কিয় ? দেশৰ অৱস্থালৈ চাই আৰু পাটচাৰ অন্যায় অপমানৰ কথা সুঁৱৰি আপুনি মোৰ সিদ্ধান্ত যুক্তিযুক্ত হোৱা নাই বুলি ক'বনে ?

আতন—মোৰ বোধেৰে সৰ্গদেউ, আমাৰ বৰ্ত্তমান অৱস্থালৈ চাই মোগলক কোনো প্ৰকাৰে খং তোলাটো উচিত নহব।

তেওঁলোকৰ সতে সম্ভহতে আমি মিত্তিৰালি কৰাহে উচি-
যেন পাওঁ।

চক্ৰ—আপুনি কি কৈছে বুঢ়াগোহাঁই ডাঙৰীয়া? অসম ৰজাই সাতামপুৰুষীয়া ৰাজ সাজ-পাৰ সোলোকাই থৈ দিল্লীৰ পাটচাৰে পঠিওৱা গোলামী খেলাত পিন্ধিব লাগিছিল?

আতন—অভাজনক মিছাকৈয়ে দোষৰ ভাগী কৰিছে সৰ্গদেউ, মই তেনে কথা সপোনতো ভবা নাই। কিন্তু সৰ্গদেউ জয়ধ্বজ-সিংহৰ লগত মিৰজুমলাৰ ঘিলাধাৰি ঘাটত যি চুক্তি হৈছিল, সেই চুক্তি আৰু কিছু দিনলৈ মানি চলাটো আমাৰ পক্ষে মঙ্গলজনক হব বুলি বিবেচনা কৰোঁ।

চক্ৰ—ঘিলাধাৰি ঘাটৰ চুক্তি-পত্ৰৰ কথা মোক নকব বুঢ়াগোহাঁই ডাঙৰীয়া। কেনে অৱস্থাৰ বিপাকত পৰি আমাৰ চলা জনা সৰ্গদেৱে মোগলৰ সতে সেই চুক্তি কৰিবলগীয়া হৈছিল, সেই কথা সুঁৱৰিলে আজিও মোৰ গাৰ নোম শিয়ঁৰি উঠে। একেজনী মাথোঁ জীয়াৰী ৰমণী গাভৰু আইদেউক মোগলৰ হাৰেমলৈ পঠিয়াই ককাইদেৱে কিমান যে দুখ পাইছিল তাক আনে নুবুজিলেও মই বুজোঁ।

আতন—সৰ্গদেউৰ কথা অৱশ্যে আখৰে আখৰে সঁচা।

চক্ৰ—বুঢ়াগোহাঁই ডাঙৰীয়া! আজিও মই ককাইদেউৰ অন্তিম আদেশ পাহৰা নাই। ককাইদেউৰ ভৰি ছুই মই শপত খাইছিলোঁ—অসমৰ বুকুত বঙালে ঘিলাধাৰি ঘাটতে যিপাট শেল বহুৱাইছিল- তাক মই নিজ হাতে উঘালিম। মোৰ

শৰীৰত খুনলাই খুনলুঙৰ এটোপাল তেজ থাকে মানে মই কেতিয়াও বিদেশী বঙালক অসমত প্ৰভুত্ব কৰিবলৈ নিদিম।

আতন—শত্ৰুক বিনাশ কৰি হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰ কৰাই ৰজাৰ প্ৰধান কৰ্ত্তব্য। যুদ্ধৰ জয় পৰাজয়ৰ ওপৰতেই ৰজাৰ আৰু তেওঁৰ ৰাজ্যৰ সন্মান, গৌৰৱ নিৰ্ভৰ কৰে। অসমে আজিকোপতি বিদেশীৰ ওচৰত মূৰ দোৱাবলগীয়া নাই হোৱা এতিয়ালৈ।

চক্ৰ—দাক্ষিণাত্যত মাৰাঠা কেশৰী শিবাজীৰ যুদ্ধাৰুবোৰৰ হাতত মোগল সেনা ভীষণভাৱে পৰাজিত হৈছে। দৌদ্‌খা নিহত, দিলীৰ খাঁ আহত আৰু স্বয়ং পাটচাৰ ভয়ত দিল্লীৰ পৰা আগ্ৰা পাইছেগৈ। ইফালে কোচ, জয়ন্তীয়া আৰু কাছাৰৰ ৰজাই মোগলৰ বিৰুদ্ধে আমাক সহায় কৰিম বুলি কথা দি মোলৈ পত্ৰ দিছে। বিদেশী বঙালক অসমৰ পৰা বাজ কৰি দিবলৈ এয়ে সোণালী সুযোগ বুলি মই বিবেচনা কৰোঁ বুঢ়াগোহাঁই ডাঙৰীয়া।

আতন—পাছে এটা কথা সৰ্গদেউ। আমাৰ পোনতে চাব লাগিব যে আমাৰ বগুৱা বিলাকক আমি যথেষ্ট পৰিমাণে অস্ত্ৰ-শস্ত্ৰ, খাৰ-বাৰুদ আৰু ভাত-কাপোৰৰ যোগান ধৰিব পাৰিম নে নোৱাৰিম। তদুপৰি বাজ-ভৰাল আমি সদায় টনকিয়ালকৈ ৰাখিব লাগিব—যাতে যুদ্ধাৰু বিলাকে আহিলা-পাতি আৰু ৰচদ আদিৰ বাবে কেতিয়াও কোনো অসুবিধাত পৰিব-লগীয়া নহয়।

চক্ৰ—এই বিষয়ে চোকা তত্ত্বাৱধানৰ যে আৱশ্যক তাত অকণিকে সন্দেহ নাই।

আতন—মিৰজুমলাৰ আক্ৰমণত বহুতো প্ৰজাই নিজৰ ঘৰ-বাৰী এৰি দিহিঙে-দিপাঙে পলাই গ'ল। সেই সিদিনাখন মাথো সৰ্গদেৱে সেই ভগনীয়া প্ৰজাবোৰক পুনৰ বসবাস কৰিবলৈ সুবিধা কৰি দিছে। এই ভগনীয়া বিলাকৰ চাউল মুঠিৰ যোগাৰ হৈছেনে নাই তাৰ অনুসন্ধানো কৰিব লাগিব। চাউল কঠাই হৈছে অসমীয়াৰ জীৱন ৰক্ষাৰ প্ৰধান আলম। কেনেবাকৈ যদি দেশত চাউলৰ নাটনি হয়, তেতিয়া হলে আমি কোনো কামতে আগবাঢ়ি যাব নোৱাৰিম। দেশত আকালে দেখা দিব।

চক্ৰ—আপোনাৰ কথা মই সুবুজা নহয়। ৰাইজৰ এনে আলৈ-আগুকাল হৈছে বুলিয়েই মোগলৰ সতে মিতিৰালি ৰখাটো আৰু সম্ভৱ নহয়। এনে অৱস্থাত মোগলক চেচনি বুজনি দিয়াৰ কি আৱশ্যক ?

আতন—হয়তে স্বৰ্গদেৱে সজ কথাকে কৈছে। মোগলৰ সতে আমি যুজিবই লাগিব। সিহঁতে অসমীয়াৰ দৰে স্বাধীন-চিতীয়া জাতি এটাক চিৰদিন তলতীয়াকৈ ৰাখিব কেতিয়াও নোৱাৰে। কিন্তু তাৰ আগতে যুজৰ আহিলাপাতি আৰু সলপ বঢ়োৱা যুগুত হব।

চক্ৰ—সেই বিষয়ে আপুনি অকণো চিন্তা নকৰিব বুঢ়াগোঁহাই ডাঙৰীয়া। ৰাজ-ভঁৰালত সকলো সঞ্চিত আছে।

আতন—সৰ্গদেউ···· ···· ।

চক্ৰ—আপুনি আচৰিত হৈ ৰ'ল কিয় ?– কোন আছ ?

(নিতাই লৰি আহি আঠু লৈ)

নিতাই—সৰ্গদেউ ঈশ্বৰ !

চক্ৰ—জয়ানন্দ তামদলৈ মোৰ আগলৈ আহিব লাগে।

(নিতাইৰ প্ৰস্থান)

বুঢ়াগোঁহাই ডাঙৰীয়া ! দিল্লীৰ পাটচাৰে অসম বিজয়ৰ যি সোণালী সপোন দেখিছে মই তাক দিঠকত পৰিণত হবলৈ নিদিম। (জয়ানন্দ আহি আঠু লয়)

জয়ানন্দ !

জয়ানন্দ—সৰ্গদেউ ঈশ্বৰ !

চক্ৰ—ৰাজ-ভৰালত যুজৰ সকলো আহিলা-পাতি সঞ্চিত আছে বুলি কৈছিলা নহয় ?

(জয়ানন্দ নিমাত—ৰজাই খঙেৰে)

জয়ানন্দ তামদলৈ !

জয়ানন্দ—সৰ্গদেউ ঈশ্বৰ !

(জয়ানন্দ ভয়ত কঁপিবলৈ ধৰে)

আতন—সেইবাবেই সৰ্গদেউক মই এই সকলোবোৰ কথা গমি-পিতি চাবলৈ বাৰে বাৰে গোহাৰি জনাই আছোঁ।

চক্ৰ—জয়ানন্দ তামদলৈ, তুমি ইমানেই আসৈ পাই গৈছা যে মোৰ আগতো মিছা মাতিবলৈ পাচ নোহোহকা ?

জয়ানন্দ—সৰ্গদেউ ঈশ্বৰ······

চক্ৰ—যিখন জিভাৰে মোৰ আগত আসৈ মাতিছিলা মই তাক টুকুৰা টুকুৰি কৰি কুকুৰক খুৱাম।

আতন—তামদলৈ, সৰ্গদেউৰ আগত আসৈ মাতিছিলা কেলেই ?

জয়ানন্দ—ৰাজমন্ত্ৰী ডাঙৰীয়া, সৰ্গদেৱে মোক সিদিনাখন মুকলি ৰাজ-চৰাত গিলৈ-বাৰুদ আৰু বচদ-পাতিৰ বতৰা সোধাত মই মিছা বাতৰি যোগোৱা সঁচা। কাৰণ মই ভাবিলোঁ যে ৰাজ-ভঁৰালৰ সঠিক বতৰা যদি সভাসদ সকলোৱে জানিব পাৰে, তেন্তে অসমীয়া প্ৰজা তেনেই হতাশ হৈ পৰিব আৰু শত্ৰুৱে আমাৰ তলি পাব।

(ৰজাই জয়ানন্দৰ মুখৰ পিনে ব'লাগি চাই থাকে)

চক্ৰ—জয়ানন্দ, তোমাৰ উপস্থিত বুদ্ধিৰ মই শলাগ লৈছোঁ। তুমি মুকলি চৰাত বিতং বাতৰি নিদি ভালেই কৰিলা। কিন্তু বুঢ়াগোঁহাই ডাঙৰীয়া, ভৰাল যদি সঁচাকৈয়ে উদংপ্ৰায়, তেন্তে আমাৰ উপায় ?

আতন—অসমত একোৰে অভাৱ নাই সৰ্গদেউ। আমাক মাথোঁ লাগে সময়। সময় পালেই আমি সকলো পিনেদি সাজু হব পাৰিম। সৰ্গদেউ, মোগলে অসম এৰিবই লাগিব, মাথোঁ দুদিন আগ-পিছ হব পাৰে।

চক্ৰ—মই আপোনাৰ কথাত ভৰসা পাইছোঁ ৰাজমন্ত্ৰী ডাঙৰীয়া। এটা মুহূৰ্ত্তও আৰু অবাৰত ক্ষয় কৰিব নোৱাৰি। আজিৰ পৰা পূৰ্ণ পয়োভৰেৰে যুজৰ আয়োজন কৰক। চকু ৰাখিব, যাৰ যি বাব ঠিক সেই মতেই যেন সকলো কাম কৰা হয়। নিজৰ কৰ্ত্তব্য অৱহেলা কৰিলে, তেহেলে যিমান ডাঙৰ বিষয়াই নহওক তেৱোঁ কঠোৰ শাস্তিৰ পৰা ৰেহাই নেপাব। বিদেশী মোগলক খেদিবৰ বাবে প্ৰতিজন সুস্থ

সবল অসমীয়াই ৰণুৱাৰ লেখত নাম দিব লাগিব। এটা ডাঙৰ ফৌজ গঠন কৰক, সেই ফৌজৰ আখৰা মই নিজে পৰিচালনা কৰিম।

আতন—আপোনাৰ আদেশ মতেই সকলো কাম কৰা হব সৰ্গদেউ।

চক্ৰ—অকল থল-বাহিনী লৈ থাকিলেই আমাৰ নচলিব, লুইতৰ বুকুৰেদিয়েই মোগল অহাৰ পোন বাট। সেই পিনেদি সিহঁতক ভেটা দিবলৈ আমাৰ শক্তি-শালী নৌ-বাহিনীৰো আৱশ্যক হব। সকলোকে জনাই দিয়ক যে যিবোৰ ৰণুৱাই আখৰাত নিপুণতা দেখুৱাব পাৰিব সিহঁতক নিজ হাতেৰে মই চাউল আদি আৰু ৰূপ উপহাৰ দিম।

আতন—হুইছে সৰ্গদেউ!

চক্ৰ—বাৰু, সম্পূৰ্ণ ভাবে সাজু হবলৈ আমাৰ কিমান দিন লাগিব বুলি ভাবে?

আতন—মোৰ বোধেৰে দুবছৰ মান লাগিব সৰ্গদেউ।

চক্ৰ—দুবছৰ? মোৰ যে এপলকেই এযুগ যেন লাগিছে বুঢ়াগোঁহাই ডাঙৰীয়া। চমু চপাব নোৱাৰিনে?

আতন—পাৰ্য্যমানে চেষ্টা কৰা হব সৰ্গদেউ!

চক্ৰ—এধানিমান সময়ো আৰু অবাৰতে ব্যয় নকৰিব। শিৰপাও বঁটা মোলৈ উপহাৰ পঠিয়াই আক্ৰোহী আউৰংজীবে অকল মোৰ ক্ষমতাকে হেয় জ্ঞান কৰা নাই। পাটচাৰে সদৌ অসমীয়া জাতিকে অপমান কৰিছে আৰু সেই অপমান মই অসমৰ ৰাজপাটত বহি সাদৰেৰে গ্ৰহণ কৰি মোৰ পূৰ্ব্বপুৰুষ সকলৰ পবিত্ৰ নামত কোনোপধ্যে চেকা লগাব নোৱাৰিম।

বিদেশীৰ কৰতলীয়া হৈ থকাতকৈ মই মৰণকে বৰিম। বঙালৰ সতে মিতিৰালি অসম্ভৱ। যুজ কৰিবই লাগিব। বুঢ়াগোঁহাই ডাঙৰীয়া, আপুনি ততালিকে বৰ মেলৰ জান দিয়ক।

(ৰজা বেগেৰে কাৰেঙৰ ভিতৰ সোমাল)

আতন—জয়ানন্দ, তুমি গৈ মোগল কটকীক ততালিকে বন্দী কৰি থোৱাগৈ।

(জয়ানন্দৰ বেগেৰে প্ৰস্থান)

সকলো আয়োজন সম্পূৰ্ণ নোহোৱালৈকে মোগলৰ সতে মুখত মিতিৰালি ৰখাই ভাল হব।

(বুঢ়াগোঁহাই যাব খোজে। পাছফালৰ পৰা ৰাজমাও আৰু চুৰামণিৰ প্ৰৱেশ)

ৰাজমাও—বুঢ়াগোঁহাই ডাঙৰীয়া!

(বুঢ়াগোঁহাইয়ে ৰাজমাওৰ আগত আঠু লয়)

চুৰামণিৰ গণনা মতে আমাৰ হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰ হব লাগে।

আতন—স্বাধীনতা আমাৰ সকলোৰে ঐকান্তিক বাঞ্ছা ৰাজমাও দেউতা!

চুৰামণি—অসমৰ আকাশ অতি সোনকালে ফৰকাল হৈ পৰিব ৰাজমন্ত্ৰী ডাঙৰীয়া।

ৰাজমাও—আনৰ গণনা ভুল হলেও সমুদ্ৰ চুৰামণিৰ গণনা ভুল নহয়। যেন শিলৰ ৰেখ।

চুৰামণি—জ্যোতিষ শাস্ত্ৰ কেতিয়াও ভুল হব নোৱাৰে। অৱশ্যে জ্যোতিষীৰ কেতিয়াবা ভুল নোহোৱা নহয়।

আতন—অৰ্থাৎ তোমাৰ গণনাৰ কথা নিমিলিবও পাৰে।

ৰাজমাও—নিজৰ ওপৰত বিশ্বাস হেৰুৱাইছা কেলেই চুৰামণি ?

চুৰামণি—জ্যোতিষীও এটা সামান্য নৰ মনিষহে ৰাজমাও দেউতা।

আতন—আমি সকলো নিমিত্ত মাত্ৰ ৰাজমাও দেউতা, তাত অকণিকে সন্দেহ নাই। সকলো নিৰ্ভৰ কৰে গোঁসানীৰ ওপৰত।

ৰাজমাও—এই বুঢ়া বয়সত বঙালৰ হাতত দেহাৰ এলাই এখানি নকৰিবা গোঁসানী।

আতন—আতন বুঢ়াগোহাই জীয়াই থাকোঁতে সকলোৰে পূজনীয় অসমৰ এই পবিত্ৰ সিংহাসন কেঁৱে স্পৰ্শ কৰিব নোৱাৰিব ৰাজমাও দেউতা। আপুনি একো চিন্তা নকৰিব। মিৰ-জুমলাৰ হাতত অসমীয়াৰ পৰাজয়ে মোগলক এফালে যেনেকৈ মতলীয়া কৰি তুলিছে, তেনেকৈ স্বাধীনচিতীয়া অসমীয়াৰ প্ৰাণত লোপ পোৱা স্বাধীনতাৰ সোঁত পুনৰ বৰলৈ আৰম্ভ কৰিছে। অসমীয়াৰ প্ৰাণলৈ পুনৰ চেতনা আহিছে। শুই থকা বনৰজাই যেতিয়া কেশৰ তুলি গৰজি উঠিব, গাঁতৰ নিগনি পলাই আকৌ গাঁতত সোমাব লাগিব।

ৰাজমাও—কিন্তু মহাপণ্ডিত চুৰামণিৰ দুৰ্ব্বলতাই মোৰ মনত সন্দেহ জগাই তুলিছে বুঢ়াগোহাঁই ডাঙৰীয়া।

চুৰামণি—মোৰ কথাৰ অৰ্থ আপুনি আওপাকে পোনাইছে ৰাজমাও দেউতা।

আতন—গুণীজনে কেতিয়াও বৰ কথা নেমাতে। চুৰামণিয়ে বৰ সজ কথাকে কৈছে। তেওঁৰ গণনা কেতিয়াও ভুল হব নোৱাৰে!

ৰাজমাও—তুমি ভিতৰ চৰালৈ ব'লা চুৰামণি। মই এভাগ গ্ৰহ-পূজা কৰিবলৈ মানস কৰিছোঁ। বুঢ়াগোহাঁই ডাঙৰীয়া···

আতন—ময়ো মেলানিহে মাগিছোঁ ৰাজমাও দেউতা।

(ৰাজমাও আৰু চুৰামণিৰ প্ৰস্থান। জয়ানন্দৰ পুনৰ প্ৰবেশ)

জয়ানন্দ—মোগল কটকীক ধৰি অনা হৈছে ৰাজমন্ত্ৰী ডাঙৰীয়া।

আতন—তুমি আৰু এটা কাম কৰিব লাগিব।

জয়ানন্দ—অধীনক আদেশ কৰক ৰাজমন্ত্ৰী ডাঙৰীয়া।

আতন—অতি কঠিন কাম জয়ানন্দ।

জয়ানন্দ—দেশৰ বাবে কোনো কামেই কঠিন নহয়। ৰাজ আইগা পালন কৰিবই লাগিব।

আতন—তেন্তে শুনা। তুমি গুৱাহাটীলৈ গৈ পাটচাৰ ফৌজদাৰ ফিৰোজ খাঁৰ সতে মিতিৰালি কৰি তাত থকা মোগলৰ বণুৱাবোৰৰ আলেখ লেখ আৰু আন আন সকলো গোপনীয় কথা আমাক জনাই থাকিব লাগিব।

(জয়ানন্দ নিমাত হৈ থাকে)

তুমি ভয় খাইছা জয়ানন্দ।

জয়ানন্দ—ভয় খোৱা নাই ৰাজমন্ত্ৰী ডাঙৰীয়া। ভাবিছোঁ মোৰ বাবৰ গুৰুত্বৰ কথা।

আতন—মোৰ আগতে কোৱা আছে যে বৰ টান বাব। কিন্তু তুমি বুধিয়ক, তোমাৰ উপস্থিত বুধিৰ বলেৰে তুমি বহুখিনি

আগ বাঢ়িব পাৰিবা। তোমাক মই এই গুৰুভাৰ দিবলৈ বাধ্য হৈছোঁ। তুমি পাৰিবা।

জয়ানন্দ—আপোনাৰ লেখীয়া এজন চতুৰ মন্ত্ৰীৰ মন্ত্ৰণা পালে নিশ্চয় পাৰিম।

আতন—মোগল কটকীৰ ওচৰৰ পৰা আহোঁ ব'লা।

(আতন আৰু জয়ানন্দৰ প্ৰস্থান। নিতাই বৰাই এটা নিশ্বাপৰ-এঙা চোলা চাই চাই পৰীক্ষা কৰি প্ৰবেশ)

নিতাই—কটা মেলেচৰ জাত। হেৰৌ এনেহেন সাজ-পাৰতকৈ **অ**ইতৰ সাজপাৰ ভাল হবলৈ আহিছে হোঁ? 'ফটা হক চিটা হক পাটৰ টঙালি, কণা হক কুজা হক ভূঞাৰ পোৱালী।"

(পাছফালৰ পৰা ভাৰিও দোপ দি সোণপাহীৰ প্ৰবেশ)

সোণপাহী—বগা চোলাই মুগুনাই তোকে হেৰ মইনা
ক'লা চোলাই মুগুনাই তোক,
ৰংপুৰ নগৰত ৰঙা চোলা দেখিছোঁ
তাকে কিনি আনি দিম তোক।

(নাম গাই চেওটো নিতাইৰ মুখৰ ওচৰতে থয়)

নিতাই—এই বেটি, তই সকলো সময়তে পেংলাই থন নকৰিবি-দেই। লাহে লাহে দেহালৈ টান পৰি আহিছে একা। য'তে ত'তে বিহুতলী খন নেপাতিবিচোন।

সোণপাহী—আমাৰ কেৰলীয়া ভকত ফেৰালৈ চোৱাঁ! বোলো তেৰাৰ ৰং-ৰহইছলৈ ইমান বিৰাগ হ'ল কাহানিৰ পৰা?

ম'ৰাব পাখী পিন্ধি ধোৰা কাউৰীটোৱেনো বাৰু কিয় পেখম ধৰিব খুজিছা ?

নিতাই—তই মুখ চম্ভালি কথা কবিদেই! তাইৰ সাহটো দেখিছানে ? মই হবলা সৰ্গদেউ ঈশ্বৰৰ এই চোলাটো পিন্ধিবলৈ আনিছোঁ হোঁ। ছাগলীৰ দৰে লপ-লপাই যি পাই তাকে সময়ে অসময়ে নকবিচোন। এই বেটি নাতেশৰীয়ে এতিয়া মোৰ ডিঙিটো কটাব যেনহে পাইছোঁ। বোলো সোণপাহী, সইতে সইতে মই চোলাটো ৰিজাই চাবলৈহে আনিছোঁ।

সোণপাহী—সইতে সইতে আনি দিবো
সত্যভমাৰ জীয়ে কি ৰাম ৰাম
সত্যভমাৰ জী।

নিতাই—বোলো বুইছ সোণপাহী, একেপাত চৰতে খৰা নাকটো একেবাৰে চেপেতা লগাই পেলাম একা।

সোণপাহী—অসমীয়া পুৰুষ কেইডালে তিৰোতাৰ ওপৰতহে বৰ মতাটো চেলাব পাৰে। তোমাৰ ৰঙা চকু বঙালক দেখুওৱাঁ গৈ।

নিতাই—বঙালক ৰঙাচকু দেখুওৱাৰ কথাহে কৈছনে ? এইবাৰ বঙালক তেনেই কচু কটা দিম। কিবা বোলেনে সেই পাটচাৰনে কি সি হেনো সৰ্গদেউ ঈশ্বৰলৈ চোলা এটা দি পঠিয়াইছে। হেৰ অসমীয়াক কাপোৰৰ বেহাতুৰি দেখুৱাবলৈ আহিছ হোঁ। আমাৰ কপাহী কাপোৰেই নাই নে এৰীয়েই নাই, নে মুগা নাই, নে পাট নাই—হেৰ সিংখাপ মেজাঙ্কৰীত

সপোন পুৰীৰ সাধুকথা বাচিব তইঁতৰ কুন্ধচ তিৰোতা কোন জনীয়ে পাৰে অ'? আলৌ কটা! সৰ্গদেউ ঈশ্বৰে তইঁত মহা মেলেচৰ সাজ গাত নিদিহে পৰিছে।

সোণপাহী—হয় পাই। ইহুঁতৰ লেখীয়া এনে নিলাজ কটা ক'তো দেখা নাই। অতবাৰ ঠেতেলা খায়ো নিধকইঁতৰ চেতন নাহিল। থুই কটা মেলেচৰ জাত।

নিতাই—এইবাৰ জনমলৈ সেকাটো পাব বাপেকে। সৰ্গদেউ ঈশ্বৰৰ ভাবগতি যিখন হে দেখিছোঁ—ইহঁতৰ লগত আমাৰ এখন তয়াময়া ৰণ লাগিবই লাগিব। নিস্তাৰ নাই বুইছ সোণপাহী। পিচে এইবাৰ তইঁতে মোক লৈ কন্দা-কটাখন নকৰিবি দেই। বেছিকৈ নোৱাৰিলেও এটা বঙালৰ মূৰ ছিঙিহে এৰিম। ৰণলৈ যাম বুলিছোঁ যেতিয়া যামেই।

সোণপাহী—তোমাকনো নেযাবলৈ কোনে বধ-শপত খন দিছে!

নিতাই—এ—যাবৰ সময়ত আকৌ তয়ে হুৰাও-ৰাওকৈ কান্দিবলৈ নধৰিবিনে?

সোণপাহী—কিহৰ জগৰত বা কান্দিম?

নিতাই—নেকান্দো বুলি মোৰ গা ছুই শপত খাচোন!

সোণপাহী—আমাৰ শপত খাবলৈ নেপাই ভাৰস্তখন তললৈ গ'ল!

নিতাই—হেঃ হেঃ হেঃ। মই আৰু তোক নিচিনোনে সোণপাহী! তোক এৰিনো মই ৰণলৈ যাওঁ কোনটো সতেৰে?

সোণপাহী—বৰ বীৰডাল চেলাইছে। এটা হিলৈৰ শব্দ হলেই চালপীৰাৰ তলত সোমাবাগৈ হবলা?

নিতাই—কি কলি, তই মোক ইমান ধিচকাৰ দিলি!

সোণপাহী—হুইছে হুইছে, আমুকীৰ জনা আছে ফোপোলা গোম।

নিতাই—বাৰু তেনেহলে। পেটুৱা বঙালে যদি মই নথকাত তোৰ গাত কেনেবাকৈ হাত দিয়ে, মোক কিন্তু পিছত মুহুৰ্ষিবি একা।

সোণপাহী—সৰ্গদেউ ঈশ্বৰ জীয়াই থাকোঁতে আমাৰ গাত হাত দিয়ক চাৰি বঙালে গড়্গাৱঁৰ চাৰি চাপৰ ওচৰতো ভৰি দিব নোৱাৰিব। অসমীয়া তিৰোতাই পুৰুষৰ মুখল'কে চাই হাত সাৱটি বহি নেথাকে। মূলা গাভৰুৱে তুৰবকক পচতি পালি দিয়া পাহৰিলা হবলা।

(সোণপাহী গুচি যায)

নিতাই—ৰণলৈ গৈ বঙালৰ মূৰ এটা আনি দিব পাৰিলেহে এই বেটী কেচাই খাইতীক পাম যেন পাইছোঁ। এৰা— কথাওতো মিছা নহয়! অসমীয়া তিৰোতাই ৰণলৈ ভয় কৰিব কিয়? কাহানি বাৰু ভয় কৰিছে? পাছে এতিয়া ৰণলৈ যোৱা হয় কি কাৰণত তাকেহে ঠাৱৰাব পৰা নাই এথোন। বোলো সোণপাহী! ৰণলৈ গলেও অকলে নগৈছোঁ। তোকো লগতে সাঙুৰি লৈহে যাম।

(নিতাইৰ প্ৰস্থান। কথা পাতি পাতি বুঢ়াগোহাঁই, বৰগোহাঁই, আৰু বৰপাত্ৰ গোহাঁইৰ প্ৰবেশ)

আতন—এয়ে হ'ল ৰাজ্যৰ পৰিস্থিতি। আজি আমি এটা সিদ্ধান্ত কৰিবই লাগিব। স্বৰ্গীয় জয়ধ্বজসিংহই কৰা ঘিলাধাৰি ঘাটৰ চুক্তি অসম ৰজাৰ কাৰণে বৰ অপমানজনক হৈছে। এই চুক্তিয়ে অসমীয়া জাতিক তেনেই ভিকহু কৰিছে এৰিব।

ৰাজ্যৰ সমানে আধা কাঢ়ি নিছে, তাৰোপৰি ইমানবোৰ হাতীয়ে-ঘোঁৰাই ধনে-সোণে বছৰি যদি পেচকচ্ শোধাব লগীয়া হয়, তেন্তে অসমৰ ৰাজ-ভৰালব তলি উদং হব। অসমীয়াই আৰু কেতিয়াও গা কৰিব নোৱাৰিব।

বৰগোহাঁই—কিন্তু এনে অৱস্থাত যুজ এখন লগোৱাটো জানো আমাৰ সমীচীন হব ?

বৰপাত্ৰ—মোৰ বোধেৰে যুজ কৰাৰ আগতে এবাৰ পাটচাৰলৈ আবেদন নিবেদন কৰি চোৱা যাওক। জানোচা সদয় হৈ তেওঁ আমাক বাকী থকা ঋণৰ পৰা ৰেহাই দিয়েই।

আতন—মই এনে হীন যুক্তিৰ পোষকতা কৰিব নোৱাৰোঁ বৰপাত্ৰ গোহাঁই ডাঙৰীয়া। মোগল পাটচাৰ কটকীয়ে সৰ্গদেউক আজিকোপতি অপমান কৰিবলৈ এৰা নাই।

বৰগোহাঁই—তেনেহলে মোগলক আক্ৰমণ কৰাটোকে সিদ্ধান্ত কৰিছে নেকি বুঢ়াগোহাঁই ডাঙৰীয়া ?

আতন—এৰা, সেয়ে মোৰ মত। সৰ্গদেৱে এদিন যুজৰ প্ৰস্তাৱ কৰাত ময়েই আপত্তি জনাইছিলোঁ। কিন্তু আজি সকলো কথা দকৈ ভাবি-চিন্তি চাই যুজ কৰাটোকে যুগুত হব বুলি মই মোৰ মত প্ৰকাশ কৰিছোঁ। এইবাৰৰ যুজ বৰ দীঘলীয়া হব বুলি মোৰ বিশ্বাস হয়।

বৰগোহাঁই—বঙালৰ তলতীয়া হৈ থাকিবলৈ আমিও ইচ্ছা নকৰো। যদি আপুনি ভাবে যে ৰণ দিবলৈ সময় উপযুক্ত হৈছে, তেন্তে ৰণ দিয়াই আমাৰো মত।

বৰপাত্ৰ—সঁচা কথা। মিৰজুমলাৰ আক্ৰমণে আমাৰ ককাল ভাঙি থৈছে। অসমীয়াৰ ৰাজহাড় ভাঙো ভাঙো।

আতন—ৰাজহাড় থাকিও যি জাতিয়ে পোন হৈ থিয় দিব নোৱাৰে তাৰ ৰাজহাড় আছে বুলিয়েই বা কয় কেনেকৈ ?

বৰগোহাঁই—এইবাৰ পাছে সেনাপতিৰ বাব বা কাক দিবলৈ মনস্থ কৰা হৈছে ?

আতন—এই বিষয়ে আলোচনা চলাবলৈকে আপোনাসবক এনেকৈ তুৰন্তে মতোৱা হৈছে। আজিৰ এই বৰ মেলতে আমি সেনাপতি বাছিবই লাগিব।

বৰপাত্ৰ—সৰ্গদেৱৰ পৰা এই বিষয়ে কিবা ভু পোৱা হৈছেনে ?

আতন—ঠিৰাং কৈ সৰ্গদেৱে কাৰো কথা কোৱা নাই। কিন্তু এজনৰ বিষয়ে কিঞ্চিৎ আভাস দিছিল।

বৰগোহাঁই—সেইজনা বা কোন ?

আতন—আমাৰ আগৰ জনা ৰাজমন্ত্ৰী মোমাই তামুলী বৰবৰুৱা দেৱৰ মুমলীয়া পো লাচিত দোলাকাষৰীয়া বৰুৱা।

বৰপাত্ৰ—সেয়ে হলে সৰ্গদেউৰ বাছনি বৰ বেয়া পাত্ৰত পৰা নাই। লাচিত এজন লায়েক ডেকা।

বৰগোহাঁই—হুইছে। লাচিত দোলাকাষৰীয়া বৰুৱা যোগ্য জনৰ যোগ্য পো।

আতন—সৰ্গদেৱে সিদিনাখন দোলাভাৰীহঁতৰ কাম চাই বৰ সন্তোষ পাইছে। সেইবাবে সিহঁতৰ নায়ক দোলাকাষৰীয়া বৰুৱাৰ শলাগ লৈছে। সৰ্গদেৱে যদি আজিৰ মেলত তেওঁৰ নাম প্ৰস্তাৱ কৰে, তেন্তে আমি তিনিওজনে সৰ্গদেউৰ

কথাতে হয়ভৰ দিম, কি বোলে? সৌৱা সৰ্গদেউ আহি পালেহিয়েই।

(সৰ্গদেউ অহাৰ লগে লগে তিনিও জনা ডাঙৰীয়াই আঠু লয়)

চক্ৰ—বুঢ়াগোহাঁই ডাঙৰীয়া, 'আজিৰ এই বিশেষ মেলৰ উদ্দেশ্য বাকী দুগৰাকী ডাঙৰীয়াক জনোৱা হৈছেনে?

বুঢ়া—জনোৱা হৈছে সৰ্গদেউ।

চক্ৰ—আপোনাসৱে কি সিদ্ধান্ত কৰিলে।

বৰপাত্ৰ—সৰ্গদেউৰ লগত আমি একমত। বৰ ভাল বাছনি হৈছে।

চক্ৰ—আপোনাসবে কাৰ কথা কৈছে?

আতন—লাচিত দোলাকাষৰীয়া বৰুৱাকে আমি তিনিওজন মন্ত্ৰীয়ে লায়েক বিবেচনা কৰি এইবাৰৰ ৰণলৈ অসমীয়া যুজাৰুৰ অধিনায়ক পাতিবলৈ আলচিছোঁ। লাচিত দোলাকাষৰীয়া বৰুৱাকো সৰ্গদেউৰ ওচৰত উপস্থিত হবলৈ মাতি পঠিওৱা হৈছে।

চক্ৰ—শুনি বৰ ৰং পালোঁ। যোগ্য জনক যোগ্য সন্মান দিয়াৰ ব্যৱস্থা কৰা হৈছে। আমাৰ এতিয়া অনেক বিষয়ে ভাবিব-লগীয়া হব। উপযুক্ত উৎসাহী ডেকা চাই নতুন নতুন বাব দিব লাগিব। প্ৰজাবিলাকৰ যাতে এলাই-এথানি নহয়, কোনো ৰকমৰ নাটনি নপৰে তাৰ বাবে বিশেষকৈ চকু ৰাখিব লাগিব।

আতন—চেষ্টাৰ অকণিকে ক্ৰুটি নহব সৰ্গদেউ।

(নিতাইৰ প্ৰবেশ)

নিতাই—দোলাকাষৰীয়া বৰুৱাই সৰ্গদেউ ঈশ্বৰৰ সাইখাত পাব খোজে।

চক্র—আহিবলৈ দেগৈ। আৰু শুন—

(নিতাইৰ কাণে কাণে ফুচ-ফুচাই কয়)

লাচিতে আহি যেতিয়া মোৰ আগত আঠু লব, তই তেওঁৰ মূৰৰ পাগটো হাতেৰে আজুৰি খহাই দিবি।

(ৰজাৰ কথা শুনি নিতাই থৰ লাগি চাই থাকে)

যা!

(নিতাইৰ প্ৰস্থান)।

বুঢ়াগোহাঁই ডাঙৰীয়া! লাচিত যে এজন উপযুক্ত ডেকা তাত অকণো সন্দেহ নাই। কিন্তু তেওঁক এই গুৰুভাৰ অৰ্পণ কৰাৰ আগতে মই লাচিতক আকৌ এবাৰ সামান্য ভাবে পৰীক্ষা কৰি চাম।

(আগে আগে লাচিত আৰু পাছে পাছে নিতাই আহে। লাচিতে ৰজাৰ আগত আঠু লয়। ৰজাৰ ইঙ্গিত পোৱা মাত্ৰকে নিতায়ে লাচিতৰ মূৰৰ পাগ টান মাৰি খহাই দি ৰজাৰ পিছফালে লৰ মাৰে। লাচিতে নিতাইক খেদি যায়। ৰজাই বাধা দিয়ে। ডাঙৰীয়াসকল আচৰিত হৈ পৰে।)

চক্র—লাচিত!

লাচিত—স্বৰ্গদেউ! মোক বাধা নিদিব। এই কুকুৰৰ ইমান সাহ! মোক তাৰ মূৰটো লাগে।

চক্র—পাছুৱাই যোৱা লাচিত। মোৰ আগত মোৰ লগুৱাৰ গাত হাত দিব নোৱাৰিবা।

লাচিত—মোক হকা-বধা নকৰিব স্বৰ্গদেউ!

আতন—

বৰগোহাঁই—, দোলা কাষৰীয়া বৰুৱা!

বৰপাত্ৰ—

চক্ৰ— তুমি কি ভুল কৰিবলৈ ওলাইছা এবাৰ ভাবি চোৱা লাচিত।

লাচিত—মোৰ ভুল হোৱা নাই সৰ্গদেউ। ভুল আপোনাৰ। যি মূৰ দেশৰ কাৰণে উছৰ্গিত, তাক মই যাকে-তাকে ছুবলৈ দিব নোৱাৰিম।

আতন—আপুনি সৰ্গদেউৰ মুখে মুখে কথা কবলৈ সাহ কৰে দোলাকাষৰীয়া বৰুৱা!

লাচিত—আপুনি একো নেমাতিব ৰাজমন্ত্ৰী ডাঙৰীয়া। সি অকল মোকেই অপমান কৰা নাই, ৰাজ-চ'ৰাৰ সকলো ডা-ডাঙৰীয়াকে অপমান কৰিছে। আনকি সবাৰো শ্ৰেষ্ঠ—সকলোৰে পূজনীয় সৰ্গদেউৰ সন্মানো হানি কৰিছে। মই তাক কেতিয়াও ক্ষমা নকৰোঁ।

চক্ৰ—কিন্তু জানা লাচিত—তোমাৰ এই উদ্ধতালিৰ কাৰণে তুমি প্ৰাণ হেৰুৱাব পাৰা।

লাচিত—মই লুইতৰ পাৰৰ ডেকা ল'ৰা। মৰণলৈ মোৰ ভয় নাই—সৰ্গদেউ!

(ৰজাই লাচিতক আকোৱালি লবে)

চক্ৰ— লুইতপৰীয়া ডেকা ল'ৰা, স্বাধীনচিতীয়া ডেকা ল'ৰা, তুমি পাৰিবা। তোমাৰ বংশৰ মৰ্য্যাদা, দেশৰ মৰ্য্যাদা, তোমাৰ সৰ্গদেউৰ মৰ্য্যাদা তোমাৰ হাতত অটুট থাকিব। মোমাই তামুলী বৰবৰুৱাৰ তুমি যোগ্য পো। লাচিত, মই তোমাৰ আত্ম-সন্মান পৰীক্ষা কৰি চাইছিলোঁ; তুমি উত্তীৰ্ণ হৈছা।

(লাচিতে ৰজাৰ আগত আঠু লয়। ৰজাই তুলি দিয়ে)

বিদেশীৰ হেঁচাত অসমৰ জল-বায়ু, অসমৰ চেঁচা ৰতাহো

তপত হৈ উঠিছে। স্বাধীনচিতীয়া নিছলা অসমীয়াই অসমৰ বুকুত মুকলি বতাহ লবলৈ নেপাই অতিষ্ঠ হৈ উঠিছে।' যেনিয়েই কাণ পাতা তেনিয়েই সেই একেষাৰি কথাকে মাথোঁ শুনিবলৈ পাবা—সোণৰ অসম দেশ বঙালে ছাব-খাৰ কৰিলে। বিদেশী বঙালক অসমৰ পৰা খেদিব লাগিব। মই সিহঁতক অসমৰ চাৰি ঢাপৰপৰা বাজ কৰিহে এৰিম। কোৱাচোন লাচিত, কাৰ হাতত এই গুৰুভাৰ অৰ্পণ কৰিম।

লাচিত—সৰ্গদেউ! অসমত বীৰৰ অভাব নহব। লাগে মাথোঁ সৰ্গদেউৰ আশীৰ্ব্বাদ—সৰ্গদেউৰ চৰণৰ ধূলি।

চক্ৰ—অসমত একমাত্ৰ উপযুক্ত নায়ক আজি তুমি। তোমাৰ হাততে মই এই গুৰুভাৰ অৰ্পণ কৰিলোঁ।

(সিংহাসনৰ আগত থকা শৰাইৰ পৰা হেংদান আনি)

পৰম পৱিত্ৰ এই হেংদানৰ সহায়েৰে অসমীয়া জাতিৰ মৰ্য্যাদা তুমি ৰক্ষা কৰিবা। অসমৰ পূৰ্ণ স্বাধীনতা পুনৰ ঘূৰাই আনিবা। মই তোমাক বৰফুকনৰ বাব দিলোঁ। অসমৰ প্ৰধান শত্ৰু বিদেশী মোগলক কামৰূপৰ পৰা আঁতৰ কৰি তুমি কামৰূপ শাসন কৰিবা।

(লাচিতক হেংদান দিযে। লাচিতে আঠু লৈ গ্ৰহণ কৰে। কাৰেঙৰ ভিতৰৰ পৰা উৰুলি আৰু ফুল লাচিতৰ গালৈ ছটিয়াই দিযে)

লাচিত—হেংদান, অসমীয়াৰ পৱিত্ৰ হেংদান, বিপদৰ লগৰী হেংদান, সৰ্গদেউৰ আদেশ পালন কৰাত তুমি মোক সহায় কৰিব লাগিব। মোৰ আশা, মোৰ বাসনা—সোণৰ অসমে সুখ শান্তিৰ ছাঁত আনন্দত আকৌ মতলীয়া হৈ উঠক। বুঢ়া

লুইতে পুনৰ নাচিবলৈ ধৰক আৰু তাৰ খলকনিয়ে দুয়ো-পাৰৰ ডেকা গাভৰুক বলিয়া কৰি তোলক। পৰম পৱিত্ৰ এই হেংদান হাতত লৈ দেশৰ নামত, ৰাইজৰ নামত, আৰু গোসানীৰ নামত শপত খাইছোঁ সৰ্গদেউ—দেহত এটোপাল তেজ থকালৈকে লাচিতৰ মুঠিৰ পৰা হেংদান স্খলকি নপৰে। হেংদানৰ কোবত বিদেশী বঙালৰ ডিঙি ছিঙি লুইতৰ বুকুত উফৰি পৰিব। শত্ৰুৰ তেজেৰে নৈ বৈ যাব। সেই নৈয়ে বঙ্গোপসাগৰ ৰাঙলী কৰি পেলাব। অসমত এটিও বিদেশীৰ ঠাই নহব সৰ্গদেউ।

(হেংদান হাতত লৈ সৰ্গদেউৰ আগত আঠু লয়। লগে লগে পট পৰে।)

—পট—

দ্বিতীয় দৃশ্য

গুৱাহাটীৰ ফৌজদাৰ ফিৰোজ খানৰ বাহৰ।

ফিৰোজ—চৈয়দ চানা! আহোম ৰজাই ঘিলাধাৰি ঘাটৰ চুক্তিমতে ক্ষতিপূৰণ দিবলৈ অসন্মতি প্ৰকাশ কৰিছে। এই বিষয়ে লিখা খতৰো কোনো জবাব পোৱা নাই।

চানা—আহোম ৰজাই ক্ষতিপূৰণ দিব ক'ব পৰা? অৰ্দ্ধ ৰাজ্যতো আমাৰ অধীনত।

ফিৰোজ—ৰাজ্য শাসন কৰিবলৈ হলে ইমান মেহেৰবান হলে নচলিব। ক্ষতিপূৰণ দিবলৈ যদি অসমৰ্থ তেনেহলে মোগলৰ তাবেদাৰি স্বীকাৰ কৰি লওক। আপত্তি কিহৰ ?

চানা—ইমান দিনৰ স্বাধীন জাতি এটাই ইমান সহজে বশ্যতা স্বীকাৰ নকৰে ফৌজদাৰ চাহাব।

ফিৰোজ—মাৰাঠাৰ দৰে, ৰাজপুতৰ দৰে জবৰদস্ত জাতিবিলাকেই যেতিয়া মোগলৰ গোলামী স্বীকাৰ কৰিলে—নগণ্য আহোম ৰজা এটা কোন কুটা ?

চানা—কিন্তু পাহৰি নেযাবা ফৌজদাৰ চাহাব—মিৰজুমলাৰ দৰে এজন বীৰেও এবাৰ নহয়, দুবাৰ নহয়, কেইবাবাৰো অসমীয়াৰ হাতত হাৰ মানিবলগীয়া হৈছে।

(চৈয়দ চানাৰ কথা শুনি ফিৰোজখাৰ খং উঠে)

ফিৰোজ—চৈয়দ চানা! তুমি বাদচাৰ তামাম তাকত বেইজ্জৎ কৰিছঁা। তুমি বাদচাৰ নিমখ খাই নিমখ-হাৰাম কৰিছঁা।

চানা—ফৌজদাৰ চাহাব!

ফিৰোজ—তুমি বাদচাৰ বেতনভোগী নকৰ হৈ অসম ৰজাৰ কাৰণে ওকালতি কৰিছা।

চানা—মই সঁচা কথা কৈছোঁ ফৌজদাৰ চাহাব।

ফিৰোজ—তুমি ভীৰু, কাপুৰুষ, বেইমান।

চানা—মই ভীৰু হব পাৰোঁ, কিন্তু তুমি বাইজীৰ লগত নাচ-গান কৰি দিনে-ৰাতিয়ে ছিৰাজী খাই দুষ্‌মনৰ শক্তিক পৰ্‌ওৱা নকৰি নিজকে বৰ বীৰ বুলি ভাবিছা।

ফিৰোজ—মুখ চম্ভালি কথা কবা চৈয়দ চানা।

চানা—তোমাৰ ভয়ত, তোমাৰ বেপৰৱাৰ বাবে দিল্লীৰ বাদচাৰ গৌৰৱ, ইজ্জত হানি হবলৈ দিব নোৱাৰোঁ ফিৰোজ খাঁ।

ফিৰোজ—তুমি মোক বেইমান ভাবিছা ?

চানা—তোমাৰ অধীনস্থ সকলো কৰ্ম্মচাৰীৰে এই অভিমত।

ফিৰোজ—খামোচ—

চানা—সকলো কথা ভালকৈ চিন্তা কৰি চাবা ফিৰোজ খাঁ। মহাৰাজ চক্ৰধ্বজ সিংহই কেৱল ঘিলাধাৰি ঘাটৰ চুক্তিকে ভঙ্গ কৰি বহি থকা নাই। তলে তলে মোগলৰ বিপক্ষে বিপুল আয়োজন কৰিছে। অসমীয়া জাতিক মই কেতিয়াও বিশ্বাস নকৰোঁ। অসমদেশ চোৰবাহাৰ কাৰণে বিখ্যাত। সিহঁতে দুষ্মনৰ কিল্লাই কিল্লাই ভেশচন কৰি ফুৰে। অসমীয়া সেনাই হঠাৎ মোগলক আক্ৰমণ কৰিব পাৰে। তাৰ কাৰণে আমি তৈয়াৰ থাকিব লাগিব। নহলে আমাৰ বিপদ আছে।

(চানাৰ বেগেৰে প্ৰস্থান)

ফিৰোজ—হাঃ হাঃ হাঃ। বেইমান নিমখহাৰাম! অসমীয়া প্ৰজাই খাবলৈ নাপাই হাহাকাৰ কৰি ফুৰিছে—সিহঁতে আকৌ মোগলক আক্ৰমণ কৰি দেশ আজাদী কৰিব! মোৰ এটা ইচাৰাত হাজাৰ হাজাৰ কামান ডাগি উঠিব। চকুৰ নিমিষতে অসমৰ পৰ্ব্বত পাহাৰ ভাঙি জমিনৰ লগত চামিল কৰি পেলাব।

(ইফাল সিফাল কৰি)

চৈয়দ চানা! তোক অতিশীঘ্ৰে ইয়াৰপৰা আঁতৰ কৰিম।

ফৌজদাৰ ফিৰোজ খাঁৰ লগত দগাবাজি কৰাৰ উপযুক্ত চাজা দিম।

(আখতৰি বাইৰ প্ৰবেশ)

বাইজী—জাহাপনা, বাইজীৰ চেলাম গ্ৰহণ কৰিব।

(কুর্নিশ কৰে)

ফিৰোজ—আজিৰ কাৰণে মজলিছ বন্ধ থাকিব বাইজী।

বাইজী—জাহাপনা নিশ্চয় অস্সুস্থ।

ফিৰোজ—এৰা, অস্সুস্থ।

বাইজী—হেকিম চাহাবক খবৰ দিওঁ জাহাপনা ?

ফিৰোজ—শাৰীৰিক অসুখ নহয় বাইজী।

বাইজী—তেনেহলে ?

ফিৰোজ—মোৰ মনৰ অসুখ।

(বাইজীয়ে মিছাই অভিমান কৰি)

বাইজী—অ' বুজিছোঁ। আজিকালি জাহাপনাই মোৰ নাচ-গান ভাল নেপায়।

ফিৰোজ—তোমাৰ নাচ-গানত মছ্গুল কাৰণেই চৈয়দ চানাই আজি মোক দিলত ইমান দৰদ দি গ'ল।

বাইজী—চৈয়দ চানা ? আপোনাৰ তলতীয়া কৰ্ম্মচাৰী চৈয়দ চানা ?

(ফিৰোজ খাঁ নিমাত)

জাহাপনাৰ ওচৰত মোৰ এটি আৰ্জ্জি আছে।

ফিৰোজ—কি আৰ্জ্জি বাইজী ?

বাইজী—মোক যাবলৈ হুকুম লাগে।

ফিৰোজ—কলৈ যাবা ?

বাইজী—দেশলৈ, ঘৰলৈ।

ফিৰোজ—নোৱাৰোঁ, নোৱাৰোঁ বাইজী। তোমাক মই যাবলৈ দিব নোৱাৰোঁ। তোমাৰ অবিহনে গোটেই মোগল কিল্লা বিৰাণ হৈ পৰিব।

বাইজী—ছিঃ জাহাপনা, মানুহে শুনিলে আপোনাক নিন্দা কৰিব।

ফিৰোজ—চাৰা ছুনিয়া জাহান্নামে যাওক। মোক লাগে তোমাৰ বুলবুলিৰ গান, মোক লাগে তোমাৰ দিল দিৱানা মুখৰ হাঁহি, মোক লাগে তোমাৰ মহব্বৎ।

বাইজী—জাহাপনা আজি সঁচাকৈয়ে অসুস্থ। যাওক অলপ আৰাম কৰকগৈ।

ফিৰোজ—আৰাম! আৰাম মোক কোনে দিব পাৰে বাইজী ? মোৰ কোনো নাই। তুমিয়েই মোৰ একমাত্ৰ আৰাম, স্ফুৰ্ত্তিৰ ফোৱাৰা।

বাইজী—গ'ল নিশা আপুনি বৰকৈ ছিৰাজী পিলে জাহাপনা।

ফিৰোজ—হাজাৰ হাজাৰ ছিৰাজীৰ পিয়লাই মোক মস্ত্ কৰিব নোৱাৰে। কিন্তু হাঁ—বাইজীৰ মুখৰ এটি কথাই মোক দিৱানা বনাই দিব পাৰে।

বাইজী—মিছা কথা জাহাপনা! প্ৰবল প্ৰতাপী মোগল বাদচাৰ ফৌজদাৰ চাহাবক এজনী সামান্যা বাইজীয়ে দিৱানা কৰিব পাৰে ?

ফিৰোজ—তোমাক খোচামত কৰা নাই বাইজী। খোদাৰ নামত কচম খাই কৈছোঁ—তোমাক মোৰ দিলৰ কথা কৈছোঁ।

বাইজী—কিন্তু মই ইয়াত থাকিলে আপোনাৰ বিপদ আছে জাহাপনা।

ফিৰোজ—বিপদ, বুজিছোঁ! বেইমান চৈয়দ চানাৰ দৰে তুমিও অসমীয়াক ভয় কৰা।

বাইজী—কি কলে জাহাপনা—অসমীয়াক ভয় কৰিব মোগলে? জাহাপনাই ইচ্ছা কৰিলে একেদিনেই গোটেই অসম দেশ জয় কৰিব পাৰে। আপোনাৰ মেহেৰবানিৰ ওপৰতেই আজি অসমীয়াই স্বাধীন নাম লৈ আছে।

ফিৰোজ—চাবাচ্ আখ্তাৰি বাই! তুমি মোগলৰ খুনৰ পৰিচয় দিছা।

বাইজী—চৈয়দ চানাক মোৰ বৰ ভয় লাগে জাহাপনা।

(চৈয়দ চানাৰ নাম শুনি চিঞৰি উঠে)

ফিৰোজ—চৈয়দ চানা! তাকো তুমি ভয় কৰা। সি কাফেৰ বাইজী। তাৰ গাত মোগলৰ খুন নাই।

বাইজী—কিন্তু............

ফিৰোজ—মই জানো—তুমি মোৰ ওচৰত নাচ-গান কৰা সি পছন্দ নকৰে। এই কথা মোক চাফ্ চাফ্ কৈ দিছে।

বাইজী—এই কথা যদি বাদচাৰ কাণত পৰে জাহাপনা—

ফিৰোজ—চৈয়দ চানাৰ ইমান তাকৃত নাই যে গুৱাহাটীৰ ফৌজদাৰ ফিৰোজ খাঁৰ বিপক্ষে সি বাদচাৰ ওচৰত নালিচ কৰিব।

বাইজী মোক তেন্তে যাবলৈ অনুমতি নিদিয়ে?

ফিৰোজ—যোৱাৰ আগতে—লোৱা এই তলোৱাৰ বে ফিকিৰ মোৰ কলিজাত বহুৱাই দিয়া।

(মুস্তাফাৰ প্ৰৱেশ)

মুস্তাফা—জাহাপনা ! অসম ৰজাৰ কটকীয়ে মুলাকাত কৰিব বিচাৰিছে।

ফিৰোজ—অসম ৰজাৰ কটকী ? বাইজী, তুমি অলপ চবুৰ কৰা। মই এতিয়াই আহিম।

(মুস্তাফা আৰু ফিৰোজ খাঁনৰ প্ৰস্থান। চৈয়দ চানাৰ প্ৰৱেশ)

চানা—বাইজী—আজি কি নাচৰ ইন্তেজাম হৈছে ?

(বাইজীয়ে কুৰ্নিশ কৰি)

বাইজী—জাহাপনাৰ মৰ্জি বাইজীয়ে তামিল কৰিব।

চানা—মোৰ মৰ্জিত নাচ-গান কৰিলে নচলিব বাইজী। আমাৰ খোদ ফৌজদাৰৰ দিল খুশ কৰিব লাগিব।

বাইজী—আপোনাৰ আৰু ফৌজদাৰ চাহাবৰ ভিতৰত কোনো তফাত নাই জাহাপনা।

চানা—দুটা দিলৰ মাজত তফাৎ কেলেই নহব বাইজী ?

বাইজী—আমি জনাত ফৌজদাৰ চাহাবে আপোনাক নোসোধাকৈ কোনো কামেই নকৰে। ফিৰোজ খান চাহাব কেৱল নামত ফৌজদাৰ। কিন্তু সকলো কাম আপোনাৰ হুকুম মতেই চলে।

চানা—সেই কাৰণেই বোধকৰোঁ মোক কোনেও ভাল নাপায়। ফৌজদাৰৰ কাৰণে সকলোৱে জান কোৰ্বান কৰিব পাৰে।

বাইজী—আপোনাক সকলোৱে তাৰিফ কৰে জাহাপনা।

চানা—তুমিও কৰানে বাইজী ? জৱাব নিদিয়া কেলেই ?

(বাইজী নিমাত)

বাইজী—আপোনাক খুশ কৰিব পৰা যোগ্যতা মোৰ নাই জাহাপনা।

চানা—ইয়াৰ মানে ?

বাইজী—মই হ'লো এজনী সামান্যা বাইজী আৰু আপুনি হ'ল বাদচাৰ এজন সম্ভ্ৰান্ত ওমৰাহ।

চানা—তুমি তেনেহলে মোক ভয় কৰা।

বাইজী—জৰুৰ কৰোঁ জাহাপনা।

চানা—ফৌজদাৰ ফিৰোজখানক কিন্তু তুমি ভয় নকৰা। হাঃ হাঃ হাঃ।

(ফিৰোজ খাঁ আৰু জয়ানন্দ সোমাই আহে। চৈয়দ চানাক বাইজীৰ লগত দেখি ফিৰোজ খাঁৰ খং গৈ মূৰৰ চুলি পায়)

ফিৰোজ—চৈয়দ চানা—

(হাতৰ পত্ৰখন চানালৈ আগ বঢ়াই দিয়ে। চানাই খুলি পঢ়ে)

চানা—এই খত কোনে আনিছে ফিৰোজ খাঁন ?

জয়ানন্দ—এই নিঃকিনে আনিছোঁ জাহাপনা।

চানা—খতৰ তলত ৰজাই চহী নিদি বুঢ়াগোহাঁয়ে চহী দিয়াৰ কাৰণ ?

জয়ানন্দ—জাহাপনা! সৰ্গদেউৰ বৰ টান নৰিয়া। ঢাৰি-পাটীতে পৰি থাকিবলগীয়া হৈছে। এইবাৰলৈ সৰ্গদেউ ৰইখা পৰেনে নপৰে ওপৰৰ জনাইহে জানে।

ফিৰোজ—আমাৰ কটকী অতদিনে অহা নাই কেলেই ?

জয়ানন্দ—কিয় আপুনি জানো নেজানে জাহাপনা! পাটচাৰে হেনো সৰ্গদেউলৈ এযোৰা ৰাজ-সাজ-পাৰ কটকীৰ আগত

পিদ্ধিবলৈ আদেশ দি পঠিয়াইছে; গতিকে স্বৰ্গদেৱে আৰোগ্য লাভ নকৰালৈকে পাটচাৰ কটকীক আলহী স্বৰূপে ৰখা হৈছে।

(মুস্তাফা উধাতু খাই আহে)

মুস্তাফা—জাহাপনা! সকলো তবাহ হৈ গৈছে। আমাৰ খাৰ-বাৰুদৰ ঘৰত কেনেবাকৈ জুই লাগিছে।

(কথা শুনি ফিৰোজ খাঁন আৰু চৈয়দ চানা ভিৰাই লৰ দিয়ে। পিচে পিচে মুস্তাফা)

বাইজী—অসম ৰজা শয্যাগত অৱস্থাত। সেই কাৰণেই মোগল কটকী ৰজাৰ আলহী হৈ থাকিবলগীয়া হৈছে। ইফালে অসম ৰজাৰ কটকী মোগল বাহৰ সোমোৱাৰ লগে লগে মোগলৰ খাৰ-ঘৰত জুই লাগিছে। সকলো কাম বেছ পৰিপাটিকৈ কৰাৰ ব্যৱস্থা হৈছে!

(কথা শুনি জয়ানন্দই তলমূৰ কৰি থাকে)

অসম ৰজাৰ কটকীয়ে তলমূৰ কৰি বা কি ভাবিছে?

জয়ানন্দ—অ'—মোৰ কথা কৈছে বেগম?

বাইজী—মই বেগম নহওঁ।

জয়ানন্দ—মোক ক্ষমা কৰিব চাহাজাদি।

বাইজী—মই বেগমো নহওঁ, চাহাজাদিও নহওঁ।

জয়ানন্দ—আপোনাক তেনেহলে কি বুলি বা সম্বোধন কৰিব লাগিব?

বাইজী—মই এজনী বাইজী।

জয়ানন্দ - বাইজী?

বাইজী—এৰা, আপোনালোকে যাক নাচনী বুলি কয়। পিচে মোগলক কোন দিনা আক্ৰমণ কৰাৰ ঠিক কৰিছে ?

(জয়ানন্দ আচৰিত হৈ পৰে)

জয়ানন্দ—আপুনি……

বাইজী—ভয় নকৰিব। মই সকলো কথা জানো। আপুনি মোগল বাহৰ সোমোৱা দিন ধৰি আপোনাৰ চলন-ফুৰণ মই মন কৰি আছোঁ।

জয়ানন্দ—মই জানো ইয়াত নাচিবলৈ আহিছোঁ ?

বাইজী—ময়ো ইয়ালৈ মজলিচ পাতিবলৈ অহা নাই।

জয়ানন্দ—তেন্তে তোমাৰ উদ্দেশ্য কি ?

বাইজী—মোগলক ধ্বংস কৰা।

জয়ানন্দ—বলিয়াৰ দৰে এইবোৰ কি বলকিছা ?

বাইজী—কি কৰিম। আপুনি ভেশ্চন কৰাৰ দৰে ময়ো বলিয়া সাজিব লগাত পৰিছোঁ।

জয়ানন্দ—তুমি কোন ? তোমাৰ নাম কি ?

(বাইজীয়ে ইফালে সিফালে চায়)

বাইজী—মোৰ নাম মদনাৱতী, ৰাজপুত জীয়াৰী। কিন্তু ইহঁতৰ মাজত মোক আখ্তৰি বাই বুলি সকলোৱে জানে।

জয়ানন্দ—তোমাক মই বিশ্বাস নকৰোঁ। মই সকলো কথা ফৌজদাৰক কৈ দিম। মোগলৰ লগত অসম ৰজাৰ কোনো বৈৰী ভাব নাই। তুমি হবলা ঘিলাধাৰি ঘাটৰ চুক্তিৰ কথা একো নেজানা ?

বাইজী—সকলো জানো। নজনা মোৰ একো নাই আৰু জানো কাৰণেই মোগলৰ ওপৰত প্ৰতিশোধ লবলৈ সুদূৰ হিন্দুস্থানৰপৰা লৰি আহিছোঁ। কিন্তু মনত ৰাখিব, ফৌজদাৰৰ আগত এই কথা কলে মোতকৈ আপোনাৰ বেছি ক্ষতি হব। মই বিধৰ্ম্মী নহওঁ; মোক বিশ্বাস কৰক। মই আপোনাক কেনেকৈ সহায় কৰিব পাৰোঁ কওক। মোগলৰ ধ্বংসৰ কাৰণে জীৱন বিপন্ন কৰিবলৈকো সাজু আছোঁ। (জয়ানন্দ বিমোৰত পৰি মনে মনে চিন্তা কৰিবলৈ ধৰিলে) আপুনি মোক এতিয়াও বিশ্বাস কৰিব পৰা নাই। তেন্তে শুনক। অসম ৰজাই লাচিত বৰফুকনক গুৱাহাটী আক্ৰমণ কৰিবলৈ পঠোৱাৰ কথাও মোৰ জনা আছে।

(জয়ানন্দই কিছু সময় বাইজীৰ মুখলৈ থৰ লাগি চাই থাকিল)

কি কব খুজিছে কওক, পলম নকৰিব।

জয়ানন্দ—নাচ-গানৰ মজলিছ কেতিয়াকৈ.ৰহিব ?

বাইজী—সন্ধিয়াকৈ।

জয়ানন্দ—মোগল সেনাপতি বিলাকক নিচা খুৱাই অচেতন কৰি ৰাখিব পাৰিবা ?

বাইজী—পাৰিম। কিন্তু ইমান ছিৰাজী পাব ক'ত ?

জয়ানন্দ—ফিৰোজ খাঁৰ ভাণ্ডাৰত ছিৰাজীৰ একো অভাৱ নাই। মুস্তাফাক হাত কৰিব পাৰিলে ছিৰাজীৰ নৈ বৈ যাব। যেতিয়া মোগল সেনাপতিবিলাক নিচা খাই ঢলি পৰিব, সেই ছেগতে সিহঁতৰ হিলৈ কামানবোৰৰ নলীত পানী

ঢালি থম,—যাতে সময়মতে সেই হিলৈ কামানবোৰে একো কাম নকৰে।

বাইজী—আজিয়েই আক্ৰমণ কৰিব নেকি ?

জয়ানন্দ—এৰা। মোগল সেনাবোৰ যেতিয়া ঘোৰ টোপনিত লাল-কাল দি পৰিব, তেতিয়াই অসমীয়া ৰণুৱাই সিহঁতক আক্ৰমণ কৰিব। কিন্তু—সাৱধান। চৈয়দ চানা বৰ ধূৰ্ত্ত মানুহ। সি সকলো সময়তে চকু-কাণ সজাগকৈ ফুৰে।

(বুকুৰ মাজৰপৰা আহুদিপালি উলিয়ায)

ছেগবুজি এই আহুদিপালি ছিৰাজীৰ লগত মিলাই চৈয়দ চানাক খুৱাই দিবা। সৌৱা মুস্তাফা আহিছে, মই যাওঁ।

(জয়ানন্দৰ প্ৰস্থান। আনফালৰ পৰা মুস্তাফাৰ প্ৰবেশ)

বাইজী—মুস্তাফা !

মুস্তাফা—কি বাইজী ?

বাইজী—তোলৈকে মই ৰৈ আছোঁ।

মুস্তাফা—মোলৈকে······

বাইজী—তই মোক ভাল নাপাৱ মুস্তাফা।

মুস্তাফা—হে আল্লা ! কি কম বাইজী, খোদাই জানে, তোমাক ভাবি ভাবি কিমান ৰাতি টোপনি অহা নাই। কবলৈ সাহ কৰা নাই, কিজানি ভাই তুমি জাহাপনাক লগাই দিয়া।

বাইজী—ইহ্—কিয় কম অ' মুস্তাফা !

মুস্তাফা—ইয়া আল্লা। মই আস্‌মানত আছোঁনে জমিনত আছোঁ।

বাইজী—বাৰু মুস্তাফা—এটা কথা ৰাখিবিনে ?

মুস্তাফা—জৰুৰ—অলবৎ—একশ বাৰ।

বাইজী—জাহাপনাৰ ভাণ্ডাৰৰপৰা মোক অলপ সৰহকৈ ছিৰাজী আনি দে অ'।

মুস্তাফা—ছিৰাজী! তুমি কি কৰিবা?

বাইজী—অ' বুজিছোঁ। তোৰ দিবলৈ মন নাই।

(মিছাই দেখুৱাই চকুলো টোকে)

মুস্তাফা—আহ্—অলপ ৰগৰো কৰিব নোৱাৰি।

বাইজী—নেলাগে তই দিব। মই খোদ জাহাপনাক খুজিম।

মুস্তাফা—মাৰা গুলী জাহাপনাক। তাৰ নাম আৰু মুখত নানিবা। আজিৰপৰা তুমি মোৰ,—মই তোমাৰ। মই মুস্তাফা—তুমি হ'লা মুস্তাফী।

(বাইজীৰ ওচৰ চাপি)

মু—স্তা—ফী। আহাঁ। ভাণ্ডাৰ খালি কৰি কিমান লাগে ছিৰাজী লৈ যোৱাহি।

(মুস্তাফা আগে আগে যায়। বাইজীয়ে মুস্তাফাক অনুসৰণ কৰে। ফিৰোজ আৰু চৈয়দ চানাৰ প্ৰৱেশ)

চানা—ই নিশ্চয় দুষ্মনৰ কাম ফিৰোজ খাঁ!

ফিৰোজ—তোমাৰ সেই একে কথা শুনি শুনি মোৰ কাণ ঘোলা হৈ পৰিছে চৈয়দ চানা। মোগলৰ দুষ্মন কোন আছে? অসম ৰজাই আবেদন কৰি খত্ লিখা তুমি নিজেই পঢ়িছা। সকলোকে সন্দেহৰ চকুৰে চোৱাটো তোমাৰ এটা পেশা হৈ পৰিছে।

চানা—মই অসম ৰজাক কেতিয়াও বিশ্বাস নকৰোঁ। অসমখন

হৈছে যাদুকৰৰ দেশ আৰু অসমীয়া মানুহবোৰ হৈছে কৌটী সাপৰ দৰে চয়তান।

ফিৰোজ—বহুত দিন যুঁজ কৰিবলৈ নাপাই তোমাৰ খুন গৰম হৈ গৈছে। হাজাৰ হওক মোগল শেৰ-কা বাচ্ছা।

(হাঁহি চানাৰ বাহুদুটাত ধৰি জোকাৰি)

যোৱা চৈয়দ চানা—মুখ-হাত ধুই মেজাজ অলপ ঠাণ্ডা কৰি আহাঁ। আজি মই খুবচুৰত মজলিছ পাতিছোঁ।

চানা—কিহৰ মজলিছ ফিৰোজ খাঁ।

ফিৰোজ—বাইজীৰ দেশৰপৰা এজন বৰ ডাঙৰ ওস্তাদ আহিছে।

চানা—অ' আমাৰ বাইজী……

(চানাৰ প্ৰস্থান)

ফিৰোজ—বেঅকুফ্! মুস্তাফা—মুস্তাফা!

(মুস্তাফাই জাহাপনা বুলি কোঁপাই আহে)

মুস্তাফা—জাহাপনা!

ফিৰোজ—তই ইমান হায়ৰাণ হৈছ কিয়?

মুস্তফা—জাহাপনা……

ফিৰোজ—হাৰামজাদা। যা—ছিৰাজী আন।

(মুস্তাফাই ছিৰাজী আনি দিয়ে। ফিৰোজে খাবলৈ আৰম্ভ কৰে)

বাৰু মুস্তাফা। তই কচোন মই কোন?

মুস্তাফা—আপুনি—আপুনি দুনিয়াৰ মালিক জাহাপনা।

ফিৰোজ—আৰু বাইজী!

মুস্তাফা—বাইজী—মুস্তাফী জাহাপনা।

ফিৰোজ—মুস্তাফী—কি মুস্তাফী ?

মুস্তাফা—হেঃ জাহাপনা। ভুলতে হেঃ……

(ফিৰোজ খাঁৰ নিচা হ'ল)

ফিৰোজ—মুস্তাফা !

মুস্তাফা—জাহাপনা !

ফিৰোজ—তই এক নম্বৰ গাধা।

মুস্তাফা—হয় জাহাপনা। মই এক নম্বৰ গাধা।

ফিৰোজ—মই যেতিয়া এদিন দিল্লীৰ বাদচাহ হম, তই তেতিয়া কি হবি মুস্তাফা ?

মুস্তাফা—জাহাপনা ! মই তেতিয়া দুই নম্বৰ গাধা হম।

(চানাৰ প্ৰৱেশ)

চানা—মজলিছ আৰম্ভ হোৱাৰ আগতে ছিৰাজী শেষ কৰি পেলালানেকি ফিৰোজ খাঁ ?

ফিৰোজ—কি কলা, ছিৰাজী শেষ ! মুস্তাফা !

মুস্তাফা—বহুত ছিৰাজী আছে জাহাপনা।

ফিৰোজ—শুনিলা চৈয়দ চানা। মুস্তাফা—বাইজী।

(মুস্তাফাৰ প্ৰস্থান)

চানা—নাচ-গান আৰু কি কৰিবা। চকু দেখোন মেলিবই নোৱাৰা হলা।

ফিৰোজ—ফৌজদাৰ ফিৰোজ খাঁ ঠিক আছে। কুচ্ পৰোৱা নাই।

(বাইজী, ওস্তাদ আৰু মুস্তাফাৰ প্ৰৱেশ। সকলোৱে ফিৰোজক কুৰ্ণিশ কৰে)

বাইজী, সুৰু কৰা। নাচ চালাও। গানা চালাও।

(ওস্তাদে গান আৰম্ভ কৰে। বাইজীয়ে চেৱে চেৱে নাচিবলৈ ধৰে। মুস্তাফাই ফিৰোজ আৰু চানা দুয়োকো ছিৰাজী যোগায়। নাচ-গানৰ এবাৰ অন্ত পৰাত)

চানা—বাৰু ফিৰোজ খাঁ, তুমি ফুৰ্ত্তি কৰা, মই উঠো

বাইজী—নিশা বেছি হোৱা নাই জাহাপনা।

চানা—মই নাচ গান বৰ পচন্দ নকৰোঁ বাইজী।

ফিৰোজ—তুমি বৰ বে-ৰসিক মানুহ চৈয়দ চানা।

বাইজী—মেহেৰবানি কৰি আৰু এটি গান শুনক।

(বাইজীৰ ইঙ্গিতত আকৌ গান আৰম্ভ হয়। বাইজীয়ে কোনেও নেদেখাকৈ আহুদিৰ পুৰিয়াটো বুকুৰপৰা উলিয়াই ছিৰাজীৰ লগত মিহলাই পিয়লাটো চানাক আগ বঢ়াই দিয়ে)

ফিৰোজ—বাহ্ তোফা।

(চানাই ঢোক মৰাৰ লগে লগে চকু মেলিব নোৱাৰা হয়। গান চলি থাকে। দ্বিতীয় ঢোক মাৰি চানাই চিঞৰি উঠে)

চানা—বাইজী! বাইজী!

বাইজী—জাহাপনা!

চানা—মোৰ বুকুৰ মাজলৈ আহাঁ বাইজী!

ফিৰোজ—চৈয়দ চানা!

(চানাই আৰু এঢোক খায়)

চানা—বাইজী! তোমাৰ মোলায়েম হাতে ছিৰাজীৰ নিচা দুগুণে বঢ়াই তুলিছে।

ফিৰোজ—চৈয়দ চানা, বাইজীক লৈ তুমি কোনো কথা নকৰা

চানা—কিয় ? বাইজীৰ ওপৰত তোমাৰ কি হক আছে ?

(তৰ্ক বাঢ়ি যায়। বেগতে বাইজী আৰু ওস্তাদ আঁতৰ হয়। মুস্তাফাই "মুস্তাফী—মুস্তাফী" বুলি পিচে পিচে যায়।)

ফিৰোজ—বাইজীৰ ওপৰত মোৰ পূৰা হক আছে।

চানা—বাইজী মোৰ, তোমাৰ নহয়।

ফিৰোজ—চৈয়দ চানা।

চানা—ফিৰোজ খাঁ !

(দুয়ো দবৰা-দবৰি কৰি অচেতন হৈ পৰি যায়। বাহিৰত অসমীয়া সেনাৰ কোলাহল, জয়ধ্বনি আৰু চিলৈ কামানৰ শব্দ শুনা যায়। মোগল সেনা এটা উধাতু খাই আহে)

মোগলসেনা—জাহাপনা ! জাহাপনা !

(দুয়ো আগৰ দৰেই পৰি থাকে)

জাহাপনা, অসমীয়া সেনাই আমাৰ কিল্লা আক্ৰমণ কৰিছে।

(ফিৰোজ খাঁ টোপনিৰপৰা একেচাবে উঠে)

ফিৰোজ খাঁ—চৈয়দ চানা ! অসমীয়া সেনাই আমাৰ কিল্লা আক্ৰমণ কৰিছে।

(আকৌ জয়ধ্বনি আৰু কামানৰ শব্দ হয়। ফিৰোজে চৈয়দ চানাক তুলি লৈ জোকাৰি)

চৈয়াদ চানা ! চিপাহচালাৰ !

(চিপাহচালাৰ বুলি মতাৰ লগে লগে চানাৰ চেতন আহে)

অসমীয়া সৈন্যই আমাৰ দুৰ্গ আক্ৰমণ কৰিছে।

চানা—কি ? আক্ৰমণ কৰিছে !

(চানা আৰু সৈন্যৰ বেগেৰে প্ৰস্থান। বাহিৰত অসমীয়া সেনাৰ জয়ধ্বনি)

ফিৰোজ—সেইয়া অসমীয়া সেনাৰ জিন্দাবাদ। দুষ্‌মন আহি নিচেই ওচৰ পালেহি। চৈয়দ চানা, হুচিয়াৰ! কামান দাগা!

(ফিৰোজ যাব খোজোঁতেই চানাৰ প্ৰবেশ)

চানা—চব বৰ্ব্বাদ হৈছে ফিৰোজ খাঁ। আমাৰ বন্দুক কামানৰ নলীৰ ভিতৰত দুষ্‌মনে পানী ভৰাই থৈছে।

ফিৰোজ—পানী! বন্দুক কামানৰ ভিতৰত পানী। ভয় নাই চৈয়দ চানা, মোগলৰ হাতত এতিয়াও তলোৱাৰ আছে।

(এই বুলি খাপৰ পৰা তৰোৱাল উলিয়াই যাব ওলাইছে, এনেতে লাচিত বৰফুকন, দিহিঙীয়া ফুকন, মিৰি সন্দিকৈ ফুকন আৰু কিছুমান অসমীয়া ৰণুৱাই আহি দুয়োকো ঘেৰি পেলালে)

চানা—এয়েনেকি অসমীয়াৰ লড়াইৰ কানুন লাচিত বৰফুকন!

লাচিত—সৰ্গদেউ চক্ৰধ্বজ সিংহই সেই কথাৰ বিচাৰ কৰিব।

ফিৰোজ—মোগল বাদচাৰ ওম্‌ৰাই অসম ৰজাৰ ওচৰত শিৰ ঝুকাব নিবিচাৰে লাচিত বৰফুকন।

লাচিত—তোমাৰ দৰে এটা সামান্য ভৃত্যই সৰ্গদেউ চক্ৰধ্বজ সিংহৰ সাক্ষাৎ নোপোৱা ফিৰোজ খান।

চানা—ইয়াৰ নতিজা তুৰন্তে পাবা লাচিত বৰফুকন।

লাচিত—জনা আছে চৈয়দ চানা। অসমীয়াৰ এয়ে শেষ যুজ নহয়। তাৰ বাবে লাচিত বৰফুকনো সাজু থাকিব। দিহিঙীয়া ফুকন, মিৰি সন্দিকৈ ফুকন—এওঁলোক দুয়োকো তভালিকে গড়গাৱঁলৈ পঠিয়াই দিয়া।

[আদেশ দি লাচিত কোবেৰে ওলাই যায়। লগে লগে পট পৰে]

দ্বিতীয় অঙ্ক

. প্ৰথম দৃশ্য

বিশ্বনাথত সৰ্গদেউ চক্ৰধ্বজ সিংহৰ ছাউনি

[ৰাজমাও দেউতা, নিতাই আৰু সোণপাহীৰ প্ৰবেশ]

ৰাজমাও—এইখন ঠাইক কি বোলে অ' নিতাই ?

নিতাই—আমি এতিয়া দৰং জিলাৰ এলেকাত সোমাইছোঁ ৰাজমাও দেউতা। এই ডোখৰ ঠাইক বিশ্বনাথ বোলে। সেই নৈ খনিয়ে হৈছে আমাৰ বৰহমপুতৰ। কিবা বোলেনে পৰশুৰামে······

ৰাজমাও—হুইছে হুইছে। তোক কথা এষাৰ সুধিলে ৰাবে কুৰি বকিবলৈ ধৰ।

নিতাই—আৰু সৌ যে ওখ টিলাটি দেখিছে, সেইটো কেমাইখা পেহাৰ। আই ভগৱতীৰ পীঠ।

ৰাজমাও—হেৰ' তইনো ইয়াৰ পৰাই কেমাইখা পেহাৰ মনিলিনে অ'।

নিতাই—বন্দীয়ে মিছা নেমাতো নহয় ৰাজমাও দেউতা। ধলপুৱাতে উঠি টেকেলীয়ে টেকেলীয়ে চকুত পানী মাৰো নহয়।

ৰাজমাও—তোৰ বকলাখন এৰ। বাৰু নিতাই—

নিতাই—আইগা হওক ৰাজমাও দেউতা।

ৰাজমাও—মোক কোনোবাই বিচাৰিলে নাম লবলৈ গৈছোঁ বুলি কবি বুইছ।

নিতাই—হুইছে ৰাজমাও দেউতা!

ৰাজমাও—সোণপাহী! ভাল চাই তামোল কেইখনমান থুৰিয়াই লৈ আহ।

(ৰাজমাওৰ প্ৰস্থান। নিতায়ে সোণপাহীলৈ কেৰাহিকৈ চাই জিভাখন কামুৰি ধৰে)

সোণপাহী—হোৱাই নোহোৱাই মোৰ সতে চুপতিখন মাৰি নেথাকিবিদেই? কোনোবা দিনা অঘটন ঘটিব একা।

নিতাই—বোলো মোৰে সতে পীৰিতিৰ কৰাল এৰালনেকি?

সোণ—আই ছিকৌ, এইটো কি নিলাজ ঐ!

নিতাই—তইনো এনেকুৱাখন কৰ কেলেই হোঁ? মোৰ কোন আছে? তোৰ মন যোগাবলৈকে এইবাৰ ৰণলৈয়ো যাবলৈ ওলাইছোঁ। আৰুনো কিমান কৰিম! নৰ মনিষৰহে দেহা তেও।

সোণ—মানুহে কথা কব জানিলে এনেকৈ খেওখাই শুৱলা হৈয়েই ওলায়।

নিতাই—মইনো ক'ত বৰমেল কৰি ঘূৰি ফুৰি মহলা মাৰি কথা কবলৈ শিকিলোঁ অ'?

সোণ—তেলে-পানীয়ে মিল নেখায় বুইছা। আমুকীৰ দৰে এজনী আকৰীৰ সতে তোমাৰ লেখীয়া এজন বৰ মেলেকীৰ যোৰ হব নোৱাৰে।

নিতাই—ওঁ—তই হলি হবলা আকৰী। নিতাই বৰা হেন মানুহটো যাৰ চকুৰ পাকত, বাহুৰ মেৰত, মৰমৰ চাকত পৰি তিনি টেলেঙনি খাই ঘূৰমুটিয়াই ফুৰিব লাগিছে, সেইজনী হেনো

হ'ল আকবী। বোলো তয়েই যদি হ'লি আকবী—তেনে সতবী হ'ল কোনজনী অ'!

সোণপাহী—চোৰক মেলে মুগুৰায় পাই।

(সোণপাহীৰ প্ৰস্থান)

নিতাই—কেহানিবাৰ পৰাই মোৰ মন টেঙাইছে। যেনেতেনে কোনোবা ডেকা এইৰ পিচ লাগিছে। তাইৰ কথা কোৱা চেওটোৱেই সলনি হৈ গৈছে নহয়। বাৰু ভৈয়াই, কোমল তামোল দেখি বুঢ়া তামোলটোক এলাগি কৰিলি। ময়ো নেৰিছোঁ। মাছ ধৰিব নোৱাৰিলেও পানী ঘোলা কৰিহে এৰিম।

(নিতাইৰ প্ৰস্থান)

(বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁইৰ প্ৰবেশ)

বৰগোহাঁই—বৰপাত্ৰ গোহাঁই ডাঙৰীয়া। এইবাৰলৈ আমাৰ জয় হলেও মই হলে মোগলক জোকাইলোৱা কথাটো ভাল পোৱা নাই।

বৰপাত্ৰ—এৰা, মোৰো সেই একে কথাই। পেটত যিয়েই নেথাকক, মুখেৰে সিহঁতৰ লগত মিতিৰালি ভাব ৰাখিব লাগিছিল।

বৰ—পাটচাৰ ধনৰেই অভাৱনে জনৰেই অভাৱ!

বৰপাত্ৰ—এৰা, নহয়নো কি? যি জনৰ ওচৰত ৰাজপুত মাৰাঠাৰ লেখীয়া একোটা ডাঙৰ ডাঙৰ শক্তিয়েও মূৰ দোঁৱাৰ লগীয়াত পৰিছে, তেওঁৰ মনত আমি কোন কুটা?

বৰ—ভাল পৰামৰ্শ যদি এটা সৰ্গদেউক দিওঁ,—ওলোটাই ভেবেঁহে আমাক বাবে কুৰি টান কথা শুনায়।

বৰপাত্ৰ—সৰ্গদেউৰ কথাকে নকওঁ—বুঢ়াগোহাঁই ভাঙৰীয়ালো আমাৰ কথাত হয়ভৰ নিদিয়ে।

বৰ—আজি অত বছৰে বহুজনা সৰ্গদেউক পালোঁ; কিন্তু এওঁৰ লেখীয়া ডাঙ্কোপ মৰা মইমতীয়া ৰজা এজনাও নাছিল।

বৰপাত্ৰ—আঙুলিৰ মূৰত লেখিব পৰা গুৱাহাটীৰ এমুঠি মোগলক হৰুৱাই সৰ্গদেৱে গোটেইখন মোগল ৰাজ্যকে জয় কৰা বুলি ভাবিছে। সিফালে আমাৰ বুঢ়াগোহাঁইৰ গাত ততেই নাই যেনিবা গোটেই ভাৰস্তখনেই তেওঁৰ অধীন হ'ল।

বৰ—এওঁলোকৰ মইমতালিৰ দোষতেই ৰাজ্যখন যায় যেন হে পাইছোঁ।

বৰপাত্ৰ—মোমাই তামুলী বৰবৰুৱাৰ লেখীয়া এজন বিচক্ষণ দূৰ-দৰ্শী লোকে পাৰোতেনো মোগলৰ সতে এনেয়ে চুক্তি কৰিছিলনে ?

বৰ—আমি হলে সৰ্গদেউক এতিয়াও পাটচাৰ সতে চুক্তি কৰি-বলৈকে কওঁ—কি বোলে ?

বৰপাত্ৰ—আমাৰ কথাত আকৌ লোকে কাণ দিলেহে !

বৰ—নিদিয়ে তাৰ পচতিটো পাব নহয়। আমাৰ কাম ফেৰা আমি কৰি যাম।

বৰপাত্ৰ—এটা কথা বৰগোহাঁই ভাঙৰীয়া। এবাৰ ৰাজমাও দেউতাৰ হতুৱাই সৰ্গদেউৰ কাণ চোৱালে কেনে হয় ?

বৰ—এৰা—বৰ বেয়া নহব হবলা।

বৰপাত্ৰ—আহকচোন, ৰাজমাও দেউতাৰ ওচৰ চাপোঁগৈ।

বৰ—বলক।

(বৰগোহাঁই আৰু বৰপাত্ৰ গোহাঁইৰ প্ৰস্থান। আন কালৰ পৰা লাচিত আৰু বুঢ়াগোহাঁইৰ প্ৰবেশ)

আতন—বৰফুকন ডাঙৰীয়া! এইবাৰৰ যুজত আমাৰ ক্ষতিৰ পৰিমাণ কিমান হব বুলি ভাবে?

লাচিত—আমাৰ বিশেষ ক্ষতি একো হোৱা নাই। মোগলৰ কিন্তু বিস্তৰ হানি হৈছে। সিহঁতৰ ভালেখিনি হিলৈ, খাৰ-বাৰুদ আৰু আন আন যুজৰ সঁজুলি আমাৰ হাতলৈ আহিছে। অলেখ যুজাৰু যুজত নিহত হৈছে। ফৌজদাৰ ফিৰোজ খান আৰু চৈয়দ চানা আমাৰ হাতত বন্দী হৈছে।

(সন্দিকৈ ফুকন, ফিৰোজ, চৈয়দ চানা আৰু দুটা চিপাহীৰ প্ৰবেশ)

ফৌজদাৰ ফিৰোজ খান! ৰাজমন্ত্ৰী ডাঙৰীয়াৰ আগত আঠু লৈ সেৱা জনাব লাগে।

ফিৰোজ—আমাৰ দেশত আঠু লোৱা দস্তুৰ নাই বৰফুকন।

লাচিত—এইখন অসম দেশ! পাটচাৰ মুলুক নহয়।

চানা—আমি বাদচাৰ একোজন ওমৰাহ, কোনো সৰু মানুহ নহওঁ। আমি আমাৰ দেশৰ দস্তুৰ মানি চলিম।

লাচিত—অসম দেশত আছা যেতিয়া আমাৰ দেশ-দস্তুৰ মানি চলিব লাগিব।

ফিৰোজ—মোগলৰ ওমৰাই বাদচাৰ বাহিৰে কাৰো কথা মানি নচলে।

আতন—মনে মনে থাকা। বৰ গপ্‌গপাই কথাবোৰ কৈছা দেখোন? তোমাৰ পাটচাৰ মুলুকৰ মকৰা বিস্তা ইয়াত

জাহিৰ কৰিবৰ কোনো আৱশ্যক নকৰে। কাৰ আগত এনেকৈ কথা কৈছা জানিছানে?

ফিৰোজ—জানো,—আমি এনে মানুহৰ আগত কথা কৈছোঁ যি দেশৰ মানুহে জবানৰ কোনো ঠিক নাৰাখে।

চানা—অসম ৰজাই বেইমানি কৰি ঘিলাধাৰি ঘাটৰ চুক্তি বাতিল কৰিছে।

লাচিত—দাম্ভিক মোগল পাটচাৰ মইমতালিয়ে অসম ৰজাক তেনে পন্থা লবলৈ বাধ্য কৰাইছে।

ফিৰোজ—এই কথা বাদচাৰ কাণত পৰিলে তাৰ নতিজা কি হব পাৰে ভাবি চাইছানে?

লাচিত—অসম ৰজালৈ পঠিওৱা পাগীয়া তোমাৰ পাটচাৰক পিন্ধাই বান্দৰ নচুৱাদি নচুৱাম।

চানা—খবৰদাৰ লাচিত বৰফুকন! আমাৰ আগত বাদচাক লৈ কোনো তামাচা নকৰিবা।

লাচিত—আৰু অসম ৰজা হবলা তোমালোকৰ খেল কৰা মাটিৰ পুতলা!

ফিৰোজ—দিল্লীৰ বাদচাহ আৰু অসম ৰজাৰ ভিতৰত আসমান জমিন তফাত।

চানা—দিল্লীৰ বাদচাহ সাৰা হিন্দুস্থানৰ শ্বা হান-শ্বাহ আৰু অসম ৰজা হৈছে তেওঁৰ এটা মামুলি কৰতলীয়া ৰজা।

লাচিত—চৈয়দ চানা!

আতন—বৰফুকন ডাঙৰীয়া। এই মহামেলেচহঁতক সৰ্গদেউ অহাৰ আগতেই ইয়াৰ পৰা নিলগ কৰক।

লাচিত—সন্দিকৈ ফুকন! ইহঁতক বখাৰ এনে ব্যৱস্থা কৰা যেন বেলিৰ পোহৰো সোমাব নোৱাৰে,—বতাহ খাই জীয়াই থাকিবলৈকো ক'তো এটিও ছিদ্ৰ নেথাকে। যোৱা—

(ফিৰোজ, চৈয়দ চানাক' লৈ চিপাহী আৰু সন্দিকৈ ফুকনৰ প্ৰস্থান। আন পিনৰ পৰা ৰজাৰ প্ৰবেশ। লাচিত, বুঢ়াগোহাঁই দুয়ো ৰজাৰ আগত আঠু লয়। ৰজাই লাচিতক আকোঁৱালি ধৰে)

চক্ৰ—লাচিত! ৰজা হৈ মূৰ দোঁৱাই থাকিব লগীয়াত পৰিছিলোঁ, তোমাৰ যহতে আজি মূৰ তুলি কথা কব পৰা হলোঁ; হেৰোৱা ৰাজ্য পুনৰ উদ্ধাৰ কৰিলোঁ। অসমৰ ৰাজপাটত উঠিছিলোঁ, কিন্তু মনত অকণো শান্তি—পেটত এধানিও ভোক নাছিল। আজি মই মনত শান্তি পাইছোঁ, পেটত ভোক অনুভৱ কৰিছোঁ। আজিহে এগৰাহ মনৰ হেঁপাহ পলুৱাই খাব পাৰিম।

লাচিত—অধীনে সৰ্গদেউৰ আদেশ মাথো পালন কৰিছোঁ।

আতন—যুজৰ আৰম্ভণিহে হৈছে মাথোঁ সৰ্গদেউ। এতিয়া আমি হাত সাৰটি বহি থাকিলে নচলিব। আহোম ৰজাৰ হাতত এই পৰাজয়ে দাম্ভিক পাটচাৰক বলিয়া কৰি তুলিব। নিজৰ গৌৰৱ ৰক্ষা কৰিবৰ কাৰণে পাটচাৰ সকলো শক্তি অসমীয়াৰ ওপৰত প্ৰয়োগ কৰিব।

চক্ৰ—একুৰি বছৰ বয়সৰ পৰা দুকুৰি বছৰ বয়সলৈকে বামুণ আৰু মহন্তৰ বাহিৰে যত পুৰুষ মানুহ আছে সেই সকলো বোৰৰে লেখ লৈ তাৰে ভিতৰত সুস্থ আৰু বলী চাই চাই সেইবোৰক হিলৈ, কাড়, যাঠি, দা আদিৰে ভালকৈ যুজ কৰিবলৈ

শিকাৰ লাগিব—যাতে আৱশ্যক হলেই আমি জাকে জাকে বণুৱা পঠাব পাৰোঁ। খেলে খেলে কমাৰক টানি আজ্ঞা শুনাই দিয়া হওক যে সম্প্ৰতি সিহঁতে হিলৈ বৰটোপ আদি যুজৰ অস্ত্ৰ গঢ়াৰ বাহিৰে যেন আন একো কাম নকৰে। কাঁৰীবোৰৰ ল'ৰা-তিৰোতাবোৰেও যেন দিনে ৰাতিয়ে ধেনু কাঁড় চোঁচে।

আতন—সৰ্গদেউৰ আদেশ মতে সকলো কৰা হব।

চক্ৰ—ঢোল পিটি ৰাইজক শুনাই দিয়া হওক, কামৰূপ পুনৰ আমাৰ উদ্ধাৰ কৰা হৈছে। সেইবাবে সকলোৱে যেন আনন্দ উৎসৱ কৰে। এই মাহৰ ভিতৰতে বিখোৱন মহোৎসৱ পাতিবলৈ দেওধাই, মোহন আৰু বাইলুং সকলক আজ্ঞা দিয়া হওক।

আতন—সৰ্গদেউৰ আদেশ এতিয়াই ৰাইজক জনোৱা হব।

চক্ৰ—লাচিত! কামৰূপ শাসনৰ ভাৰ তোমাৰ হাতত গতালোঁ। এই অঞ্চলৰ শাসনৰ সুবন্দবস্তৰ দিহা কৰিবা। আৰু ভৱিষ্যতে মোগলক ভেটা দিবলৈ কোন খিনি ঠাইত কোঠ বহুৱালে সুবিধা হব ভাবি চাইছানে?

লাচিত—ভাবিছোঁ সৰ্গদেউ। সকলো ঠাই পৰীক্ষা কৰি চাই, মোগলক বাট ভেটিবলৈ গুৱাহাটীৰ দৰে আৰু সুবিধা ঠাই নেপালোঁ।

আতন—কিয়, চামধৰাত কোঁঠ বহুৱালে কেনে হব?

লাচিত—পোনতে চামধৰাৰ কথা ময়ো ভাবিছিলোঁ; কিন্তু পিচত দিহিঙীয়া ফুকন আৰু মিৰি সন্দিকৈ ফুকনৰ সতে পৰামৰ্শ

কৰি গুৱাহাটীয়েই আমাৰ সকলো পিনৰ পৰা সুবিধাজনক ঠাই হব বুলি মনতে ঠিৰাং কৰিলোঁ। কিয়নো গুৱাহাটীৰ পৰা আমাৰ ৰণুৱাবোৰে বহাত থাকি যুজ কৰা যেন পাব।

আতন—সৰ্গদেউ! বৰফুকন ডাঙৰীয়াৰ কথা মতেই সকলো কাম হোৱাটো বাঞ্ছনীয়।

চক্ৰ—লাচিত, তোমাৰ হাতত মই সম্পূৰ্ণ ক্ষমতা দিলোঁ। তুমি যি ভাল দেখা সেই মতেই সকলো কাম কৰা। কোনো ডা-ডাঙৰীয়াই তোমাৰ কামত হকাবধা কৰিব নোৱাৰিব।

আতন—আমাৰ ৰণুৱাবোৰক সমানে দুভাগ কৰি লুইতৰ উত্তৰ ফালে শৰাইঘাটৰ পৰা কুকুৰা পাহাৰলৈকে আৰু দক্ষিণ পাৰে ইটাখুলিৰ পৰা অসুৰৰ আলিলৈকে সুবিধা বুজি এক্যে একোজন নিপুণ বৰুৱা, ফুকনৰ ওপৰত যদি ভাৰ দিয়া হয়, তেনেহলে বোধকৰো সুবিধা হব।

লাচিত—লুইতৰ উত্তৰ ফালে যি গড় আছিল তাক ভালকৈ মেৰামত কৰি দৃঢ় কৰা হৈছে। গড়ৰ ঠায়ে ঠায়ে সেনাপতি বিলাকৰ কোঁঠ বহুৱা হৈছে। আৰু ৰীতিমতে যুজাৰু আদি দি প্ৰতি বাৰবেঁওৰে বাৰবেঁওৰে একোটা বৰহিলৈ বহুৱা হৈছে। কামায়ণ, টোৱা, জুমুৰ, গঠিয়া-জুমুৰ, কেচাই, পাহলঙি, পাথৰ কলাই য'ত যি লাগে দি ৰণুৱা বিলাকক সাজু কৰি থোৱা হৈছে। লুইতৰ পানীত যুজিবলৈকো যথেষ্ট পৰিমাণে নাও আৰু যুজাৰু ৰখা হৈছে।

চক্ৰ—ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে থকা ৰণুৱাবিলাকৰ ভাৰ আপুনি লব

লাগিব বুঢ়াগোহাঁই ডাঙৰীয়া; আৰু দক্ষিণে বৰফুকন নিজেই থাকিব।

লাচিত—অতি উত্তম যুক্তি হৈছে সৰ্গদেউ। উত্তৰে লঠিয়াত কোঁঠ মাৰি ৰাজমন্ত্ৰী ডাঙৰীয়াই মোগলক ভেটিব আৰু দক্ষিণে ইটাখুলিৰ পৰা মই সিহঁতৰ ওপৰত আক্ৰমণ চলাম। সিহঁতে কেনিও বাট নোপোৱা হব। মাজতে ব্ৰহ্মপুত্ৰ নৈ থাকিব। যদি নাৱেৰে উজাবলৈ চেষ্টা কৰে তেনেহলে নৌ-যুদ্ধত পাৰ্গত অসমীয়া ৰণুৱাৰ হাতত সিহঁতৰ কেঁৰে প্ৰাণ লৈ পলাব নোৱাৰিব।

চক্ৰ—সেয়ে হওক লাচিত। ভগৱতীয়ে তোমাক জয়যুক্ত কৰোক। মোৰ আৰু কোনো চিন্তা নাই, কোনো ভয় নাই। জয় আমাৰ হবই। এফালে থাকিল অচল অটল, বুধিৰ সাগৰ আতন বুঢ়াগোহাঁই আৰু আনফালে প্ৰতিহিংসাৰ জিভা মেলি বাঘৰ পোৱালী, বঙালৰ বৈৰী লাচিত বৰফুকন। তোমালোকৰ বাউসি তলত আগুৱাই যক হেজাৰে হেজাৰে সুস্থ সৱল অসমীয়া ডেকা—মৰণকো তুচ্ছ কৰি, বানপানীৰ ধলৰ দৰে হিল-দল ভাঙি, বিদেশী বঙালৰ ওপৰত জাকে জাকে জপিয়াই পৰি শতুৰুক মহতিয়াই পেলাওক—দেশ মোৰ স্বাধীন হওক—নদন বদন সোণৰ অসমে পুনৰ ঠন ধৰি উঠক।

(ৰাজমাওৰ প্ৰবেশ। লাচিতে আঠু লয়)

ৰাজমাও—গোঁসানীয়ে চুলিৰ আগৰ সমান পৰমায়ু দিয়ক। ব'লা বোপাদেউ, তিনিও একেলগে ৰং মনে সাজ খাবা।

(সকলোৰে প্ৰস্থান)

(সোণপাহীয়ে বিহু গাই গাই আছে। গীত শেষ হোৱাৰ লগে লগে নিতাইৰ প্ৰবেশ)

নিতাই—ই—আমাৰ সোণপাহী বচকীৰ গাত বিহু লাগিলেই। বোলো হে বাংঢালি, বিহু অথোন গাবৰ নৌ।

সোণ—কেলেই বা নেগাম? সৰ্গদেউ ঈশ্বৰৰ আদেশ। যুদ্ধত আমাৰ জয় হৈছে।

নিতাই—এ—জুই এতিয়া বাককৈহে লাগিব।

সোণ—তোমাৰ কথাত কেনা লাগিছে।

নিতাই—জানোঁ! তই বা কোনপিনে পোনাইছ। কথাতে কয় বোলে—পানীৰ চৰখৰীয়া বুজিব পাৰি, মাতৰ চৰখৰীয়া বুজিব নোৱাৰি। এৰা—

সোণ—জুয়ো লাগিল, সিফালে মেজিও পুৰি আঙঠা হ'ল।

নিতাই—হেৰ' মেজিৰ জুই নহয়, তুহ জুই। উমাই উমাই লাগিৰ—বুইছ। আঙঠা নেদেখ। ধোৱাঁ—চাৰিউপিনে মাথোঁ ধোৱাঁহে দেখিবি।

সোণ—হোৱাই নোহোৱাই এইখন কি লপলপাব ধৰিছা?

নিতাই—কি! তোৰ ইমানটো কেৰামতালি! মোক ছাগলী পাতিলি।

সোণ—মোকনো সিদিনাখন কিয় লপলপাই থকা বুলি কৈছিলা?

নিতাই—অ'—তই হবলা তাৰে হোৰ তুলিলি।

সোণ—ওঁ—হোৰ তুলিলোঁ।

নিতাই—পিচে বুইছ, তই বুলিহে আজি অমুকাৰ হাতৰ পৰা সাৰি গলি। আন এজনে এনে বাইক মুখত অনা হলে, এ—

তেহেলে গোসাঁয়ে হওক, চাবি মহন্তেই হওক, ধপাধপ বাঘ ঢকা এৰি পঠিয়ালোঁ হেতেন—যেনিবা পিঠিত ঐ হে পৰিছে।

সোণ—ৰাম ৰাম! গুৰু-গোঁসাইৰ নামে এনে বাইক মুখত আনিব নেপায়। পাপে ছুব।

নিতাই—হয়নে?

সোণ—নহয়নো কি?

নিতাই—এৰা, কথাষাৰ মিছা নহয়। কটা চৰখোৱা জীৱ নহয়, মুখৰ একো লাগবান্ধ নাই। পিচে এটা কথা সোণপাহী—

সোণ—জানো কাৰ বুঢ়ী গাইজনী খালত পৰিল।

নিতাই—তোৰ এই ঠেট্টা বিদ্ৰূপখন এৰচোন! তলে তলে কথা গৈ কোনোবাখিনি পাইছেগৈ।

সোণ—লুইতৰ বুকুত জাহ গ'ল নেকি?

নিতাই—আমাৰ সৰ্গদেউ ঈশ্বৰ, বুঢ়াগোহাঁই দেউতা আৰু বৰফুকন দেউতাই গুপুতে মেল কৰি থকা মই শুনি আছিলোঁ—বুইছ।

সোণ—হৰি হৰি! বুঢ়া মানুহটো হৈ ইমান মিছা মাতিছে। তুমিনো বাৰু সৰ্গদেউ ঈশ্বৰ সকলৰ গুপুত মেল শুনিবা কেনেকৈ? তোমাৰ কি সাইধ আছে? দেশখন দেখিছোঁ তললৈ গ'ল। ধৰ্মৰ মাত তেনেই তল পৰিল।

নিতাই—তোৰ মুৰটোকে খাওঁ সোণপাহী। মই নিজ কাণে শুনিছোঁ। বঙালৰ সতে আকৌ এখন যুজ লাগিব।

সোণ—ভালেই হ'ল। বঙালৰ ডিঙি কাটিবলৈ হেংদান এতিয়াৰে পৰা ধৰাই ৰাখা।

নিতাই—ধৰাই ৰখাৰ কথা কৈছহেনে। কিবা বোলেনো আমাৰ গীতা ভাগৱতত তেৰা সকলে লিখি গৈছে নহয়—

কই বোলে কলিযুগে কল্‌কি অৱতাৰ।
কাটি মাৰি মেলেচক কৰহ বুন্দামাৰ॥

বঙালক এইবাৰ গুৱাহাটীৰ গড়ালত সুমুৱাই লব পাৰিলে পলৰ মাছ পচাৰে খুচি মৰাদি সোপাকে একেলগে সাঙুৰি এফালৰ পৰা দাই যাম বাপেকে।

(আগে আগে সোণপাহী ল'ৰি যায়, পিচে পিচে নিতাই)

—বঙালক মাৰি খাস্তাং কৰি পেলাম বাপেকে।

—পট—

দ্বিতীয় দৃশ্য

—ৰঙামাটিৰ কোঠ—

[জয়ানন্দ আৰু মদনাৱতীৰ প্ৰৱেশ]

জয়া—এই ঠাই ডোখৰকে ৰঙামাটি বোলে। সেই যে পতাকা তুখন উৰি থকা দেখিছা—সেইয়া হৈছে ৰামসিংহ আৰু ৰছিদখাঁৰ তামিঘৰা।

মদনা—অম্বৰৰ ৰজা ৰামসিংহ ?

জয়া—ৰামসিংহৰ নাম শুনি ভয় খাইছা ?

মদনা—ৰামসিংহৰ বীৰত্বৰ কথা কোনে নেজানে ?

জয়া—লাচিত বৰফুকনকো তুমি নিজ চকুৰে দেখিছা। তুমি আজি ৰামসিংহৰ সতে দেখা কৰিব লাগিব।

(মদনাৱতী নিমাত)

মদনা—একো ফল নহব।

জয়া—তোমাক লৈ দেখিছোঁ এইবাৰ কোনো কাম নহব।

মদনা—ৰাজপুতে কেতিয়াও বিশ্বাসঘাতকতা নকৰে।

জয়া—তাৰ উপায় বিচাৰি উলিয়াব লাগিব।

মদনা—ৰামসিংহই কোনো তিৰোতাকে বিশ্বাস নকৰে।

জয়া—তেওঁৰ গীত-নাচত ৰাপ আছেনে নাই ?

মদনা—ৰণক্ষেত্ৰত যুজৰ বাহিৰে তেওঁ কোনো কথাই চিন্তা নকৰে।

(জয়ানন্দই চিন্তা কৰি)

জয়া—বাৰু মদনাৱতী, তুমি এটা কাম কৰা। তুমি তোমাৰ বংশৰ চিনাকি দি ৰামসিংহক লাহে লাহে মোগলৰ বিপক্ষে বিদ্ৰোহী কৰি তুলিবলৈ চেষ্টা কৰাঁ আৰু মই ৰচিদ খাঁক আন উপায়ে ৰামসিংহৰ লগত কাজিয়া লগাবলৈ চেলু বিচাৰোঁ।

মদনা—জানিব পাৰিলে কিন্তু আমাৰ মূৰ নেথাকে।

জয়া—মৰণলৈ ভয় কৰি পিছুৱাই থাকিলে উদ্দেশ্য সিদ্ধি নহয় মদনাৱতী!

(দুয়োৰো প্ৰস্থান)

(ৰামসিংহ আৰু মীৰ নৱাবৰ প্ৰবেশ)

ৰামসিংহ—নৱাব মিৰজুম্‌লাৰ দৰে ময়ো বিনা যুদ্ধে অসমদেশ জয় কৰিলোঁ। অসমীয়া জাতি এনে ভীৰু, কাপুৰুষ বুলি মই কেতিয়াও ভবা নাছিলোঁ।

মীৰ নৱাব—মোগলৰ শক্তিৰ কথা অসম ৰজাই কল্পনাও কৰিব নোৱাৰিছিল।

ৰামসিংহ—সুদূৰ হিন্দুস্থানৰ পৰা আহি এটা বন্দুক কামানৰো শব্দ শুনিবলৈ নাপালোঁ।

মীৰ নৱাব—সঁচাকৈয়ে বৰ আপচোচৰ কথা।

ৰামসিংহ—অসমদেশৰ বীৰত্বৰ কথা দিল্লীত বহুত শুনিবলৈ পাইছিলোঁ। অসমীয়া সেনাপতিৰ লগত ৰামসিংহৰ শক্তি পৰীক্ষা কৰিবলৈ বৰ হেঁপাহ কৰিছিলোঁ; কিন্তু অসমলৈ আহি যি দেখিলোঁ সকলো মিছা। যি শুনিছিলোঁ সকলো-বোৰ সাধুকথা মাথোঁ।

মীৰ নৱাব—শুনিছোঁ অসমদেশৰ মানুহে বহুত যাদু জানে। যাদু কৰি সিহঁতে মানুহক ভেৰা বনাই দিয়ে।

ৰামসিংহ—ভেৰা বনাব ৰামসিংহক—হাঃ হাঃ হাঃ! ৰামসিংহক দেখি অসমীয়াই যাদু পাহৰি পেলালে। ৰাজপুত বীৰ ৰামসিংহৰ ভয়ত অসমীয়া ৰজা-প্ৰজা সকলো ভেৰা হৈ পলাবলৈ ধৰিলে।

মীৰ নৱাব—দুষ্‌মনক বিশ্বাস কৰা টান অম্বৰাধিপতি। সিহঁতৰ হয়তো কিবা মতলব আছে।

ৰামসিংহ—মতলব আৰু কি থাকিব পাৰে মীৰ নৱাব। আমি আহি একেবাৰে ব্ৰহ্মপুত্ৰৰ ওচৰ পালোঁহি। আমাৰ বাট তেনেই মুকলি হৈ পৰিল।

মীৰ নৱাব—যুদ্ধ কৰা নহল যেতিয়া বাঘ-ভালুককে চিকাৰ কৰা যাব।

ৰামসিংহ—ঠিক কৈছা। অসমত বীৰৰ অভাৱ হলেও বনৰীয়া জন্তুৰ অভাৱ নাই। কিছুমান বাঘ-ভালুককে বধ কৰি বাদচাৰ অলপ খাৰ-বাৰুদ নষ্ট কৰিব লাগিব। বাৰু মীৰ নৱাব, তুমি যোৱা, আমাৰ সৈন্যবোৰ থকা-মেলাৰ ব্যৱস্থা কৰাগৈ।

(মীৰ নৱাবৰ প্ৰস্থান। পণ্ডিতৰাওৰ প্ৰৱেশ)

ৰাম—পণ্ডিতৰাও!

পণ্ডিতৰাও—আদেশ কৰক অম্বৰাধিপতি।

ৰাম—তুমি অসমীয়া সেনাপতি লাচিত বৰফুকনৰ ওচৰলৈ যোৱা। তেওঁক কবা—অতি শীঘ্ৰে যেন তেওঁলোকে গুৱাহাটী মোৰ হাতত সমৰ্পণ কৰে। ইয়াৰ পূৰ্ব্বে আলিয়াৰ খাঁ আৰু মোমাই তামুলী বৰবৰুৱাৰ ভিতৰত যি সন্ধি হৈছিল, সেই সন্ধিমতে অসুৰৰ আলি আৰু বৰনদীকে অসম ৰাজ্য আৰু মুছলমান ৰাজ্যৰ সীমা বন্ধা হৈছিল। সেই সন্ধিমতে গুৱাহাটী আমাৰ বাদচাৰ অধীনত, আৰু কবা—মোগল বাদচাৰ সেনাপতিয়ে দিল্লীৰ পৰা ইমান দূৰলৈ যুদ্ধ কৰিবলৈ আহি এনেয়ে উভতি যাবলগীয়া হোৱাত মনত বৰ বেজাৰ পাইছে। বেছি নহলেও অন্ততঃ দুইঘড়ী মানৰ কাৰণেও যাতে—অসমীয়া সেনাপতিয়ে যুদ্ধ কৰে। যদি তেওঁলোকৰ বন্দুক, কামান, তীৰ-ধনু আদিৰ অভাব হৈছে, তেনেহলে বাদচাৰ ওচৰত ভিক্ষা কৰিলে বাদচাহে নিশ্চয় তেওঁলোকক যুদ্ধৰ সঁজুলি-পাতি দি সহায় কৰিব। আৰু এইটোও বুজাই দিবা যে—অসমীয়া জাতি হিন্দুস্থানৰ একোণে চুক এটাৰ

গাঁতত সোমাই আছে। সেই কাৰণে তেওঁলোকে বাদচাৰ শৌৰ্য্য-বীৰ্য্য ক্ষমতাৰ একো ভুকে নাপায়। বাদচাহে মোক অসমীয়া জাতিক গাঁতৰপৰা উলিয়াই সভ্যতাৰ অলপ পোহৰ দেখুৱাবলৈ পঠিয়াই দিছে।

পণ্ডিত—অম্বৰৰাজৰ আদেশ শিৰোধাৰ্য্য।

(প্ৰস্থান—আন পিনৰপৰা মদনাৱতীৰ প্ৰবেশ)

মদনা—অম্বৰাধিপতিয়ে দাসীৰ সেৱা গ্ৰহণ কৰিব।

ৰাম—কোন তুমি ?

মদনা—মোৰ নাম মদনাৱতী, ৰাজপুতৰ জীয়াৰী।

ৰাম—ৰাজপুত জীয়াৰী ?

মদনা—হয় অম্বৰাধিপতি।

ৰাম—ৰাজপুত জীয়াৰী হৈ অসমদেশ পালাহি কেনেকৈ ?

মদনা—অম্বৰাধিপতিয়ে যেনেকৈ অসমদেশ ওলাইছেহি।

(ৰামসিংহই মদনাৱতীলৈ সন্দেহৰ চকুৰে চায়)

কি ভাবিছে অম্বৰাধিপতি ?

ৰাম—অসমীয়াৰ ৰণ-কৌশলৰ কথা।

মদনা—অসমীয়াৰ ৰণ-কৌশল ?

ৰাম—এৰা। অসমীয়া তিৰোতাইও যে শত্ৰুৰ শিবিৰত ভেশচন কৰি ঘূৰি ফুৰে সেই কথা মই আগেয়েই শুনিছিলোঁ।

মদনা—অম্বৰাধিপতিয়ে ভুল শুনিছিল।

ৰাম—অৱশ্যে ভুল হব পাৰে, কিন্তু—তুমি মদনাৱতী নাম লৈ যেনেকৈ ৰাজপুত জীয়াৰী সাজিছা—পিন্ধন উৰণো ঠিক ৰাজপুতৰ দৰেই নিখুঁত হৈছে।

মদনা—অম্বৰাধিপতি নামে আৰু কামে সমূলি মিল খোৱা নাই।

ৰাম—ৰাজপুত বীৰ ৰামসিংহক নজনা ভাৰতত এনে কোন মূৰ্খ আছে কব পাৰানে ?

মদনা—ৰজা ৰামসিংহৰ শক্তিয়ে ৰাজপুতৰ গৌৰৱ বঢ়াব পৰা নাই, টুটাইছেহে।

ৰাম—এই কথা আজি প্ৰথম শুনিলোঁ।

মদনা—এই কথা সকলোৰে মুখে মুখে। কোনেও আপোনাৰ মুখৰ আগত কবলৈ সাহ নকৰে।

ৰাম—আৰু তোমাক ৰামসিংহৰ মুখৰ আগত এনেকৈ কবলৈ কোনে সাহ দিলে ?

মদনা—যি দেখিছোঁ, তাকে কৈছোঁ অম্বৰাধিপতি।

ৰাম—মদনাৱতী! মোৰ এটি ইঙ্গিতত এই মুহূৰ্ত্ততে তোমাৰ মূৰ দেহাৰপৰা মাটিত উফৰি পৰিলেহেঁতেন। কিন্তু তুমি এজনী সামান্যা তিৰোতা। তিৰোতা জাতিক ৰামসিংহই শ্ৰদ্ধা আৰু ভক্তি কৰে।

মদনা—সেইখিনি বাকী এৰিব লাগিছে কেলেই অম্বৰাধিপতি ? আপোনাৰ সেই তৰোৱালেৰে কত সহস্ৰ বীৰৰ মূৰ কাটি তেজেৰে ৰাঙলী কৰিছে, আপোনাৰ সেই তৰোৱালেৰে কত স্বাধীন শক্তিক মোগলৰ দাসত্ব মানিবলৈ বাধ্য কৰাইছে— বাকী আছে মাথোঁ তিৰোতাৰ ওপৰত আপোনাৰ সেই তীক্ষ্ণ তৰোৱালৰ শক্তি পৰীক্ষা কৰিবলৈ। সেইখিনিও শেষ কৰি সকলো কাম সম্পূৰ্ণ কৰি পেলাওক ৰজা ৰামসিংহ।

তেতিয়াহলে পুৰুষৰ লগে লগে তিৰোতা জাতিয়েও আপোনাৰ শক্তিৰ ওচৰত মূৰ দোঁৱাব।

ৰাম—বৃথা চেষ্টা নকৰিবা মদনাৱতী। তুমি জানা, ৰাজপুতে কেতিয়াও বিশ্বাসঘাতকতা নকৰে। এবাৰ প্ৰতিজ্ঞা কৰিলে জীৱন দি হলেও তাক ৰক্ষা কৰে।

মদনা—ৰাজপুত বীৰে কেতিয়াও কাৰো গোলামিও নকৰে।

(ৰামসিংহ উত্তেজিত হৈ পৰে)

ৰাম—মদনাৱতী !

মদনা—সঁচা কোৱাত যদি কিবা অপৰাধ হৈছে দাসীক ক্ষমা কৰিব।

ৰাম—তোমাৰ উদ্দেশ্য কি ?

মদনা—ৰাজপুত বীৰ ৰজা ৰামসিংহক ভুল শুধৰাই দিয়া।

ৰাম—মই জানো, অসমীয়া সেনাপতি লাচিত বৰফুকনে তোমাক মোৰ ওচৰলৈ পঠিয়াইছে। চোৰৰ দৰে নিশা আক্ৰমণ কৰি গুৱাহাটী জয় কৰি এতিয়া আকৌ পুনৰ এনে নীচ উপায় অৱলম্বন কৰিছে। মই তাক বন্দী কৰিম, ভীষণ শাস্তি দিম।

মদনা—আপোনাৰ মনৰ ভুল ধাৰণা আঁতৰ কৰক অম্বৰাধিপতি। লাচিত বৰফুকনে ইমান সহজে মোগলৰ দাসত্ব স্বীকাৰ নকৰে।

(মদনাৱতীৰ প্ৰস্থান। ৰামসিংহই অবাব লাগি মদনাৱতী যোৱাৰ পিনে চাই থাকে।)

ৰাম—মীৰ নবাব ! ৰচিদ খা—

(বুলি চিঞৰি বেগেৰে আন পিনে প্ৰস্থান। গীত গাই গাই মুক্তাকাৰ প্ৰবেশ।)

মুস্তাফা—কলৈনো গলি অ' মুস্তাফী

মুস্তাফাৰ দিল দিৱানা কৰি।

দিনে ৰাতি মই পিউ ছিৰাজী

তোৰ খুবচুৰত মুখখনি ভাবি

প্ৰাণ জুৰুৱা সেই হাঁহিটি

দিল ফাটি যায় মনত পৰি॥

(মদনাৱতীৰ প্ৰবেশ)

মদনা—মুস্তাফা, মুস্তাফা—

(মুস্তাফীক দেখি আচৰিত হৈ চিঞৰি উঠে)

মুস্তাফা—অ'—মোৰ দিলজান মুস্তাফী দেখোন!

মদনা—তই মোৰ কথা পাহৰিয়েই গৈছিলি নহয়।

মুস্তাফা—ইয়া-আল্লা! কি কম মুস্তাফী, ইমান দিনে মোৰ দিল চট্-ফট্ চট্-ফট্ কৰি আছিল।

মদনা—তই ক'ত আছ মুস্তাফা?

মুস্তাফা—আমাৰ যে আগৰ ফৌজদাৰ আছিল—ৰচিদ খাঁ।

মদনা—তই বৰ আৰামত আছ নহয়?

(মুস্তাফাই এটা দীঘলীয়া হুমুনিয়াহ পেলায়)

মুস্তাফা—আৰাম! মইহে জানো কেনেকৈ দিন কটাইছোঁ। পিচে তুমিনো ক'ত আছিলা দিলজান?

মদনা—ক'ত আৰু থাকিম! মুস্তাফা, মুস্তাফা বুলি চিঞৰি ফুৰিছোঁ।

মুস্তাফা—আই ঐ, মোৰ দিলজান নে কোন ঐ।

মদনা—ৰচিদ খাঁ মানুহজন কেনে অ'?

মুস্তাফা—দিলদৰিয়া মানুহ। বেছ ছিৰাজী খাই অনবৰত মচগুল হৈ থাকে। পাচে ৰামসিংহ নে কি—তাৰ লগত হলে বৰ তুৰ্মন।

মদনা—কিয় ?

মুস্তাফা—এ—এওঁ বোলে মইহে ডাঙৰ—ৰামসিংহই বোলে মইহে ডাঙৰ, বৰ লোকৰ কথা নাজানানে দিলজান ?

মদনা—নাচ-গান ভাল পায়নে নেপায় ?

মুস্তাফা—এ কৈছাহেনে! তোমাক পালে দিলজান। হেঃ .....

মদনা—ই তই মিছাই কৈছ।

মুস্তাফা—মিছাই কৈছোঁ। কিন্তু, ছুচিয়াৰ মানুহজনৰ স্বভাৱ ভাল নহয় এক।

মদনা—তই থাকিলে মোৰ কিহৰ ভয় ?

মুস্তাফা—আকৌ এবাৰ কোৱাচোন মুস্তাফী!

মদনা—তই মোক ঠাট্টা কৰিছ।

মুস্তাফা—সেইয়া, কথা নুবুজিলে মোৰ খং উঠে।

মদনা—তই মোক খং কৰিছ।

(মিছাই চকুলো টোকে)

মুস্তাফা—তুমি কান্দিছা মুস্তাফী! তেনেহলে ময়ো কান্দোঁ।

মদনা—তই মোক আজি-কালি বেয়া পাৱ।

মুস্তাফা—এনে কথা কলে মই আকৌ কান্দিম।

মদনা—বাৰু নকওঁদে।

মুস্তাফা—বাৰু তেনেহলে ময়ো আৰু নেকান্দো। পিচে দিলজান, এইবাৰ কিন্তু আমাৰ নিকা হৈ যাব লাগিব।

(মদনাৱতীয়ে জয়ানন্দক আঁতৰতে দেখা পায়)

মদনা—সৌৱা—কোনোবা এইপিনে আহিছে। তোৰ ঘৰলৈ যাওঁ ব'ল।

মুস্তাফা—ব'লা। মোৰ পিঠিতে উঠা মুস্তাফী।

মদনা—নেলাগে ব'ল।

মুস্তাফা—উঠা উঠা দিলজান। লাজ নকৰিবা।

মদনা—মই খোজ কাঢ়ি যাম।

(দুয়োৰো প্ৰস্থান। আন পিনৰপৰা জয়ানন্দ আৰু ৰচিদ খাঁৰ প্ৰৱেশ)

ৰচিদ খাঁ—তোমাৰ নাম কি?

জয়া—জয়ানন্দ।

ৰচিদ খাঁ—তুমি অসমীয়া।

জয়া—হয় জাহাপনা।

ৰচিদ—তুমি মোক চিনি পালা কেনেকৈ?

জয়া—কিয়, জাহাপনা জানো ফিৰোজ খাঁৰ আগতে গুৱাহাটীৰ ফৌজদাৰ নাছিল?

ৰচিদ—ওঁ, আছিলোঁ।

জয়া—এই গোলামেই দেখোন জাহাপনাৰ সকলো আলপৈচান ধৰিছিলোঁ। এৰা, পাহৰিবৰ কথাই। গোটেই পৃথিবীখনৰ কথা ভাবিব লাগে। আমাৰ লেখীয়া বাটৰ ভিকহুৰ কথা কেনেকৈ মনত থাকিব?

ৰচিদ—অসমীয়া জাতি বিশ্বাসঘাতক। তোমালোকক বিশ্বাস কৰা টান।

জয়া—দেখিছেনে জাহাপনা! আজি আমাৰ এই অতপালি ৰজাৰ

বাবে গোটেই অসমীয়া জাতিয়েই আপোনালোকৰ মনত বেয়া হ'ল নহয়। হবৰ কথাও। মই হলে জাহাপনা— লাগে আপোনালোকৰ বন্দী হৈয়েই থাকিম, তথাপি এই অত্যাচাৰী নিলাজ ৰজাৰ দেশলৈ আৰু নেযাওঁ। মানুহে সুধিলে অসমীয়া বুলিও চিনাকি নিদিওঁ।

ৰচিদ—তোমালোকৰ ৰজা বৰ অত্যাচাৰী নেকি ?

জয়া—কৈছেহেনে জাহাপনা! প্ৰজাৰ মনত এফেৰিমানো যদি শান্তি থাকিলহেঁতেন। অসম ৰজাৰ চকু কঢ়া, ঘিলা কঢ়া আৰু পিণ্ডত দিয়া অত্যাচাৰৰপৰা অসমীয়া প্ৰজাই বেহাই বিচাৰিছে। দেশখন কেতিয়া আপোনালোকৰ হাতলৈ যায়—তাকে সকলোৱে ঈশ্বৰক দিনে-ৰাতিয়ে খাটিব ধৰিছে।

ৰচিদ—অসমীয়া প্ৰজাই তেনেহলে বাদচাক খুব ভাল পায় ?

জয়া—কি কম জাহাপনা! এনে দয়ালু পাটচাৰ তলত থকা হলে অসমীয়া প্ৰজাৰ আজি এনুৰা বিলৈ হবলৈ পায়নে ? অসম ৰজাই মানুহবোৰক জোৰ কৰি যুজলৈ পঠিয়াইছে! সুবিধা পালেই সকলোৱে আপোনালোকৰ ফলীয়া হব।

ৰচিদ—বাৰু, মই বাদচাক এই কথা জনাম।

জয়া—জাহাপনা হেনো অসমৰ ৰজা হব,—কথাষাৰ সঁচানে ?

ৰচিদ—মিছা কথা। কোনে কলে তোমাক ?

জয়া—মিছা ? হতভগীয়া অসমীয়া ৰাইজ! ৰজাই কোৱা কথাই তেনেহলে সঁচা ?

ৰচিদ—তোমাৰ ৰজাই কি কৈছে ?

জয়া—অসমীয়া প্ৰজাই পাটচাৰ বিৰুদ্ধে অস্ত্ৰ নধৰোঁ বুলি শপত

কৰিছিল ; পিচে ৰজাই কলে—নহয়, এইখন যুজ আমাৰ ৰাজপুতৰ লগতহে হব। কোনোবা বোলে ৰামসিংহ নে কোন ৰাজপুত এজন আহিছে—হয়নে জাহাপনা ?

ৰচিদ—তোমালোকৰ ৰজাই মিছা কথা কৈছে। বাদচাৰ লগত যি সন্ধি হৈছিল অসম ৰজাই অমান্য কৰিছে।

জয়া—পিচে ৰামসিংহ অহা কথাষাৰ মিছেনেকি জাহাপনা ?

ৰচিদ—ৰামসিংহ বাদচাৰ সেনাপতি হৈ আহিছে।

জয়া—কি কলে জাহাপনা ? ৰাজপুত ৰামসিংহ পাটচাৰ সেনাপতি হৈ আহিছে! তেনেহলে জাহাপনা সেই ৰাজপুতটোৰ তলতীয়া হৈ আহিছে নেকি ?

ৰচিদ—বীৰ মোগলৰ সন্তান ৰচিদখাঁই ৰাজপুতৰ তলতীয়া হৈ নাহে জয়ানন্দ। ৰামসিংহৰ মোৰ ওপৰত কোনো অধিকাৰ নাই। মোৰ যি ইচ্ছা তাকে কৰিব পাৰোঁ।

জয়া—এৰা। নহয়নো কি ? জাহাপনাই আকৌ কিহৰ জগৰত সেই ৰাজপুতটোৰ তলতীয়া হৈ থাকিব ! পিচে জাহাপনা, মই সদৌ অসমীয়া ৰাইজৰ হৈ আপোনাৰ ওচৰত গোহাৰি জনাইছোঁ, আপুনি আমাৰ অসমৰ ৰজা হব লাগিব।

ৰচিদ—আগেয়ে ৰণ, তাৰ পিচতহে সেইবোৰ কথা।

জয়া—জাহাপনা! আপোনাৰ মুখৰ মাথোঁ এটি কথাত অসমীয়া ৰণুৱাবোৰে যুজ কৰিবলৈ এৰি ঘৰাঘৰি গুচি যাব। ৰণুৱা-বিলাকৰ কথাকে নকওঁ আনকি ডা-ডাঙৰীয়া সকলেও আপুনি অহাৰ কথাৰ ভু নেপায়। আপুনি আজিয়েই লাচিত বৰফুকনলৈ সকলো কথা বহলাই লিখি পত্ৰ দিয়ক।

ৰচিদ—কোনো চিন্তা নকৰিবা জয়ানন্দ। ৰামসিংহৰ মই উপযুক্ত ব্যৱস্থা কৰিম। যুদ্ধত জয় হলেও ৰামসিংহৰ উদ্ধাৰ নাই। হাৰি প্ৰাণ লৈ পলাই গলেও বাদচাৰ হাতত নিস্তাৰ নেপায়। ৰামসিংহৰ ধ্বংস অনিবাৰ্য্য।

জয়া—জাহাপনা! আপোনাৰ গীত-নাচত অলপ ৰাপ থকা দেখি এই অধমে এজনী নাচনীৰ যোগাৰ কৰি আনিছোঁ।

ৰচিদ—চাবাচ্ চাবাচ্ জয়ানন্দ! ক'ত আছে বাইজী?

জয়া—বাৰু জাহাপনা। মই তাইক এতিয়াই লৈ আহোঁ।

(জয়ানন্দৰ প্ৰস্থান)

ৰচিদ—মুস্তাফা! মুস্তাফা!

(মুস্তাফাৰ প্ৰবেশ)

মুস্তাফা—ফৰমাচ কৰক জাহাপনা!

ৰচিদ—ছিৰাজী।

(মুস্তাফাই গৈ ছিৰাজী লৈ আহে। জয়ানন্দ আৰু মদনাৱতীৰ প্ৰবেশ। মদনাৱতীয়ে ৰচিদ খাঁক কুৰ্নিশ কৰে)

জয়া—পিচে জাহাপনা, এটা কথা। আপোনাৰ লগত নাচ কৰি থকা দেখি ৰামসিংহই জানোচা আমাক বন্দী কৰে।

ৰচিদ—ৰাজপুত গোলামৰ ইমান সাহ নাই যে ৰচিদ খাঁৰ সম্মুখত ৰচিদ খাঁৰে মানুহক অপমান কৰে। বাইজী, গান গোৱা, নাচা, স্ফুৰ্ত্তি কৰা। কোনো ভয় নাই।

জয়া—নাচনী। আমাৰ জাহাপনাৰ মন যোগাব পাৰিলে তোমাৰ আৰু একোৰে অভাৱ নহব।

(নাচ গান চলিব ধৰে। ৰচিদ খাঁই ছিৰাজী পিয়লাই পিয়লাই পিয়ে। মুস্তাফাই ঢালি দি থাকে। জয়ানন্দই একাষে থিয় দি ৰচিদ খাঁৰ ৰেহ-ৰূপ চাই থাকে)

(মীৰ নৱাবৰ প্ৰবেশ। লগে লগে নাচ-গান বন্ধ হৈ পৰে)

মীৰ নৱাব—ৰচিদ খাঁ। আপোনাক ৰজা ৰামসিংহই মাতি পঠিয়াইছে।

ৰচিদ—ৰামসিংহক কৈ দিয়াগৈ, ৰচিদ খাঁ তেওঁৰ কিনা গোলাম নহয় যে আদেশ কৰিলেই যাব।

মীৰ নৱাব—বৰ জৰুৰী কথা আছে ৰচিদ খা।

ৰচিদ—কৰা—ৰচিদ খাঁ বৰ মচগুল হৈ আছে। এতিয়া আহিব নোৱাৰে।

মীৰ নৱাব—খবৰ আহিছে, অসমীয়াই যুদ্ধৰ কাৰণে ভীষণ আয়োজন কৰিছে।

ৰচিদ—ৰামসিংহই নিজকে বৰ বীৰ বুলি গৰ্ব্ব কৰে। এতিয়া কাৰ্য্যক্ষেত্ৰত দেখা যাওক তেওঁৰ কিমান বীৰত্ব। ৰচিদ খাঁই কি কৰিব ?

মীৰ নৱাব—ৰণক্ষেত্ৰ আমোদ-প্ৰমোদৰ ঠাই নহয় ৰচিদ খাঁ।

(ৰহাৰ পৰা উঠি)

ৰচিদ—আঁতৰ হোৱা মীৰ নৱাব।

(মীৰ নৱাবৰ প্ৰস্থান)

বাইজী, নাচ-গান সুৰু কৰা। তোমাক মোৰ খুব পচন্দ হৈছে।

(এই বুলি বাইজীক আকোৱালি ধৰিব খোজে। বাইজী আঁতৰ হৈ যায়। লগে লগে পট পৰে)

—পট—

তৃতীয় দৃশ্য

—গুৱাহাটীৰ ইটাখুলিৰ কোঠ—

[লাচিতে টিলা এটাৰ ওপৰত উঠি মোগল সেনাবিলাকৰ আলেখ-লেখ চাইছে। এটা ৰণুৱাই জোৰ এডাল লৈ লাচিতৰ কাষত থিৰি আছে। দিহিঙীয়া ফুকন, মিৰি সন্দিকৈ ফুকন আৰু ৰণুৱাবিলাকে যুজৰ আয়োজনত অহা-যোৱা কৰি থাকে। আঁতৰত ৰণ-শিঙাৰ শব্দ, হিলৈ কামানৰ শব্দ, সেনাবোৰৰ কোলাহল আৰু জয়ধ্বনি শুনা গৈছে।]

লাচিত—গোঁসানী! দুৰ্ভগীয়া লাচিত বৰফুকনৰ দিনতহে মোৰ অতি চেনেহৰ অসমৰ এনুৱা বিলৈ হবলৈ পালে। কেনেকৈ সৰ্গদেউৰ গৌৰৱ ৰক্ষা কৰোঁ? কেনেকৈ এই নিছলা অসমীয়া জাতিক ৰক্ষা কৰোঁ? সৰ্গদেউৰ আগত হেংদান চুই শপত কৰিছোঁ, আশীৰ্ব্বাদ কৰিবা গোঁসানী—জীৱন দি হলেও যেন মোৰ সোণৰ অসমক শতুৰুৰ হাতৰপৰা উধাৰিব পাৰোঁ।

(চুৰামণিৰ প্ৰবেশ। লাচিত নামি আহে)

চুৰামণি! গ'ল নিশা এটি বৰ বেয়া সমাজিক দেখিলোঁ। সমাজিকৰ কথা মনত পৰিলে গোটেইটো গা জিকাৰ খাই উঠে।

চুৰামণি—মোগলৰ সতে যুজ লগা দেখিছিল হবলা।

লাচিত—যুজ নহয় চুৰামণি।

চুৰামণি—কিনো দেখিছিল কওঁকচোন। গ্ৰহৰ কিবা দোষ ঘটিলে পূজা-পাতল দিব লাগিব।

লাচিত—এজনী বৰ ওখ ধুনীয়া তিৰোতা মানুহ। তাইৰ ওপৰৰ ওঁঠটো আকাশত আৰু তলৰ ওঁঠটো পাতালত লগাই, মাজতে জিভাখন মেলি মোগললৈ পোনাই থিয় দি আছে। আৰু তাইৰ সোঁ দাঁতিতে অসমীয়া সেনাপতি আৰু বণুৱা-বিলাক আছে। বাৰু কোৱাচোন, এনে সমাজিক দেখাৰ কাৰণটো কি?

চুৰামণি—বৰ সেনাপতি! আমাৰ কাৰণে সমাজিকৰ ফলাফল বৰ মঙ্গলজনক।

লাচিত—মঙ্গলজনক?

চুৰামণি—এৰা, আমাৰ সৰ্গদেউ ঈশ্বৰৰ জয় আৰু মোগলৰ ধ্বংস হব।

(লাচিতে ইফাল-সিফাল কৰি চিন্তা কৰিবলৈ ধৰে)

লাচিত—সমাজিকেও কৈছে আমাৰেই জয় হব। মোগল ধ্বংস হব। ধ্বংস কৰিব কোনে? শতুৰুক নিপাত কৰিবলৈ এই লাচিত বৰফুকনৰ ওপৰতেই ভাৰ পৰিছে। লাচিত বৰফুকন! সৰ্গদেৱে তোক পৰীক্ষা কৰি চাইছিল, তই উত্তীৰ্ণ হৈছিলি। এইবাৰ তোক গোঁসানীয়ে পৰীক্ষা কৰিছে। গোঁসানী! গোঁসানী!!

(মিৰি সন্দিকৈ ফুকনৰ প্ৰবেশ। চুৰামণিৰ প্ৰস্থান)

মিৰি—বৰ সেনাপতি! আমাৰ মানাহাৰ মুখত থকা বণুৱাবিলাকে ৰামসিংহক ভেটা দিছিল, কিন্তু একো সুবিধা কৰিব নোৱাৰিলে। ৰামসিংহই লগত এহেজাৰ শিক্ষিত যুঁজৰ

কুকুৰ লৈ আহিছে। আমাৰ দহ-বাৰটা ৰণুৱা মৰিলেহে সিহঁতৰ এটা কুকুৰ ৰণত পৰে।

লাচিত—ৰামসিংহ আহি কোনখিনি পাইছেহি ?

মিৰি—ৰঙামাটিৰ কাষ চাপিছে।

(লাচিতে মুখেৰে একোনকে মুৰ দুপিয়াবলৈ ধৰে)

আপোনাৰ আদেশ হলে নকৈ কিছুমান যুজাৰু পঠিয়াই দিব পাৰোঁ।

লাচিত—কলৈ পঠিয়াব ?

মিৰি—ৰঙামাটিত ৰামসিংহক ভেটিবলৈ।

লাচিত—ওহোঁ, তাৰপৰা কোনো ফল নহব।

মিৰি—মানাহাত আমাৰ নিচেই তাকৰ ৰণুৱা আছিল বুলিয়েই পিচুৱাই আহিব লগা হ'ল।

লাচিত—ময়ো তাকেই বিচাৰিছোঁ মিৰি সন্দিকৈ ফুকন।

মিৰি—ৰামসিংহ বিনা বাধাই আগুৱাই আহিবলৈ ধৰিছে।

লাচিত—আহিবলৈ দিয়া।

মিৰি—তাৰপৰা জানো আমাৰ কিবা সুবিধা হব ?

লাচিত—ৰামসিংহ যিমানেই আগুৱাই আহে সিমানেই আমাৰ ছল লাগিব। (অলপ চিন্তা কৰি) তুমি এটা কাম কৰা সন্দিকৈ ফুকন। কিছুমান ৰণুৱাক আগলৈ পঠিয়াই দিয়া। সিহঁতক এনে ঠাইত থাকিবলৈ কবা, যাতে ৰামসিংহই বৰ বঢ়িয়াকৈ দেখা পায় অথচ মোগলৰ কামায়নেও ঢুকি নেপায় আৰু বৰ হিলৈযেও সিহঁতক চেৰাই যায়।

মিৰি—তাৰ পাচত ?

লাচিত—তাৰ পাচত সিহঁতক গুৱাহাটীৰ পিনে ক্ৰমান্বয়ে পিছুৱাই আহিবলৈ দিবা—যাতে ৰামসিংহৰ মনত এনে ধাৰণা হয় যেন অসমীয়া ৰণুৱাবোৰে মোগলৰ প্ৰবল আক্ৰমণত তিষ্ঠিব নোৱাৰি দিহা দিহি পলাবলৈ ধৰিছে।

মিৰি—তেনে কৰিলে শত্ৰুৱে মনত বলহে পাব বৰ-সেনাপতি।

লাচিত—মোৰ আদেশ পালন কৰা।

(সন্দিকৈ ফুকনৰ প্ৰস্থান। বুঢ়াগোহাঁইৰ প্ৰবেশ)

আতন—বৰফুকন ডাঙৰীয়া! ৰামসিংহ আহি গুৱাহাটীৰ ওচৰ পালেহি। আপুনি এতিয়াও আমাৰ যুজাৰু বিলাকক বাট ভেটিবলৈ আদেশ কৰা নাই?

লাচিত—সময় আছে বুঢ়াগোহাঁই ডাঙৰীয়া।

আতন—মই হলে কথা বৰ সুবিধা দেখা নাই।

লাচিত—সিহঁতক এতিয়া বাট ভেটিবলৈ গলে অনৰ্থক আমাৰ কিছুমান যুজাৰুহে হানি হব।

আতন—যুজ নকৰাকৈ দেশখন সিহঁতৰ হাতত এৰি দিবনে?

লাচিত—মোগলৰ তুৰুক চোৱাৰী সেনাৰ আগত আমাৰ ৰণুৱাই বেছিপৰ ঠাৱৰিব নোৱাৰিব বুঢ়াগোহাঁই ডাঙৰীয়া। গড়ৰ ভিতৰৰপৰা আমি যুজ চলাব লাগিব।

আতন—কোনখিনিতে সিহঁতক ভেটিবলৈ মন কৰিছে?

লাচিত—শৰাইঘাট। শৰাইঘাটতেই ৰামসিংহৰ ৰণুৱাৰ সতে অসমীয়া যুজাৰুৰ শক্তি পৰীক্ষা কৰা হব। শৰাইঘাটৰ ৰণেই অসমৰ ভবিষ্যত নিৰ্ণয় কৰিব।

(ইফাল সিফাল কৰি)

তাৰ আগতে এটা কাম কৰিব লাগিব। গুৱাহাটীৰ পৰা তিনিক্রোশমান পশ্চিমে আৰু এটা নতুনকৈ গড় বান্ধি উলিয়াব লাগিব।

আতন—আপোনাৰ মূৰৰ বিকাৰ ঘটিছেনেকি ? ৰামসিংহ আহি গুৱাহাটী পাওঁ পাওঁ হলহি, এতিয়া নতুনকৈ গড় বন্ধাবলৈ সময় ক'ত ?

লাচিত—আজিৰ গোটেই নিশাটো পৰি আছে বুঢ়াগোহাঁই ডাঙৰীয়া।

আতন—নিশাটোৰ ভিতৰতে গড় বান্ধি উলিয়াব কেনেকৈ ?

লাচিত—উলিয়াবই লাগিব।

আতন—অনৰ্থক মানুহবোৰক শাস্তি দিয়া হব মাথোঁ।

লাচিত—সৰ্গদেৱে আমাক ইয়ালৈ যুজ কৰিবলৈহে পঠিয়াইছে, বহি ভোজ খাবলৈ নহয় !

আতন—আপোনাৰ মোৰ লেখিয়া তেজ-মঙহৰহে শৰীৰ তেও।

লাচিত—বুঢ়াগোহাঁই ডাঙৰীয়া ! আমি এতিয়া মেল মাৰি কটাবলৈ যথেষ্ট সময় আমাৰ হাতত নাই। আপুনি যাওক, নিজৰ কামত মন-কাণ দিয়কগৈ। কাইলৈ বেলি উঠাৰ লগে লগে দেখিবলৈ পাব লাচিতে গড়ৰ কাম শেষ কৰি উলিয়াইছে।

(বুঢ়াগোহাঁইৰ প্রস্থান। লাচিতে গভীৰ চিন্তাত মগ্ন হৈ ইফাল-সিফাল কৰি)

মোগলক জিনিবলৈ হলে আজি নিশাৰ ভিতৰতে গড বান্ধি উলিয়াবই লাগিব। পাৰিম, নিশ্চয় পাৰিম। সৰগবপৰা

মোৰ দেউতাই কলে—লাচিত! লুখুৰাসন আহোম বংশৰ মোমাই তামুলী বৰবৰুৱাৰ তই পো, তই পাৰিবি। তই পাৰিবই লাগিব, হতাশ নহবি! শৰাইঘাট! এই শৰাই-ঘাটতেই হয়তো মোৰ দেহা ধূলিৰ লগত মিহলি হৈ যাব, এই শৰাইঘাটেই হয়তো মোৰ উপৰি পুৰুষসকলৰ পবিত্ৰ নামত কলঙ্কৰ ক'লা ছিটা পেলাব—কিন্তু এই শৰাইঘাটেই এদিন মোৰ নাতি-পুতিহঁতক কবলৈ বাধ্য কৰাব যে লাচিতে যি কৰিছিল দেশৰ ভালৰ কাৰণেই কৰিছিল, লাচিতে সুজলা সুফলা সোণৰ অসমক শেন-চকুৰা বঙালৰ মুখৰ আগৰপৰা সকুৱাবলৈকে প্ৰাণটাকি যুজিছিল।

(মাধব চৰণৰ প্ৰবেশ)

মাধব চৰণ!

মিঃ সঃ ফুকন—আদেশ কৰক বৰ সেনাপতি।

লাচিত—তুমি ততালিকে গৈ দিল্লীৰ পাটচাৰ সেনাপতি ৰজা ৰামসিংহক জনোৱাগৈ যে মোগল-কটকী পণ্ডিতৰাওৰ হাতত আমালৈ তেওঁ যি প্ৰস্তাব কৰি পঠিয়াইছিল, সেই প্ৰস্তাৱৰ পৰা তেওঁৰ উদাৰ চৰিত্ৰৰ চিনাকি দিছে। কিন্তু আমি সেই প্ৰস্তাব গ্ৰহণ কৰিব নোৱাৰি মনত বৰ বেজাৰ পাইছোঁ। মান্ধাতা ৰজাৰ বংশধৰ আৰু অম্বৰৰ অধিপতি ক্ষত্ৰিয় চুড়ামণি ৰজা জয়সিংহৰ পুত্ৰৰ মুখত এনে অশোভনীয় কথা প্ৰকাশ পোৱাত আমি আচৰিত হৈছোঁ। তেওঁ যে ত্ৰুইঘড়ী মানৰ কাৰণে যুজিবলৈ কৈ পঠিয়াইছে, তুমি ভালকৈ

বুজাই দিবা যে লাচিত বৰফুকনে দুইঘৰী কিয় দুই বছৰৰ কাৰণে যুজিবলৈকো সাজু হৈ আছে। তীৰ, হিলৈ, খাৰ-বাৰুদ আদি দি তেওঁ আমাক যি সহায় কৰাৰ কথা কৈছে এতিয়া আমাৰ সেইবোৰৰ কোনো আৱশ্যক নাই। আৰু আমাক গাঁতৰপৰা উলিয়াই সভ্যতাৰ যি পোহৰ দেখুবাৰ খুজিছে তাৰ ভাগ আমাক নেলাগে বুলি কবা, কিয়নো ৰাজপুতনাৰ পকাবালিৰ দেশৰ পৰা ওলাই আহি মোগলৰ গোলামী কৰি তেওঁ যি পোহৰ লভিছে সেইখিনিয়ে তেওঁকেই নাটে,—যোৱা।

(মাধৱ চৰণৰ প্ৰস্থান। দিহিঙীয়া ফুকনৰ প্ৰবেশ)

দিঃ ফুকন—ৰামসিংহ লাহে লাহে আহি হাজোৰ ওচৰ পাইছেহি। বৰ সেনাপতিৰ আদেশ নেপাই সকলোৱে অস্থিৰ হৈ পৰিছে।

লাচিত—পেলান ফুকনে ৰণুৱা লৈ ৰংমহললৈ গৈছেনে নাই ?

দিঃ ফুকন—পেলান ফুকনে আপোনাৰ ওপৰত অভিযোগ আনিছে।

লাচিত—অভিযোগ আনিছে !

দিঃ ফুকন—এৰা, বৰ সেনাপতি।

লাচিত—কি বুলি অভিযোগ আনিছে ?

দিঃ ফুকন—আপুনি অনৰ্থক পলম কৰিছে। আপোনাৰ কাৰণেই হেনো ৰামসিংহই ইমানখিনি আগবাঢ়িব পাৰিছে। ইয়াৰ বাবে জগৰীয়া আপুনি।

লাচিত—পেলান ফুকনক বুজাই কবা, লাচিত বৰফুকনে মোগলৰ সতে ল'ৰা-ধেমালি কৰিব খোজা নাই। লাচিত বৰফুকনে

কেতিয়া কি কৰিব লাগে জানে। সকলোকে ভালদৰে জনাই দিবা দিহিঙীয়া ফুকন—ভবিষ্যতে যদি কাৰোবাৰ মুখত এনে কথা শুনিবলৈ পাওঁ আৰু কোনো বিষয়াক নিজৰ কামত হেলা কৰা দেখোঁ, তেনেহলে সিহঁতৰ মূৰ লাচিত বৰফুকনৰ হাতৰপৰা কেৱে ধৰি ৰাখিব নোৱাৰিব।

(লাচিতৰ বেগেৰে প্ৰস্থান)

—পট—

তৃতীয় অঙ্ক

প্ৰথম দৃশ্য

[লাচিত বৰফুকনৰ ইটাখুলিৰ কোঠ। লাচিতে গাত খনিয়া লৈ বদ পুৱাই বালিৰ ওপৰত বাহৰ শলা পুতি যুজৰ ঠাই নিৰীক্ষণ কৰিছে। বুঢ়াগোহাঁই সোমাই অহা লাচিতে কব নোৱাৰে।]

আতন—আপুনি হেনো জ্বৰ গাইছে বৰফুকন ডাঙৰীয়া।

(লাচিতে ঘূৰি চাই বুঢ়াগোহাঁইক দেখি বহাৰ পৰা উঠিল আৰু ওচৰত থকা আসনখনত বুঢ়াগোহাঁইক বহিবলৈ কলে)

লাচিত—অ' বুঢ়াগোহাঁই ডাঙৰীয়া—আসন লওক।

(দুয়ো বহে)

আতন—এতিয়া অলপ বাৰু পাইছেনে ?

লাচিত—শৰীৰ বৰ দুৰ্ব্বল হৈ পৰিছে।

আতন—অপৰিমিত পৰিশ্ৰম কৰাৰ বাবেই তেনে হৈছে। আজি ভালকৈ জিৰাওক। মনে মনে পাটীত পৰি শুই থাকক।

লাচিত—পাটীত পৰি মনে মনে শুই থাকিবলৈ মোমাইক মই নিজ হাতে কটা নাই। মোমাইৰ তেজৰ চেকা এতিয়াও মচা যোৱা নাই।

আতন—এৰা। কথাটো বৰ বাৰু নকৰিলে।

লাচিত—দেশতকৈ মোৰ মোমাই ডাঙৰ হব নোৱাৰে বুঢ়াগোহাঁই

ডাঙৰীয়া। মই জানো মোমাইক কেলেই কাটিছোঁ। মই বুজোঁ মোমাইক কাটি দেশৰ কি হিত সাধিছোঁ।

আতন—যোৱা কথা পাহৰি পেলাওক। আপোনাৰ শৰীৰৰ ফালে মন-কাণ দিয়ক।

লাচিত—অপৰিমিত পৰিশ্ৰম কৰিও লাচিতৰ শৰীৰ নেভাঙ্গে, অসুখেও মোক একো কৰিব নোৱাৰে, কিন্তু আলাবৈৰ যুজৰ বাতৰিয়ে মোক তেনেই জুৰুলা কৰি পেলালে।

আতন—আলাবৈৰ কথা ভাবি ইমান দুখ কৰিছে কেলেই? ইয়াতকৈ কিমান ডাঙৰ যুজত আমাৰ জয় হৈছে।

লাচিত—নোৱাৰোঁ—নোৱাৰোঁ বুঢ়াগোহাঁই ডাঙৰীয়া, আলাবৈৰ যুজৰ কথা মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰোঁ। ইমানকৈ সৰ্গদেউক জনাই পঠিয়ালোঁ বোলো বঙাল একেঠাই হৈ সাৱধানে আছে। কেঁচা বৰলক জোকালে গা সাৰিবলৈ টান হব। তেও সৰ্গদেৱে খণ্ডহে কৰি মোলৈ টানকৈ আদেশ দি পঠিয়ালে। সৰ্গদেউৰ আজ্ঞা হৈছে, কি বুলিম। ইচ্ছাৰ বিৰুদ্ধেও মোৰ ৰণুৱাবোৰক গড়ৰপৰা উলিয়াই দলিবাৰীৰ কোঁঠতে বঙালক ধৰিবলৈ আদেশ দিলোঁ, ফলত দহ হেজাৰকৈ হাতীৰ নিচিনা একোটা ৰণুৱা অনাহকতে শত্ৰুৰ হাতত নিপাত হ'ল।

আতন—বৰফুকন ডাঙৰীয়া! বাৰীৰ ভিতৰত পুখুৰী এটা সিচিলেও আঠ দহোটো মানুহক শিঙিয়ে বিন্ধে, এখন ৰণত যেনিবা আঠ দহ হেজাৰ ৰণুৱা পৰিল সি আৰু কি বৰ কথাটো হ'ল!

লাচিত—আপুনিয়েই কওকচোন বাৰু, আলাবৈৰ যুজৰ বাতৰি কোন সতে সৰ্গদেউলৈ পঠাওঁ !

আতন—স-ৰ্গ-দে-উ······

(নিমাত হৈ পৰে)

লাচিত—কি হ'ল বুঢ়াগোহাঁই ডাঙৰীয়া ? আপুনি সৰ্গদেউ বুলি নিমাত হৈ পৰিল কেলেই !

আতন—সেই কথা মুখেৰে বাজ হব নোখোজে বৰফুকন ডাঙৰীয়া।

লাচিত—মোক চিন্তিত কৰি নুতুলিব।

আতন—বতৰা আহিছে, সৰ্গদেউ চক্ৰধ্বজসিংহ শতুক হৈছে।

লাচিত—কি কলে······

(লাচিতে মূৰে-কপালে হাত দি বহি পৰে)

আতন—এতিয়া আমাৰ বেজাৰ কৰিবৰ সময় নহয় বৰফুকন ডাঙৰীয়া।

লাচিত—সৰ্গদেউৰ ঠাই কোনে পূৰণ কৰিব বুঢ়াগোহাঁই ডাঙৰীয়া ?

আতন—অসমৰ ৰাজপাট খালি হৈ পৰি থাকিব নোৱাৰে। সৰ্গদেউৰ অবিহনে সৰুজনা সৰ্গদেউ উদয়াদিত্যসিংহই অসমৰ ৰাজপাটত উঠিছে।

লাচিত—নিজৰ লৰা-তিৰোতা, ভাই-ভনী, মিতিৰ-কুটুম সকলোৰে মায়া-মোহ এৰি শতুৰুৰ ওপৰত জপিয়াই পৰিলোঁ, শেষত নিজৰ মোমাইকো নিজ হাতে বধ কৰিলোঁ, তথাপি সৰ্গদেউৰ এই অন্তিমকালৰ মনৰ ইচ্ছা পূৰণ কৰিব নোৱাৰিলোঁ।

আতন—বিধতাৰ লিখন কোনে খণ্ডাব। সৰ্গদেউৰ ভাৰস্তৰ চাউল কঠা শেষ হ'ল। তেওঁক কোনে ধৰি ৰাখিব পাৰে ?

(মিৰি সন্দিকৈৰ প্ৰবেশ)

মিৰি—বৰ সেনাপতি! ৰামসিংহৰ কটকী পণ্ডিতবাৱে সাক্ষাত বিচাৰিছে।

আতন—ৰামসিংহই পুনৰ কটকী পঠোৱাৰ উদ্দেশ্য কি?

লাচিত—উদ্দেশ্য নেথাকিলে পঠাব কেলেই? যোৱা, সন্দিকৈ ফুকন, আহিবলৈ দিয়া।

(সন্দিকৈ ফুকনৰ প্ৰস্থান। পণ্ডিতবাওৰ প্ৰবেশ)

পণ্ডিতবাও—বাদচাৰ প্ৰধান সেনাপতি মহাবীৰ ৰজা ৰামসিংহই মোক আপোনাৰ ওচৰলৈ এটা প্ৰস্তাব কৰি পঠিয়াইছে। আপোনাব অনুমতি পালে জনাব পাৰোঁ।

লাচিত—মই অনুমতি দিছোঁ।

পণ্ডিত—ৰজা ৰামসিংহই গুৱাহাটীখন বাদচাক এৰি দিবলৈ আৰু গুৱাহাটীত গড়মৰা খৰচৰ বাবে তিনিলাখ মোহৰ লৈ যুজখন শেষ কৰিবলৈ কৈছে। দুয়ো পক্ষৰে ধন আৰু জন যথেষ্ট ক্ষতি হৈছে। তেওঁ আপোনালোকৰ ৰণকৌশল, সাহ আৰু বীৰত্ব দেখি পৰম প্ৰীতি লাভ কৰিছে।

লাচিত—তোমাৰ সেনাপতিক কবা, দিল্লীৰ পাটচাৰ ক্ষত্ৰিয় সেনাপতি মহাবীৰ ৰামসিংহৰ মুখত আমাৰ ৰণুৱাৰ শলাগৰ কথা শুনি মনত বৰ ৰং পাইছোঁ আৰু এনে ৰণুৱাৰ সেনাপতি হবলৈ পাই সঁচাকৈয়ে মই গৌৰৱ অনুভৱ কৰিছোঁ।

পণ্ডিত—আপুনি বৰ ভাগ্যবান বৰফুকন ডাঙৰীয়া!

আতন—পিচে এটা কথা পণ্ডিতবাও! দিল্লীৰ পাটচাৰে সুদূৰ ৰাজপুতনাৰপৰা তেওঁক অসমদেশ জয় কৰিবলৈ সেনাপতি

কৰি পঠিয়াইছে। তেনে স্থলত যদি গুৱাহাটী লৈয়েই তেওঁ উভতি যায়, তেনেহলে পাটচাৰ নিশ্চয় তেওঁৰ ওপৰত অসন্তুষ্ট হব। তাৰ উপৰিও, গুৱাহাটী অসম ৰজাই কোচ ৰজাক যুজত ঘটুৱাই জয় কৰিছে। গুৱাহাটীৰ ওপৰত পাটচাৰ কোনো অধিকাৰ নাই।

পণ্ডিত—কিন্তু ঘিলাধাৰি ঘাটৰ চুক্তিমতে গুৱাহাটী মোগল বাদচাৰ হাতত অসম ৰজাই অৰ্পণ কৰিছিল।

লাচিত—যদি পাৰে এতিয়াও তোমাৰ সেনাপতি মহাবীৰ ৰজা ৰামসিংহক যুজ কৰি গুৱাহাটী অধিকাৰ কৰিবলৈ কবা।

পণ্ডিত—ইয়াৰপৰা ভবিষ্যতে আপোনালোকৰ বেছি হানি হব পাৰে।

আতন—মোগল-কটকী পণ্ডিতবাৰে আমাৰ ক্ষতিৰ কথা ভাবি মূৰ ঘোলা কৰিছে কেলেই?

পণ্ডিত—ৰজা ৰামসিংহৰ প্ৰস্তাৱ দলিয়াই নেপেলাব ৰাজমন্ত্ৰী ডাঙৰীয়া। এই প্ৰস্তাৱৰ উত্তৰত অসমৰ ভবিষ্যত নিৰ্ভৰ কৰিছে।

লাচিত—অসমৰ ভবিষ্যত, অসমীয়া জাতিৰ ভবিষ্যত অসমীয়াই ভাবিব। তাৰবাবে বিদেশী ৰাজপুত ৰামসিংহই মূৰ ঘমোৱাৰ উদ্দেশ্য জানিব পাৰোনে পণ্ডিতবাও?

পণ্ডিত—ৰামসিংহৰ বীৰত্বৰ কোনো ভূ নেপাই বুলিযেই এনেকৈ কব পাৰিছে।

লাচিত—জানো পণ্ডিতবাও! ৰামসিংহ দিল্লীৰ পাটচাৰ এটা কিনা গোলাম।

পণ্ডিত—আপুনি মহা ভুল কৰিবলৈ ওলাইছে বৰফুকন ডাঙৰীয়া।

লাচিত—মনে মনে থাকা পণ্ডিতবাও।

পণ্ডিত—ৰজা ৰামসিংহই ভিক্ষা বিচাৰি মোক ইয়ালৈ পঠোৱা নাই।

লাচিত—আৰু লাচিত বৰফুকনেও ৰামসিংহৰ একেৰি দয়ালৈ আশা কৰি হাত পাতি বহি থকা নাই।

পণ্ডিত—নিজৰ মৰণ নিজে মাতিছে বৰফুকন ডাঙৰীয়া।

লাচিত—পণ্ডিতবাও!

(লাচিতে খেদি যায়। বুঢ়াগোহাঁয়ে আগচি ধৰে)

আতন—দূত অবধ্য—বৰফুকন ডাঙৰীয়া!

লাচিত—মোৰ আগৰপৰা ভালে ভালে আঁতৰ হোৱা পণ্ডিতবাও।

(পণ্ডিতবাওৰ বেগেৰে প্ৰস্থান। চুৰামণিৰ প্ৰবেশ)

চুৰামণি—বৰ সেনাপতি! মোৰ মণ্ডলে কৈছে আজিৰ যুদ্ধত নৌ-সেনাপতি চৰিপ খাঁ নিহত হব আৰু মোগল সেনাপতি মীৰ নৱাব বন্দী হব।

লাচিত—চুৰামণি, তোমাৰ গণনা কোনো দিনে ভুল হোৱা নাই, আজিও নহয়। নৌ সেনাপতি চৰিপ খাঁ নিহত হব, মীৰ নৱাব বন্দী হব। তাৰ পাচত যবনৰ গোলামী কৰি নিজৰ বংশৰ গৌৰব কৰি ফুৰা ৰাজপুতনাৰ পকা বালিৰ দেশৰপৰা অহা সেই নিলাজ ৰামসিংহ! হাঃ হাঃ হাঃ!

(চুৰামণিৰ প্ৰস্থান। জয়ানন্দৰ প্ৰবেশ)

আতন—কি বতৰা আনিছা জয়ানন্দ?

জয়া—ৰামসিংহই পাৰিলে যুদ্ধ নকৰাকৈয়ে গুৱাহাটী লবলৈ

বিচাৰিছে। পোনতে আমাক উপলুঙা কৰি উকৰাই দিছিল, কিন্তু আমাৰ ৰণ-কৌশল আৰু গড় আদি দেখি তবধ মানিছে।

লাচিত—ৰচিদ খাঁৰ মনৰ ভাব কেনে পাইছা ?

জয়া—ৰচিদ খাঁৰ সহায়তেই সিহঁতৰ সকলো গোপনীয় কথাৰ মই তলি পাইছোঁ। ৰামসিংহই শৰাইঘাটৰ গড়ৰ তলেদি সিন্ধি দি খাৰ ভৰোৱাই থৈছে আৰু পাণ্ডুৰ ফালে বাঙলী বুৰুজৰ গড়ৰ তলেদি সিন্ধি খান্দি তাত খাৰ ভ াই গড় উৰুৱাই দিবলৈ বুধি পাঙিছে।

লাচিত—আৰু কি জানিব পাৰিছা জয়ানন্দ ?

জয়া—লঠিয়া পৰ্ব্বতৰ কাষত ঢুকি নোপোৱা ঠাইত কোঠ মাৰিবলৈ যো-জা কৰিছে। যদি ভাটীয়েদি গুৱাহাটী লব নোৱাৰে, তেনেহলে উজাই দৰঙ্গেদি গুৱাহাটী সোমাবলৈ চেষ্টা কৰিব বুলি ভিতৰুৱাকৈ জানিব পাৰিছোঁ।

লাচিত—বুঢ়াগোহাই ডাঙৰীয়া, আৰু পলম নকৰিব। আপুনি ততালিকে লঠিয়া পৰ্ব্বতলৈ গৈ ৰামসিংহৰ কোঠ মৰা কাম শেষ নৌ হওঁতেই সিহঁতক আক্ৰমণ কৰকগৈ আৰু দৰঙ্গৰ ৰজাক আমাৰ কিছু ৰণুৱা দি সকলোকে সাজু হৈ থাকিবলৈ কওক।

(বুঢ়াগোহাইৰ প্ৰস্থান। সন্দিকৈ ফুকন আৰু দিহিঙীয়া ফুকনৰ প্ৰবেশ)

লাচিত—সন্দিকৈ ফুকন, জয়ানন্দৰ মুখে জানিব পাৰিছো ৰামসিংহই শৰাইঘাটৰ গড়ৰ তলেদি সিন্ধি দি খাৰ ভৰাই জুই লগাই গড়

ভাঙিবলৈ চেষ্টা কৰিছে। তুমি ততালিকে গৈ ইফালৰপৰা লোৰ কটাই গড়ৰ ভিতৰত পানী ভৰাই দিয়াগৈ। যোৱা।

(সন্দিকৈ ফুকনৰ প্ৰস্থান)

দিহিঙীয়া ফুকন! আন্ধাৰ বালিত তুশাৰীকৈ শালৰ খুটা পুতি তাত নগা-ঢাৰি পাতি বালি দি গড় এটা বন্ধোৱাগৈ আৰু পাণ্ডুৰ ৰাঙলী বুকজৰ গড় মোগলে ভাঙিলে তৎক্ষাণৎ যেন তাক বাটি-বুটি ভাল কৰিব পৰা যায় – তাৰ কাৰণে সকলো যোগাৰ-যন্ত্ৰ কৰি ৰাখাগৈ। আৰু খাপে খাপে মানুহ থবা। মই যেন শীঘ্ৰে শীঘ্ৰে বাৰ্ত্তা পাওঁ।

(দিহিঙীয়া ফুকনৰ প্ৰস্থান)

জয়া—বৰসেনাপতি! ৰামসিংহই কিন্তু·········

লাচিত – ভয় নাই জয়ানন্দ! ৰামসিংহক নিপাত কৰিবলৈকে লাচিত বৰফুকনে জনম লৈছে। ৰামসিংহই গৰ্ব্ব কৰে মান্ধাতাৰ বংশধৰ বুলি, মিৰ্জ্জাৰজা অম্বৰাধিপতি জয়সিংহৰ পুত্ৰ বুলি। সি আকৌ প্ৰতিদ্বন্দ্বিতা কৰিব খোজে ইন্দ্ৰ-বংশী বীৰ আহোম-কুলবীৰ সৰ্গদেউ চক্ৰধ্বজসিংহৰ লগত। হাঃ হাঃ হাঃ·········

(লাচিতে হঠাৎ বুকুত হাত দি বৈ যায়)

জয়া—বৰসেনাপতি! আপোনাৰ অসুখ নেকি?

লাচিত—শাৰীৰিক অসুখে মোক মোৰ কৰ্ত্তব্যৰপৰা বিমুখ কৰিব নোৱাৰিব। বিদেশী বঙালক মই মানাহাৰ সিপাৰ কৰি

খেদিবই লাগিব। সৰ্গদেউ শতুৰু হলেও সৰ্গদেউৰ আদেশ মই আখৰে আখৰে পালিব লাগিব। জয়ানন্দ, মোক লৈ ব'লা—মোক লৈ ব'লা।

(লাচিতে জয়ানন্দৰ কান্ধত ভৰ দি লাহে লাহে ভিতৰলৈ যায়)

—পট—

দ্বিতীয় দৃশ্য

—ৰামসিংহৰ কোঠ—

[মীৰনৱাব, মাধৱচৰণ আৰু ৰামসিংহৰ প্ৰবেশ]

ৰামসিংহ—মাধৱচৰণ! তুমি ব্ৰাহ্মণ আৰু মই ক্ষত্ৰিয়। তুমি যদি বৰফুকনক বুজাই বৰাই কোনোমতে গুৱাহাটীখন আমাক এৰি দিয়াব পাৰা, তেন্তে তোমাক মই যথেষ্ট পুৰস্কাৰ দিম। এই মোহৰ কেইটা যিমানবিলাক ফুকন ৰাজখোৱা আছে সকলোকে ভগাই-বতাই দিবা আৰু কথা কামটো কৰি দিয়াব পাৰিলে আৰু বেছিকৈ উপহাৰ দিয়া হব। এই-ডোখৰ হীৰা বৰফুকনক দিবা। তেওঁ যেন যুদ্ধক্ষেত্ৰত এই হীৰা ডোখৰ পিন্ধি আহে।

(জেপৰপৰা মোহৰ আৰু হীৰাডোখৰ উলিয়াই মাধৱচৰণক দিয়ে)

মীৰ নৱাব—সকলোকে ভালকৈ বুজাই দিবা যে বাদচাহে অসম দেশ জয় কৰিবলৈ আমাক ইয়ালৈ পঠোৱা নাই। অসম ৰজাৰ লগত মিত্ৰতা কৰিবলৈহে আমি ইয়ালৈ আহিছোঁ।

মাধৱচৰণ—আপোনাসৱৰ কথা ৰাখিবলৈ মই প্ৰাণটাকি চেষ্টা কৰিম। মই বামুণ মানুহ। আপুনি হৈছে মান্ধাতাৰ বংশৰ ক্ষত্ৰিয় ৰজা। আপোনাসবে বামুণক সদায় দান-দক্ষিণা দি আহিছে।

ৰামসিংহ—তোমাৰ ওপৰতেই মই সকলো ভৰসা কৰিলোঁ মাধৱচৰণ! আজি গধূলিকৈ নহলেও কাইলৈ যেনে তেনে ইয়াৰ উত্তৰ পাওঁ।

মাধৱ—আপুনি নিশ্চিন্ত থাওক অম্বৰাধিপতি!

(মাধৱচৰণৰ প্ৰস্থান)

ৰাম—মাধৱচৰণৰপৰা কিবা আশা কৰিছানেকি মীৰ নৱাৰ?

মীৰ নৱাব—ধনেৰে কৰিব নোৱাৰা কাম কি আছে অম্বৰাধিপতি?

ৰাম—যিজনে দেশৰ কাৰণে নিজৰ মোমায়েকক নিজ হাতে বধ কৰিব পাৰে—সেইহেন মহাপুৰুষক তুমি ধনেৰে জয় কৰিবলৈ আশা কৰা?

মীৰ নৱাব—যুজিবলৈকো আমাৰ যথেষ্ট শক্তি আছে। আমি এতিয়াও ইমান দুৰ্ব্বল হৈ পৰা নাই ৰজা ৰামসিংহ!

(পণ্ডিতৰাওৰ প্ৰবেশ)

ৰাম—কি সংবাদ পণ্ডিতৰাও?

পণ্ডিত—লাচিত বৰফুকনে যুজৰ বাহিৰে আন কোনো কথাই শুনিব নোখোজে অম্বৰাধিপতি।

মীৰনৱাব—বেছ কথা। কটকী পঠিওৱাৰ আৰু কোনো আৱশ্যক নাই অম্বাধিপতি। ৰণক্ষেত্ৰত যি হয় এটা বিচাৰ হব।

ৰাম—আৰু কাৰ লগত দেখা হৈছিল পণ্ডিতৰাও?

পণ্ডিত—ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁইৰ লগতো দেখা হৈছিল। অসমীয়াৰ ভিতৰত তিনিজন প্ৰধান লোক আছে। এজন হৈছে ৰাজমন্ত্ৰী আতন বুঢ়াগোহাঁই। তেওঁ ভীষণ চতুৰ আৰু বুধিয়ক। এজন হৈছে সেনাপতি লাচিত বৰফুকন। তেওঁ এজন মহাবীৰ আৰু সাহিয়াল পুৰুষ। দেশৰ কাৰণে কৰিব নোৱাৰা কাম তেওঁৰ একো নাই। আনকি ৰাজমন্ত্ৰী বুঢ়াগোহাঁয়েও তেওঁক মানি চলে। আৰু আনজন হৈছে সমুদ্ৰ চুৰামণি দৈৱজ্ঞ। চুৰামণিয়ে গণনা কৰি সময় নিৰূপণ কৰি নিদিয়ালৈকে অসমীয়া সেনাই শত্ৰুক কেতিয়াও আক্ৰমণ নকৰে।

ৰাম—বাৰু পণ্ডিতৰাও। কোন পিনৰ পৰা অসমীয়া সেনাক আক্ৰমণ কৰিলে আমাৰ সুবিধা হব যেন দেখিলা ?

পণ্ডিত—যি দেখিলোঁ বৰফুকনে সকলো ঠাই বৰ সুৰক্ষিতকৈ ৰাখিছে। কোনো ফালেই আমাৰ সেনাই সুবিধা কৰিব নোৱাৰিব।

ৰাম—ব্ৰহ্মপুত্ৰইদি উজাই গুৱাহাটীত আমাৰ ঘোৰা তুলিব পৰা নেযাবনে ?

পণ্ডিত—অৱশ্যে এডোখৰ ঠাই মোৰ চকুত পৰিছে। বৰফুকন থকা ইটাখুলিৰপৰা কামাখ্যা পাহাৰৰ তলত অমৰাজুৰি ঘাটলৈকে মাজৰ এই অন্ধাৰু বালিয়েদি গুৱাহাটী আক্ৰমণ কৰিবলৈ সুবিধা আছে।

ৰাম—উত্তম ; ময়ো ঠিক তাকেই ভাবিছিলোঁ। মীৰ নৱাব, ঘোৰা, চৰিপ খাঁক নৌসেনাৰ সেনাপতি কৰি তোমাৰ লগত কেই-

হাজাৰ মান অশ্বাৰোহী সেনা লৈ গুৱাহাটী আক্ৰমণ কৰা। মনত ৰাখিবা—এয়ে আমাৰ শেষ চেষ্টা।

মীৰ নৱাব—অম্বৰাধিপতিৰ আজ্ঞা শিৰোধাৰ্য্য।

(বেগেৰে প্ৰস্থান)

ৰাম—পণ্ডিতৰাও! লাচিত বৰফুকন আৰু ফুকন ৰাজখোৱা বিলাকৰ মাজত এখন ঘৰুৱা কন্দল লগাবলৈ এটা উপায় ভাবি উলিয়াইছোঁ। বাৰু, এই পত্ৰখন পঢ়াচোন।

(পণ্ডিতৰাওক এখন পত্ৰ দিয়ে। পণ্ডিতৰাওৱে পঢে)

পণ্ডিত—সেনাপতি লাচিত বৰফুকন!

গ'ল নিশা আপুনি আমাৰ পৰা একলাখ মোহৰ লৈ আমাৰ লগত যুজ নকৰোঁ বুলি চুক্তি-পত্ৰত চহী কৰিছিল। কিন্তু এতিয়ালৈকে আপুনি যুজৰ সাজ এৰা নাই। ইয়াৰ কাৰণ কি জানিব পাৰোনে? ইতি

ৰামসিংহ

ৰাম—এই পত্ৰখন মিৰিসন্দিকৈ ফুকনৰ কোঠৈলৈ তীৰৰ আগত মাৰি পঠাওঁ। পত্ৰখন পঢ়ি যদি তেওঁলোকৰ বৰফুকনৰ ওপৰত সন্দেহ জন্মে তেনেহলে আমাৰ কাম উজু হৈ পৰিব।

(ৰামসিংহই পত্ৰখন তীৰৰ আগত দি মিৰি সন্দিকৈৰ কোঠৈলৈ মাৰি পঠায়। পিচ পিনৰ পৰা মদনাৱতীৰ প্ৰবেশ)

মদনাৱতী—ৰাজপুত বীৰে ভীৰু অসমীয়া জাতিৰ বিপক্ষে এনে নীচ উপায় লবলগীয়া হ'লনে অম্বৰাধিপতি?

(ৰামসিংহই মুখ ঘূৰাই মদনাৱতীলৈ ঘোপাকৈ চায়)

ৰাম—মদনাৱতী!

মদনা—দাসীৰ সেৱা গ্ৰহণ কৰিব অম্বৰাধিপতি।

ৰাম—তুমি ততালিকে এই স্থান পৰিত্যাগ কৰা।

মদনা—দাসীৰ অপৰাধ ?

ৰাম—ৰামসিংহই অসম দেশলৈ যুজ কৰিবলৈ আহিছে। তিৰোতাৰ লগত চুপতি মাৰিবলৈ নহয়।

মদনা—সেইবাবেই আচৰিত হৈছোঁ, ৰজা ৰামসিংহই তীৰৰ আগত পত্ৰ পঠিয়াব লগা হ'ল কেলেই ?

ৰাম—ৰামসিংহৰ সেই তীক্ষ্ণ তীৰে যেতিয়া তোমাৰ কোমল অন্তৰ স্পৰ্শ কৰিব, তেতিয়া বুজিবা মদনাৱতী—ৰামসিংহই তীৰৰ আগত পত্ৰ পঠিওৱাৰ কাৰণ কি ?

মদনা—আপুনি ৰাজপুত। ৰাজপুত জীয়াৰীয়ে প্ৰাণৰ ভয়ত কেতিয়াও মিছা নেমাতে, সেই কথা আপুনি ভালদৰে জানে।

ৰাম—পণ্ডিতৰাও! এই উদ্ধত নাৰীক লৈ গৈ ভালকৈ ছটামান মুখত চাবুকৰ কোব বহুৱাই দিয়া।

মদনা—ছিঃ ছিঃ ৰজা ৰামসিংহ। আপুনি বীৰ হৈ এজন ব্ৰাহ্মণক তিৰোতাৰ ওপৰত অত্যাচাৰ কৰিবলৈ আদেশ দিছে!

ৰাম—তুমি মোৰ আত্ম-সম্মানত আঘাত কৰিছা।

মদনা—আপোনাৰ আত্ম-সম্মান?

ৰাম—ৰামসিংহৰ বংশৰ গৌৰবৰ কথা পাহৰি নেযাবা মদনাৱতী।

মদনা—মোগল বাদচাৰ অধীনত আপনাৰ বংশৰ গৌৰৱ লোপ পাইছে অম্বৰাধিপতি।

ৰাম—মদনাৱতী!

মদনা—নিজৰ মান-সম্মান, বংশৰ গৌৰব, সকলোকে নেওচা দি

বাদচাৰ গোলাম হৈ আন আন স্বাধীন জাতিক যেতিয়া মোগলৰ দাসত্ব মানি লবলৈ বাধ্য কৰায়, তেতিয়া আপোনাৰ অন্তৰত সেই স্বাধীন জাতিৰ, সেই স্বাধীন ৰজাৰ আত্ম-সম্মানৰ কথা মনত নপৰেনে ৰজা ৰামসিংহ ?

ৰাম—পণ্ডিতৰাও ! যোৱা, চিপাহী আনি এই পিশাচিনীৰ হাত-ভৰি বান্ধি আটক কৰি ৰাখাগৈ। তাৰ পিচত আন সকলো ব্যৱস্থা ৰামসিংহই নিজেই কৰিব।

মদনা—চিপাহীৰ কোনো আৱশ্যক নাই ৰজা ৰামসিংহ। দাসীয়ে নিজ ইচ্ছাৰে যাব। পণ্ডিতৰাও, আপোনাৰ সেনাপতিৰ আদেশ পালন কৰক।

(পণ্ডিতৰাও আগে আগে আৰু পিচে পিচে মদনাৱতীৰ প্ৰস্থান। ৰামসিংহই অস্থিৰভাবে ইফাল সিফাল কৰিবলৈ ধৰে। ৰচিদ খাঁৰ প্ৰবেশ)

ৰাম—ৰচিদ খাঁ। আপোনাক বাদচাহে অসম দেশলৈ যুঁজ কৰিবলৈ পঠিয়াইছিল। নাচ-গান কৰি ছিৰাজী খাই মচ্‌গুল হৈ নিজকে পাহৰি থাকিবলৈ নহয়।

ৰচিদ খাঁ—তাৰ কৈফিয়ৎ ৰচিদ খাঁই বাদচাৰ আগত দিব।

ৰাম—তাৰ আগতে ৰামসিংহৰ আগত কৈফিয়ৎ দিব লাগিব ৰচিদ খাঁ !

ৰচিদ—আপোনাৰ অনুৰোধ ৰাখিব নোৱাৰোঁ। তাৰ বাবে মোক মাফ কৰিব।

ৰাম—ই মোৰ অনুৰোধ নহয়। ৰামসিংহৰ আদেশ।

ৰচিদ—আদেশ ?

ৰাম—এৰা। বাদচাৰ প্ৰধান সেনাপতিৰ আদেশ।

ৰচিদ—ৰচিদ খাঁ আপোনাৰ তলতীয়া কৰ্ম্মচাৰী নহয় ৰজা ৰামসিংহ। আপনাৰ যি ক্ষমতা আছে ৰচিদ খাঁৰো সেই সমান ক্ষমতা।

ৰাম—কওক, আপুনি কাৰ অনুমতি লৈ লাচিত বৰফুকনলৈ সন্ধি কৰিব বিচাৰি পত্ৰ লিখিছিল আৰু কি অধিকাৰত আপোনাৰ শিবিৰত পাঁচবাৰ নহবৎ বজাইছিল।

ৰচিদ—তাৰ বাবে ৰচিদ খাঁই ৰামসিংহৰ অনুমতি লোৱাৰ কোনো প্ৰয়োজন বোধ নকৰে।

ৰাম—আপোনাক মই বাধ্য কৰিম।

ৰচিদ—ৰামসিংহ!

(ৰচিদ খাঁই খাপৰ পৰা তৰোৱাল উলিয়ায়)

ৰাম—ৰচিদ খাঁ!

(নিজৰ তৰোৱালেৰে ৰচিদ খাঁৰ তৰোৱালত কোব মাৰি দিয়ে, ৰচিদ খাঁৰ হাতৰপৰা তৰোৱাল পৰি যায়)

চিপাহি—চিপাহি! (দুটা চিপাহীৰ প্ৰবেশ) যা। ৰচিদ খাঁৰ তামিঘৰৰ ফৰীয়াবোৰ কাটি বগৰাই পেলা।

(ৰামসিংহ বেগেৰে গুচি যায়। চিপাহী দুটাই তেওঁক অনুসৰণ কৰে। আনপিনৰপৰা জয়ানন্দৰ প্ৰবেশ)

জয়ানন্দ—জাহাপনা! আপোনাৰ সহ্য গুণ সঁচাকৈয়ে শলাগিবলগীয়া। মই নিলগৰ পৰাই সকলো চাই আছিলোঁ। ৰামসিংহৰ কপাল ভাল যে আপোনাৰ খং নুঠিল! ৰামসিংহৰ লগে লগে আপোনাৰো খং উঠিব লগা হলে দুয়োৰো মাজত

এখন তয়াময়া যুঁজ আৰম্ভ হ'লহেতেন। তেতিয়া আৰু জাহাপনাৰ গোলামে ৰামসিংহলৈ ভয় কৰি চাই থাকিলোঁ হয়নে ?

বচিদ—এই অপমানৰ মই প্ৰতিশোধ লম জয়ানন্দ।

জয়া—পিচে এটা কথা জাহাপনা। নিজৰ ভিতৰত যদি হাই-কাজিয়াখন কৰে তেনেহলে শতুৰুৱে লাই হে পাব।

বচিদ—ৰামসিংহৰ সকলো কথা বাদচাক জনামগৈ।

জয়া—আপুনি যদি সঁচাকৈয়ে ৰামসিংহৰ ওপৰত প্ৰতিশোধ লবলৈ বিচাৰিছে, তেনেহলে এটা কাম কৰক জাহাপনা।

বচিদ – বিশ্বাস কৰা জয়ানন্দ। ৰামসিংহক কেনেকৈ ধ্বংস কৰোঁ সেয়ে হৈছে মাথোঁ মোৰ মনৰ একমাত্ৰ চিন্তা।

জয়া—সকলো মুছলমান সেনাকে জনাই দিয়ক যাতে কোনেও ৰাজপুত ৰামসিংহৰ আদেশ মতে কাম নকৰে। তেতিয়া ৰামসিংহৰ ৰণত নিশ্চয় পৰাজয় হব।

বচিদ—তাৰপৰা লাভ একো নহব। সকলোৰে জানিব মহা-পৰাক্ৰমী মোগল বাদচাৰ অসম ৰজাৰ হাতত পৰাজয় হৈছে।

জয়া—যদি ৰামসিংহৰ কেনেবাকৈ জয় হয় তেনেহলে আপুনি বাদচাৰ ওচৰত কথা লগায়ো একো কৰিব নোৱাৰিব।

(বচিদ থাঁই চিন্তা কৰি)

বচিদ—এৰা। ৰামসিংহৰ জয় হলে মোৰ ভবিষ্যত একেবাৰে এন্ধাৰ হৈ পৰিব।

জয়া - মোগলৰ লেখীয়া এটা বীৰ জাতিৰ পক্ষে অসম দেশ জয় কৰাটো একো কথাৰ কথাই নহয়। এইবাৰ নহয় অহাবাৰ

অসম দেশ জয় কৰিব পাৰিব। কিন্তু আপোনাৰ কাৰণেহে মই ইমান মূৰ ঘমাইছোঁ। কাৰণ গোলামৰো একেবি স্বাৰ্থ আছে। জাহাপনা অসমৰ ৰজা হলে কিজানি এই অধমেও তুলসীৰ লগত কলপটুৱাৰ মুক্তি হোৱাৰ দৰে কিবা এবা থোৱাৰ এধানিমান ভাগ পাওঁৱেই।

ৰচিদ—কোনো চিন্তা নকৰিবা জয়ানন্দ। তোমাৰ কথা ৰচিদ খাঁই কেতিয়াও পাহৰিব নোৱাৰে।

(বেগেৰে প্ৰস্থান)

—পট—

তৃতীয় দৃশ্য

—শৰাইঘাটৰ ৰণ—

(ব্ৰহ্মপুত্ৰৰ উত্তৰে শৰাইঘাটৰ কোঠ। দক্ষিণে বৰফুকনৰ ইটাখুলিৰ কোঠ। মাজৰ এই ঠাই ডোখৰত ব্ৰহ্মপুত্ৰৰ বুকুত মোগলৰ সতে অসমীয়াৰ ভয়া-মযা ৰণ লাগিছে। প্ৰথম ডোখৰত মোগলৰ তীব্ৰ আক্ৰমণত তিষ্ঠিব নোৱাৰি অসমীয়া ৰণুৱাবিলাকে দিহা দিহি পলাব ধৰিছে। কিছুমানে শত্ৰুৰ হাতত প্ৰাণ হেৰুৱাইছে। গোটেইখন লুইতৰ বুকু তেজেৰে ৰাঙলি হৈ পৰিছে। মোগল সেনাৰ জয়ধ্বনি, সিইঁতৰ হিলৈ, বৰটোপ, বামান আদিৰ গৰজনিত দনদোপ হেন্দোল-দোপ লাগি পৰিছে। দক্ষিণ পাৰে ইটাখুলিৰ নামনিত নৈৰ পাৰত লাচিতৰ নাও সাজু হৈ আছে। কেইজনমানে ধৰি লাচিতক চালপীৰাৰ সৈতে নাৱৰ ওচৰলৈ আনিছে। আতন বুঢ়াগোহাঁই পিচে পিচে বেগেৰে আহি লাচিতক যুঁজলৈ নেযাবলৈ অনুৰোধ কৰিছে)

আতন—আমি থকাত আপুনি এই নৰিয়া গাৰে কেলেই যুঁজ কৰিবলৈ যাব লাগিছে ?

লাচিত—স্বৰ্গদেৱে মোক গুৱাহাটীত যুঁজ কৰিবলৈ থৈছে। মই এতিয়া গুৱাহাটী বঙালৰ হাতত শোধাই দি ল'ৰা-তিৰোতা লৈ সুখেৰে থাকিবলৈ গড়গাৱঁলৈ উভতি যামনে ? তাতকৈ মোক বঙালহঁতে ধৰি নিয়ক আৰু সেই বাতৰি আপোনালোকে সৰ্গদেউক জনাওকগৈ।

(এনেতে মোগলৰ কামান বৰটোপৰ শব্দ হয়। লাচিতে তেওঁক ধৰি অনা মানুহ কেইজনলৈ লক্ষ্য কৰি)

তহঁতে কি চাই আছ ? মোক নাৱত তুলি নিদিয় কেলেই ?

সকলোৱে ধৰি লাচিতক নাৱত তুলি দিযে, চহিয়ালহঁতে নাও উজাই মেলি দিলে।)

বন্দী চহিয়ালে মোক সুস্থিধি নাও কিয় উজাই মেলিব ?

(এইবুলি চাৰিটা চহিযালক নাকৈয়েৰে গদিয়াই পানীত পেলালে)

আতন—বৰফুকন ডাঙৰীয়া ! সিহঁতৰ গাত একো দোষ নাই। ময়েই আপোনাৰ নাও উজাই কুৰুৱা পাহাৰলৈ নিবলৈ আদেশ দিছোঁ।

লাচিত—মই নেযাওঁ বুঢ়াগোহাঁই ডাঙৰীয়া। বঙালৰ সতে যুজ হে কৰিম। মোৰ শেষ সমাধিৰ কাৰণে সৌ চিলাৰ পৰ্ব্বতত চাৰি কড়াৰ মাটি কিনিছোঁ।

(মিৰি সন্দিকৈ ফুকন উধাতু খাই সোমাই আহে)

মিৰি—বৰ সেনাপতি ! মোগলৰ নৌ-সেনাপতি চৰিপ খাঁই

আমাৰ পানীৰথীয়া ৰণুৱাক পৰাস্ত কৰি উজাই আহিল। তাকে দেখি পানীফুকন ডাঙৰীয়াই মোগলৰ নাৱৰ ওপৰত পাৰৰপৰা টোপ চলাবলৈ আদেশ দিলে। কিন্তু চুৰামণিয়ে এতিয়া খেণ বেয়া, ভাল হলে আমি কম বুলি আমাৰ ৰণুৱাক টোপ চলাবলৈ মানা কৰিলে। চাই থাকোঁতে চৰিপ খাঁৰ নাও আহি আন্ধাৰু বালিৰ ওচৰ পালেহি। তথাপি সমুদ্ৰ চুৰামণিয়ে এতিয়াও খেণ মিলা নাই বুলি কৈ আমাৰ ৰণুৱাক টোপ চলাবলৈ হাক দি আছে।

(কথা শুনি লাচিত উত্তেজিত হৈ পৰে)

লাচিত—সন্দিকৈ ফুকন। চুৰামণিক মোৰ আগলৈ লৈ আহা।

(চুৰামণিৰ প্ৰবেশ, লাচিতে চুৰামণিক দেখি)

চুৰামণি।

চুৰামণি—বৰসেনাপতি! এথন বাঢ়ি ধৰিবলৈ ভাল নহৈছে।

(হেংদান হাতত লৈ লাচিতে একে চাবেই বহাৰ পৰা উঠি চুৰামণিৰ ওচৰলৈ যায়)

লাচিত—চুৰামণি। সৰ্গদেৱে নৌকাটেঁাতেই মইয়ে কাটিম। সন্দিকৈ ফুকন। যোৱা, সকলোকে জনাই দিয়াগৈ, কোনেও যেন পিচ নোহোহকে।

(মিৰি সন্দিকৈৰ প্ৰস্থান। আকৌ কামানৰ শব্দ আৰু মোগলৰ জয়ধ্বনি শুনা গ'ল)

চুৰামণি! তয়ো কটা গলি, মোৰো দুৰ্যশ আনি চাউল-কানি মাৰিলি।

(গণনা কৰি চুৰামণিয়ে কলে)

চুৰামণি—স্বৰোদয়ত উত্তম পাইছোঁ, এতিয়া বঙালক ধৰিবলৈ উঠিব লাগে।

(লাচিতে সকলোকে আদেশ দিলে)

লাচিত—বুঢ়াগোহাঁই ডাঙৰীয়া! যাওক, সকলোৱে একেলগে একে সময়তে কাণ্ড-গুলীৰে মোগলৰ ওপৰত আক্ৰমণ চলাওক।

(সকলোৰে প্ৰস্থান। লাচিত নাৱত উঠিল। অলপ পিচতে কামান, হিলৈ, বৰটোপ আদিৰ গৰজনিয়ে আতঙ্কৰ সৃষ্টি কৰিলে)

দে দে চহিয়াল, মোৰ নাও ভটীয়া পানীত মেলি দে।

(আকৌ হিলৈ-বৰটোপৰ শব্দ হয়)

পানীফুকন! পিছুৱাই অহা সৌ নাওখনৰ মানুহ কেইটাক ধৰি পানীত পেলাই দিয়া।

(লাহে লাহে লাচিতৰ নাও অদৃশ্য হৈ গ'ল। ৰামসিংহই এটা টিলাৰ ওপৰত উঠি অসমীয়া ৰণুৱাৰ ৰণ-কৌশল আৰু লাচিতৰ পৰিচালনা চাব ধৰিছে। পণ্ডিতৰাওৰ প্ৰবেশ)

পণ্ডিত—অম্বৰাধিপতি! ৰচিদ খাঁই দিল্লীলৈ উভতি যাবলৈ যো-জা কৰিছে।

ৰাম—যাবলৈ দিয়া পণ্ডিতৰাও।

পণ্ডিত—তাৰ কাৰণ অম্বৰাধিপতি?

ৰাম—ৰচিদ খাঁৰ জয় হৈছে।

পণ্ডিত—অম্বৰাধিপতি!

ৰাম—ৰচিদ খাঁই বিচাৰিছিল ৰামসিংহৰ পৰাজয়।

পণ্ডিত—ৰণ এতিয়াও শেষ হোৱা নাই।

ৰাম—শেষ হবলৈ আৰু বেছি সময় নাই।

পণ্ডিত—আপোনাৰ আদেশ নোহোৱাকৈ ৰণ এৰি যাব কেনেকৈ ?

ৰাম—বাদচাৰপৰা ৰচিদ খাঁই সেই ক্ষমতা পাইছে।

(এনেতে এডাল তীৰ ৰামসিংহৰ কাণৰ কাষেদি যায়)

পণ্ডিতৰাও ! অসমীয়া সেনা আহি নিচেই ওচৰ চাপিছেহি। তুমি কিছু নিলগত মোৰ কাৰণে ঘোৰা সাজু কৰি ৰাখাগৈ।

(পণ্ডিতৰাওৰ প্ৰস্থান। মদনাৱতীৰ প্ৰবেশ)

মদনা—অম্বৰাধিপতি ! মীৰ নৱাব শত্ৰুৰ হাতত বন্দী হৈছে।

ৰাম—জানো মদনাৱতী।

মদনা—নৌ-সেনাপতি চৰিপ খাঁ অসমীয়া সেনাৰ কামানৰ গুলীত নিহত হৈছে।

ৰাম—তাকো জানো মদনাৱতী।

মদনা—মোগলৰ অসংখ্য সেনা বন্দী হৈছে। হাজাৰে হাজাৰে শত্ৰুৰ হাতত প্ৰাণ হেৰুৱাইছে আৰু বাকী ভয়ত দিহা দিহি পলাইছে।

ৰাম—সকলো নিজ চকুৰে দেখি আছোঁ। চাই মোৰ বৰ ভাল লাগিছে। অসমীয়া সেনাবোৰ কি ভয়ানক যোদ্ধা ! কি সাহসী বীৰ ! প্ৰত্যেকটো অসমীয়া সেনাই নাও বাব পাৰে, মাটি খান্দিব পাৰে, হিলৈ মাৰিব পাৰে আৰু তীৰ-ধনু মাৰিব পাৰে। মই ভাৰতৰ কোনো ঠাইতে অসমীয়াৰ দৰে সকলো কামতে পাকৈত যুজাৰু দেখা নাছিলোঁ।

মদনা - ইয়াত থাকিলে প্ৰাণৰ সংশয় আছে অম্বৰাধিপতি।

ৰাম—ৰামসিংহৰ হাতত এতিয়াও অস্ত্ৰ আছে মদনাৱতী!

মদনা—এই ঠাই সোনকালে পৰিত্যাগ কৰক।

ৰাম—সৌৱা চোৱা মদনাৱতী! লাচিত বৰফুকনে নৰিয়া গাৰে নাৱত শুই কেনেকৈ সেনাবোৰক পৰিচালনা কৰিব ধৰিছে। যেনে অসমীয়া সেনা, তেনে অসমীয়া সেনাপতি। কি কৌশলী, কি দূৰদশী এই লাচিত বৰফুকন! যি দেশত লাচিতৰ দৰে বীৰৰ জন্ম হৈছে, যি দেশত আতন বুঢ়াগোহাঁইৰ দৰে চতুৰ ৰাজনীতিজ্ঞৰ জন্ম হৈছে, ধন্য সেই দেশ, ধন্য সেই দেশৰ ৰজা, ধন্য সেই অসমীয়া জাতি! লাচিত বৰফুকন! ৰামসিংহৰ উচ্চশিৰ তোমাৰ বীৰত্বৰ ওচৰত আপোনা-আপুনি দোঁ খাই পৰিছে! মই হাৰ মানিছোঁ।

(অসমীয়াৰ জয়ধ্বনি শুনা যায়)

মদনা—বলক, আৰু পলম নকৰিব।

ৰাম- মোৰ আয়ে, অম্বৰৰ ৰাণীয়ে মোক অনুৰোধ কৰি উলটি যাবলৈ মাতি পঠিয়াইছিল, কিন্তু মই তেওঁলোকৰ অনুৰোধ আওকাণ কৰিলোঁ। মোৰ একমাত্ৰ অতি চেনেহৰ সন্তানক নিষ্ঠুৰ বাদচাহে বাঘৰ লগত যুঁজ লগাই দি বধ কৰিবলৈ চক্ৰান্ত কৰাৰ বাতৰিও পাইছোঁ। তথাপি মই বাদচাৰ মনৰ কামনা পূৰ্ণ কৰিবলৈ দৃঢ়-প্ৰতিজ্ঞ হৈ আছোঁ।

মদনা- আপোনাৰ পিতা ৰজা জয়সিংহ বাদচাৰ হাতত অপমানিত হৈয়েই মৃত্যুৰ মুখত পৰিছে। আপোনাকো সেই একে কাৰণেই অসম দেশলৈ পঠিয়াই দিছে। আপোনাৰ

নাবালক পুত্ৰকো ধ্বংস কৰিবলৈ বাদচাহে নিষ্ঠুৰ উপায় অৱলম্বন কৰিছে। অথচ আপুনি সকলো জানি শুনিও এই অত্যাচাৰী বাদচাৰ কাৰণে নিজৰ জীৱন তুচ্ছ কৰি শত্ৰুৰ আগত থিয় দি আছে!

ৰাম—কি কৰিম, উপায় নাই।

মদনা—ধিক আপোনাৰ জীৱন ৰজা ৰামসিংহ! মিছাতে আপোনাক সকলোৱে বীৰ বুলি কয়। আপুনি ৰাজপুত জাতিৰ কুলৰ কণ্টক।

ৰাম—তুমি মোক সদায় ভীৰু, কাপুৰুষ, মোগলৰ গোলাম বুলি তিৰস্কাৰ কৰি আহিছা। চিৰদিন মোক ঘৃণাৰ চকুৰে চাইছা—অথচ নিজৰ জীৱন বিপন্ন কৰি শত্ৰুৰ মাজতো তুমি মোৰ পিচ এৰা নাই কিয় মদনাৱতী?

(মদনাৱতী নিমাত)

মনে মনে থাকিলা কেলেই? যোৱা—মোৰ দৰে এটা অপদাৰ্থ প্ৰাণীৰ কাৰণে তোমাৰ এই বহুমূলীয়া জীৱন নষ্ট নকৰিবা।

(মদনাৱতী ৰামসিংহৰ মুখলৈ থৰ লাগি চাই থাকি চিঞঁৰি উঠে)

মদনা—ৰামসিংহ!

(ৰামসিংহক ঠেলা মাৰি আঁতৰ কৰে। শত্ৰুৰ তীৰ আহি মদনাৱতীৰ অন্তৰ ভেদ কৰি সোমাই যায়। মদনাৱতী ঢলি পৰে। ৰামসিংহই সাৱটি ধৰে)

ৰাম—মদনাৱতী! মদনাৱতী!!

মদনা—মনৰ কথা মনতে থাকিল। প্ৰকাশ কৰিবলৈ নোৱাৰিলোঁ। উস্……

(মদনাৱতীৰ মৃত্যু হয়)

ৰাম—ৰাজপুত জীয়াৰী! সোণৰ সপোনেই তোমাৰ মৃত্যুৰ কাৰণ হল।

(এনেতে আকৌ কামানৰ শব্দ আৰু অসমীয়া সেনাৰ জয়ধ্বনি শুনা যায়। ৰামসিংহই মদনাৱতীক তুলি লৈ বেগেৰে ৰণক্ষেত্ৰ পৰিত্যাগ কৰে।

(ব্ৰহ্মপুত্ৰৰ দুয়ো পাৰে আৰু লুইতৰ বুকুৰ ওপৰত মানুহৰ মুৰেৰে ক'লা হৈ পৰে। অসমীয়াৰ কিৰিলিয়ে, ঢোল, খোল, মৃদং আদিৰ শব্দে গোটেইখন তল ওপৰ কৰি পেলালে। লাহে লাহে লাচিতৰ নাৱে পুনৰ নৈৰ বুকুত দেখা দিলে। নাৱত অসমীয়াৰ জাতীয় পতাকা উৰিব ধৰিছে। লাচিত দীঘল দি পৰি শুই আছে। মূৰ শিতানত বহি সন্দিকৈ ফুকনে লাচিতক বিচি আছে। একাষে আতন বুঢ়াগোহাঁই থিয় দি আছে। লাচিতৰ নাও ওচৰ চপাৰ লগে লগে সকলো নিমাত হৈ পৰিল। আতন বুঢ়াগোহাঁয়ে ৰাইজলৈ চাই কলে)

আতন—শৰাইঘাটে লাচিতক অমৰ কৰিলে। অসমীয়া জীয়াই থাকে মানে লাচিতো জীয়াই থাকিব। অসমীয়াৰ ঘৰে ঘৰে লাচিতক পূজা কৰিব। নাতিপুহিঁতে মহাবীৰ লাচিতৰ চানেকীৰে অসমীয়াক পৃথিবীৰ ভিতৰত শক্তিশালী কৰি গঢ়ি তুলিব।

(ৰাইজে জয়ধ্বনি দিযে। লাচিতে লাহে লাহে মূৰ তুলি ৰাইজৰ আগত সেৱা লয়। লগে লগে মঞ্চৰ আঁৰ-কাপোৰ পৰে)

—যৱনিকা—